www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

❐ PRGI REGD. NO. : ASASS/25/A2361

# অসম বাৰ্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক


প্ৰাকৃতিক দৃশ্য উপভোগ কৰিলেহে জীৱনৰ সঞ্জীৱনী শক্তি বাঢ়ে আৰু মন পবিত্ৰ হয়। — হেম বৰুৱা

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❐ প্ৰথম বছৰ ❐ সংখ্যা- ১৮৬ ❐ বৃহস্পতিবাৰ ❐ ৭ মে', ২০২৬ চন ❐ Volume/Year- I ❐ Issue- 186 ❐ Friday ❐ 7th May, 2026 ❐ Asom Barta, Majuli ❐ PRGI Reg. No.- ASASS/25/A2361 ❐ Price- Rs. 10 ❐ Total Page- 8

■ শপত গ্ৰহণ অনুষ্ঠানত উপস্থিত থাকিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰমোদী ■

# ১২ মে'ত অসমত নতুন চৰকাৰৰ শপতগ্ৰহণ

## ৰাজ্যপালক পদত্যাগ পত্ৰ প্ৰদান হিমন্ত বিশ্ব শৰ্মাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৬ মে' ঃ** বুধবাৰে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজৰ পদৰ পৰা আনুষ্ঠানিকভাৱে পদত্যাগ কৰে। তেওঁ ৰাজ্যপালৰ ওচৰত পদত্যাগ পত্ৰ দাখিল কৰি নতুন চৰকাৰ গঠনৰ বাবে অনুমতি বিচাৰে। সাংবিধানিক বিধি অনুসৰি, ৰাজ্যপালে পদত্যাগ পত্ৰ গ্ৰহণ কৰিলেও নতুনকৈ শপত গ্ৰহণ নকৰালৈকে ড° হিমন্ত বিশ্ব শৰ্মাই ভাৰপ্ৰাপ্ত মুখ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিব। নতুন চৰকাৰ গঠনৰ প্ৰক্ৰিয়া সন্দৰ্ভত মুখ্যমন্ত্ৰী শৰ্মাই জানিবলৈ দিয়া মতে, অহা ১১ মে'ৰ পিছতহে অসমত নতুন চৰকাৰে শপত গ্ৰহণ কৰাৰ সম্ভাৱনা আছে। শপত গ্ৰহণ অনুষ্ঠানটোত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত থকাৰো সম্ভাৱনা আছে ❐ ৬ পৃষ্ঠাত

মুখ্যমন্ত্ৰী পদত হিমন্ত বিশ্ব শৰ্মাৰ নাম সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ

## অগপ বিধায়ক দলৰ নেতা নিৰ্বাচিত অতুল বৰা; কেশৱ মহন্ত উপ-দলপতি

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৬ মে' ঃ** অসম গণ পৰিষদৰ (অগপ) বিধায়ক দলৰ আজি গুৱাহাটীস্থিত আমবাৰীৰ মুখ্য কাৰ্যালয়ত এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বিধানসভা নিৰ্বাচনত দলটোৱে প্ৰত্যাশাতকৈ উন্নত ফলাফল অৰ্জন কৰাৰ পাছত ❐ ৬ পৃষ্ঠাত

বিচিচিআইৰ গাইড-লাইনৰ বাহিৰত স্থানীয় সমিতিৰ বিশেষ চাহিদা

## বেংগালুৰুত নহয় আইপিএল ২০২৬ৰ ফাইনেল

**অনলাইন ডেস্ক, অসম বাৰ্তা, ৬ মে' ঃ** আই পি এল ২০২৬ ছিজনৰ ফাইনেল খেল স্থানান্তৰ কৰাৰ সিদ্ধান্ত লৈছে ব'ৰ্ড অফ কণ্ট্ৰল ফৰ ক্ৰিকেট ইন ইণ্ডিয়াই (বিচিচিআই)। বুধবাৰে প্ৰকাশিত এক বিবৃতিত ব'ৰ্ডে জনায় যে প্ৰথমে বেংগালুৰুক ফাইনেল খেল আয়োজনৰ বাবে নিৰ্বাচিত কৰা হৈছিল। কিন্তু স্থানীয় সমিতি আৰু কৰ্তৃপক্ষৰ কিছুমান বিশেষ চাহিদাৰ বাবে সেই স্থান সলনি কৰি পুনৰ ❐ ৬ পৃষ্ঠাত

## মাজুলীত বন্যহস্তীৰ আক্ৰমণত আহত শালমৰা গাঁৱৰ মহিলা

**অসম বাৰ্তা, বনগাঁও, ৬ মে' ঃ** যোৱা ৪ মে'ৰ নিশাৰ পৰা নদী দ্বীপ মাজুলীৰ নৈ পৰীয়া অঞ্চলত তিনিটা বন্যহস্তীয়ে বৃহত্তৰ দক্ষিণপাট অঞ্চলত উপদ্ৰৱ চলাই গাঁওবাসীক শংকিত কৰি তোলে। ব্ৰহ্মপুত্ৰৰ মাজৰ টিকিৰাই চাপৰি দিশৰ পৰা নদী পাৰ হৈ মাজুলী দিশৰ দক্ষিণপাট পুৰনি সত্ৰৰ গাঁৱৰ ❐ ৬ পৃষ্ঠাত

বিজেপিৰ বিধায়িনী দলৰ বৈঠকত উপস্থিত থাকি নেতা নিৰ্বাচন, মন্ত্ৰীসভা গঠন আৰু আইন-শৃংখলা পৰিস্থিতিৰ ওপৰত আলোচনা

## পশ্চিমবংগৰ মুখ্যমন্ত্ৰী নিৰ্বাচন কৰিবলৈ কলিকাতালৈ যাব অমিত শ্বাহ, ৯ মে'ত শপতগ্ৰহণ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৬ মে' ঃ** ২০২৬ চনত অনুষ্ঠিত হোৱা পাঁচখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ ভিতৰত সৰ্বাধিক চৰ্চাৰ কেন্দ্ৰবিন্দু আছিল পশ্চিমবংগ। কেন্দ্ৰত নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন এনডিএ চৰকাৰ থকা সত্ত্বেও ২০১৬ আৰু ২০২১ চনৰ বিধানসভা নিৰ্বাচনত পশ্চিমবংগত বিজেপিয়ে পৰাজয় বৰণ কৰিব ❐ ৬ পৃষ্ঠাত

১০ মে'ত বিজেপি বিধায়ক দলৰ বৈঠক

## ৯ মে'ত অসমত উপস্থিত হ'ব কেন্দ্ৰীয় পৰ্যৱেক্ষক জেপি নাড্ডা



**নিউজ ডেস্ক, অসম বাৰ্তা, ৬ মে' ঃ** অসমত নতুন চৰকাৰ গঠনৰ প্ৰক্ৰিয়া ৰূপায়ণৰ বাবে সুনিৰ্দিষ্ট কাৰ্যসূচী ঘোষণা কৰা হৈছে। কেন্দ্ৰীয় নেতৃত্বই অহা ৯ মে'ত অসমলৈ পৰ্যৱেক্ষক প্ৰেৰণ কৰাৰ সিদ্ধান্ত লৈছে। কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা জে পি নাড্ডা ৯ মে'ত অসমত উপস্থিত হ'ব। তেওঁৰ লগতে সহ-পৰ্যৱেক্ষক হিচাপে হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়ব সিং ছৈনীও ❐ ৭ পৃষ্ঠাত

■ আগন্তুক ৫ বছৰৰ বাবে মুখ্যমন্ত্ৰীক প্ৰত্যাহ্বান অখিল গগৈৰ ■

## লিকটিয়া জীৱক পৰাস্ত কৰিব নোৱাৰি বদনাম কৰাত নামিছে মুখ্যমন্ত্ৰী শৰ্মা ঃ গগৈ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৬ মে' ঃ** বিধানসভা নিৰ্বাচনৰ ফলাফলৰ পাছতো শিৱসাগৰ সমষ্টিক কেন্দ্ৰ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ৰাইজৰ দলৰ সভাপতি তথা পুনৰ নিৰ্বাচিত বিধায়ক অখিল ❐ ৬ পৃষ্ঠাত

তৃণমূল কংগ্ৰেছলৈ সন্দেহৰ আঙুলি

## শুভেন্দু অধিকাৰীৰ ব্যক্তিগত সহায়ক চন্দ্ৰনাথ ৰথক গুলীয়াই হত্যা



নিৰ্বাচনোত্তৰ হিংসাত প্ৰাণ গ'ল বিজেপি নেতাৰ ঘনিষ্ঠ সহযোগীৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৬ মে'** পশ্চিম বংগ বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণাৰ ৪৮ ঘণ্টা পূৰণ ❐ ৬ পৃষ্ঠাত

❐ মঙলবাৰৰ ভিতৰত চৰকাৰক সবিশেষ তথ্য দাখিলৰ নিৰ্দেশ ❐

## মহানগৰীৰ উন্মুক্ত নলা-নৰ্দমাক লৈ ৰাজ্য চৰকাৰক জবাবদিহি গুৱাহাটী উচ্চন্যায়ালয়ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৬ মে' ঃ** মহানগৰীৰ কৃত্ৰিম বানপানীৰ পৰা ৰাইজক ৰক্ষা কৰাৰ দাবী জানি এখন জনস্বাৰ্থ মোকৰ্দমা (পিআইএল) উচ্চ ন্যায়ালয়ত দাখিল কৰা হৈছে। এই প্ৰসংগতে ন্যায়ালয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি চৰ্কাৰৰ সংশ্লিষ্ট বিভাগক অগ্ৰাধিকাৰভিত্তিত তথ্য দাখিল কৰিবলৈ নিৰ্দেশ দিছে। বিগত বানপানীৰ ঘটনাত চাৰিজন লোক মৃত্যুমুখত পৰিছে। লগতে নগৰৰ বিভিন্ন স্থানত থকা মেনহ'লত সোমাই লোকৰ মৃত্যু হোৱা উদ্বেগজনক ঘটনাও ন্যায়ালয়ৰ সন্মুখত উত্থাপন কৰা হয়। এই ঘটনাবোৰ পুনৰাবৃত্তি ৰোধ কৰাৰ বাবে ন্যায়ালয়ে চৰ্কাৰক প্ৰাসংগিক তথ্য দাখিলৰ বাবে কঠোৰ ❐ ৬ পৃষ্ঠাত

সৰুপথাৰত সোনকালেই অৱশিষ্ট বেদখলমুক্ত কৰিবলৈ উচ্ছেদ চলোৱা হ'ব ঃ বিশ্বজিৎ ফুকন

## অচিৰেই সৰুপথাৰত চলিব উচ্ছেদ অভিযান



**অসম বাৰ্তা, সৰুপথাৰ, ৬ মে' ঃ** নিৰ্বাচনী ফলাফলৰ এদিনৰ পিছতেই এক্সন মুডত বিশ্বজিৎ ফুকন। অচিৰেই সৰুপথাৰ সমষ্টিত ভূমি বেদখলকাৰীক উচ্ছেদ কৰাৰ বিষয়ে উল্লেখ কৰিছে সৰুপথাৰৰ বিজেপি বিজয়ী প্ৰাৰ্থী বিশ্বজিৎ ফুকনে। উল্লেখ- ❐ ৬ পৃষ্ঠাত

❐ গৌৰৱ গগৈক থকা-সৰকা অখিল গগৈৰ ❐

## কংগ্ৰেছৰ কেৰামতালিতে বিধ্বস্ত বিৰোধী মিত্ৰজোঁট

"হিমন্তই বোকা খচকি যায়, আমি হেণ্ডচেকটো দিবলৈ টান পাওঁ"



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৬ মে' ঃ** নিৰ্বাচন সমাপ্ত হোৱাৰ মাত্ৰ ৪৮ ঘণ্টাৰ পাছতেই কংগ্ৰেছে বিৰোধী মিত্ৰজোঁটৰ শোচনীয় পৰাজয়ৰ ❐ ৬ পৃষ্ঠাত

শাসকীয় শিবিৰৰ অপপ্ৰচাৰ অত্যন্ত দুৰ্ভাগ্যজনক; পৰাজিত দেৱব্ৰত শইকীয়াৰ তীব্ৰ প্ৰতিক্ৰিয়া

## "হিটলাৰী কায়দাৰে সত্যক মিছা প্ৰমাণিত কৰিব নোৱাৰি"



**নিউজ ডেস্ক, অসম বাৰ্তা, ৬ মে' ঃ** বিগত পোন্ধৰ বছৰ ধৰি নাজিৰা সমষ্টিক প্ৰতিনিধিত্ব কৰি অহা কংগ্ৰেছ নেতা তথা প্ৰাক্তন মন্ত্ৰী দেৱব্ৰত শইকীয়াই বিধানসভা নিৰ্বাচনত পৰাজয় স্বীকাৰ কৰাৰ লগে লগে ❐ ৬ পৃষ্ঠাত

মুখ্যমন্ত্ৰী হিচাপে শপত ল'বলৈ সাজু ছুপাৰষ্টাৰ বিজয় থালাপটী

## কংগ্ৰেছৰ সমৰ্থনত তামিলনাড়ুত চৰকাৰ গঠনৰ দিশে বিজয়ৰ TVK

ৰাজ্যপালক সাক্ষাৎ কৰি চৰকাৰ গঠনৰ প্ৰস্তাৱ দাখিল বিজয় থালাপটীৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৬ মে' ঃ** তামিলনাড়ুৰ শেহতীয়া বিধানসভা নিৰ্বাচনৰ ফলাফলৰ পিছত ৰাজ্যখনত চৰকাৰ গঠনৰ প্ৰক্ৰিয়াই এক গুৰুত্বপূৰ্ণ মোৰ লৈছে। অভিনেতাৰ পৰা ৰাজনীতিবিদ হোৱা চি. বিজয়ৰ দল তামিলগা ভেট্ৰি কাঝাগম (টিভিকে)-ক পৰৱৰ্তী চৰকাৰ ❐ ৬ পৃষ্ঠাত

হাজোৰ ৰামদিয়াত নৃশংস হত্যাকাণ্ডৰ ঘটনা

## দুই ভাতৃয়ে হত্যা কৰি নৈত উটুৱাই দিলে এজন যুৱকক

**অসম বাৰ্তা, হাজো, ৬ মে' ঃ** পুনৰ এক নৃশংস হত্যাকাণ্ডই জোকাৰি গ'ল তীৰ্থনগৰী হাজোৰ ৰামদিয়া অঞ্চল। ৰামদিয়া মাজৰকুৰি গাঁৱৰ দুই ভাতৃয়ে মোমায়েকৰ সৈতে মিলি একেখন গাঁৱৰে মুনিন্দ্ৰ ডেকা(১৯)ওৰফে চিকনা নামৰ যুৱকজনক ৰামদিয়াৰ ❐ ৬ পৃষ্ঠাত

## ডিমৌত পিষ্টল আৰু গ্ৰেনেডসহ আলফা (স্বা)ৰ দুৰ্ধৰ্ষ কেডাৰ আটক

**অসম বাৰ্তা, ডিমৌ, ৬ মে' ঃ** শিৱসাগৰ জিলা আৰক্ষীয়ে যোৱানিশা এক অভিযান চলাই ডিমৌ আৰক্ষী থানাৰ অন্তৰ্গত পালেঙী ধ্যানপথাৰৰ পৰা নিষিদ্ধ ঘোষিত সংগঠন আলফা (স্বাধীন)ৰ এজন দুৰ্ধৰ্ষ কেডাৰক আটক কৰিবলৈ সক্ষম হয়। ধৃত সদস্যজনক মৰাণ থানাৰ ❐ ৬ পৃষ্ঠাত



❒ বৃহৎ ব্যৱধানত ৰাইজৰ দলৰ প্ৰাৰ্থীক পৰাজয় ❒

# মাৰ্ঘেৰিটা বিধানসভা সমষ্টিত বিজেপিৰ প্ৰক্ষেপিত প্ৰাৰ্থী ভাস্কৰ শৰ্মাৰ হেট্ৰিক



**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ৬ মে’ ঃ** আজি ৯ এপ্ৰিলত অনুষ্ঠিত হোৱা ২০২৬ বিধানসভা নিৰ্বাচনৰ ভোট গণনা সম্পন্ন হয়। ৮৩ নং মাৰ্ঘেৰিটা বিধানসভা সমষ্টিত বিজেপিৰ প্ৰক্ষেপিত প্ৰাৰ্থী তথা পূৰ্বে দুবাৰকৈ বিধায়ক হোৱা ভাস্কৰ শৰ্মাই হেট্ৰিক বিজয়ৰে শেষ হাঁহি মাৰে। ৮৩ নং মাৰ্ঘেৰিটা বিধানসভা সমষ্টিত মুঠ ২২টা ৰাউণ্ড ভোট গণনা হৈছিল। ভাস্কৰ শৰ্মাই প্ৰথম ৰাউণ্ডৰ পৰাই বিপুল ভোটৰ ব্যৱধানেৰে অগ্ৰগতি লাভ কৰি আছিল। উল্লেখ্য যে শেষত বিৰোধীক শোচনীয় পৰাজয় কৰি প্ৰায় ৫৫, ৩১৭টা ভোটৰ বৃহৎ ব্যৱধানত জয়লাভ কৰে ভাস্কৰ শৰ্মাই। ভোট গণনাৰ ফলাফল অনুসৰি বিজেপিৰ প্ৰাৰ্থী ভাস্কৰ শৰ্মাই ৮৬, ৩৪৯টা ভোট পাব লৈ সক্ষম হয় আন হাতে বিৰোধী দলৰ প্ৰাৰ্থী ৰাহুল চেত্ৰীয়ে(ৰাইজৰ দল) ৩১, ০৩২টা ভোট আৰু জাৰ্নেল মিঞ্জয়ে(জয় ভাৰত দল)১৯, ২২৮টা ভোট লাভ কৰে। ইফালে ভাস্কৰ শৰ্মাৰ বিপুল ভোটৰ ব্যৱধানত জয়ৰ সংবাদে মাৰ্ঘেৰিটা বিজেপিৰ কাৰ্যালয়ত উৎসৱ মুখৰ পৰিৱেশ মুখৰিত হয়। মাৰ্ঘেৰিটা বাম্পে ভৰনত হাজাৰ হাজাৰ বিজেপিৰ কৰ্মকৰ্তা উপস্থিত হৈ ঢোল ডগৰ বজাই, ফটকা ফুটাই, জয় ধ্বনিৰে আকাশ বতাহ কঁপাই তোলে। নিজৰ প্ৰাৰ্থী গৰাকীক গামোচা, পুষ্পমালা, পুষ্প বৃষ্টিৰে বিজয় সম্ভাষণ জনায়। আনহাতে বিপুল ভোটত জয়ী হোৱা ভাস্কৰ শৰ্মাই মাৰ্ঘেৰিটা বিধানসভা সমষ্টিবাসীৰ শৰণত সেৰা জনোৱাৰ লগতে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ বুলি মতপোষণ কৰে আৰু অনাগত দিনত নিজকে সমষ্টিৰ উন্নয়নৰ ক্ষেত্ৰত ব্ৰতী থাকিব বুলি উল্লেখ কৰে।

# শিল্পী হেমাংগিনী বৰদলৈ আৰ্ট স্কুল পৰিদৰ্শন কামৰূপ জিলাৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ

**ষ্টাফ ৰিপ’ৰ্টাৰ, অসম বাৰ্তা, ৬ মে’ ঃ** ৰাজ্যৰ প্ৰথিতযশা শিল্পী প্ৰয়াত হেমাংগিনী বৰদলৈয়ে ১৯৮৩ চনতে উত্তৰ গুৱাহাটী মধ্যমখণ্ডত স্থাপন কৰিছিল “অসম চাৰু আৰু কাৰু শিল্প কলা কেন্দ্ৰ।” এই কেন্দ্ৰটোৰ পৰাই তেওঁ বহু ছাত্ৰ-ছাত্ৰীক নিজ হাতেৰে শিল্প কলাৰ শিক্ষা প্ৰদান কৰিছিল। নিঃসন্তান হেমাংগিনী বৰদলৈয়ে মৃত্যুৰ পূৰ্বে ২০০৭ চনত এই শিক্ষানুষ্ঠানখনৰ লগতে তেওঁৰ সকলো সম্পত্তি গুৱাহাটী আৰ্টিষ্ট গীল্ডক এখন আৰ্ট স্কুল আৰু তেখতৰ স্মৃতিত এটা আৰ্ট গেলেৰী স্থাপন কৰিবৰ বাবে দান কৰি গৈছিল আৰু তেতিয়াৰে পৰা আৰ্টিষ্ট গীল্ডৰ উদ্যোগত উত্তৰ গুৱাহাটীত মধ্যমখণ্ডত চলি আছে হেমাংগিনী বৰদলৈ আৰ্ট স্কুল। কিন্তু প্ৰয়োজনীয় ধনৰ অভাৱ শিল্পী গৰাকীয়ে দান কৰি যোৱা ঘৰটো আটকধুনীয়াকৈ মেৰামতি কৰাটো দূৰৰে কথা শিল্পী গৰাকীৰ শেষ ইচ্ছা মতে নিৰ্মাণ হোৱা নাই আৰ্ট গেলেৰীৰ কাম। ইয়াৰ বাবে আৰ্টিষ্ট গীল্ডে বিভিন্ন চিন্তা চৰ্চা আৰু প্ৰাক কলন প্ৰস্তুত কৰিছে যদিও আধৰুৱা হৈ আছে শিল্পী গৰাকীৰ শেষ ইচ্ছা। তাৰ মাজতে আজি কামৰূপ জিলাৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই হেমাংগিনী বৰদলৈ আৰ্ট স্কুলখন পৰিদৰ্শন কৰি স্কুলখনৰ বিভিন্ন দিশ সম্পৰ্কে বিষয়ববীয়া সকলৰ সৈতে এক আলোচনাত মিলিত হয়। শিল্পী গৰাকীৰ স্মৃতি যুগমীয়া কৰিবৰ বাবে কেনধৰণৰ পদক্ষেপ ল’ব পৰা যায় এই সম্পৰ্কেও স্কুলখনৰ বিষয় ববীয়া সকলৰ সৈতে আলোচনা কৰে কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই। আয়ুক্তজনে প্ৰয়াত শিল্পী গৰাকীৰ বাবে সকলো ধৰণৰ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে। আয়ুক্ত জনক সংগ দিয়ে আৰ্টিষ্ট গীল্ডৰ প্ৰাক্তন সাধাৰণ সম্পাদক কিশোৰ দাস, উত্তৰ গুৱাহাটী পৌৰসভাৰ কাৰ্যবাহী বিষয়া জ্যোতিকংকন চৌধুৰী, উত্তৰ গুৱাহাটী পৌৰসভাৰ ৬ নং ৱাৰ্ডৰ কাউন্সিলৰ গণেশ বৰুৱা, স্কুলখনৰ পৰিচালনা সমিতিৰ সদস্য দীপক বৰদলৈ, জীবেন্দ্ৰ নাথ শৰ্মা, ৰথীন্দ্ৰ শৰ্মা আৰু মুকেশ শৰ্মাকে ধৰি কেইবাজনো বিষয়ববীয়াই।

বিন্নাকান্দি সমষ্টিত বিপুল ভোটত বিজয়ী

# বদৰুদ্দিন আজমলৰ বৃহৎ জয়

**অসম বাৰ্তা, ডবকা, ৬ মে’ ঃ** অসম বিধান সভা নিৰ্বাচনৰ ৬২ নং বিন্নাকান্দি সমষ্টিৰ ভোটগণনাত বদৰ উদ্দিন আজমলয়ে বৃহৎ ভোটৰ ব্যৱধানত জয়লাভ কৰি পুনৰ ৰাজনৈতিক শক্তিৰ প্ৰদৰ্শন কৰে। এআইইউডিএফৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰা বদৰ উদ্দিন আজমলে মুঠ ১, ১৯, ৭২১টা ভোট লাভ কৰি নিকটতম প্ৰতিদ্বন্দ্বীক বহু ভোটৰ ব্যৱধানত পৰাস্ত কৰে। এই সমষ্টিত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী ৰেজাউল কৰিম চৌধুৰীয়ে লাভ কৰে ৮৪, ৩৪১টা ভোট। আনহাতে অসম গণ পৰিষদৰ সাহাব উদ্দিন মজুমদাৰয়ে লাভ কৰে ২০, ৯৫৫টা ভোট। ইয়াৰ উপৰিও নিৰ্দলীয় প্ৰাৰ্থীসকলৰ ভিতৰত মোহাম্মদ কবিৰ আহমেদে ২, ২৬৪ ভোট, ফৰিজ উদ্দিনে ১, ৫৪৩ ভোট, চামচুল হক লস্কৰে ১, ৫১৪ ভোট, আব্দুল হান্নানে ১, ৩৬৯ ভোট, ফজলুল কৰিম চৌধুৰীয়ে ১, ১৯৭ ভোট, প্ৰফুল্ল বাগলাৰীয়ে ৮২৮ ভোট, নজমুল আলম লস্কৰে ৫৩৯ ভোট, ইমদাদুৰ ৰহমানে ৩০৯ ভোট আৰু জাকাৰিয়া হুছেইনে ২৮৭টা ভোট লাভ কৰে। আনহাতে নটা (NOTA)ত পৰে ২, ০২৩টা ভোট। বিন্নাকান্দি সমষ্টিত বদৰ উদ্দিন আজমলৰ এই বৃহৎ জয়ৰ পিছত সমৰ্থক সকলৰ মাজত আনন্দৰ জোৱাৰ দেখা যায়। বিভিন্ন স্থানত এআইইউডিএফ কৰ্মী-সমৰ্থকে আতচবাজী ফুটাই আৰু মিঠাই বিতৰণ কৰি বিজয় উদ্‌যাপন কৰে।

■ ঢোলে-পেপাই ৰহাত আনন্দ-উল্লাস ■

# ৰহাত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী শশীকান্ত দাসৰ জয়লাভ

**অসম বাৰ্তা, ৰহা, ৬ মে’ ঃ** ৬১ নং ৰহা বিধানসভা সমষ্টিৰ আজি ঘোষিত বিধানসভা নিৰ্বাচনৰ ফলাফল অনুসৰি ভাৰতীয় জনতা পাৰ্টিৰ শশীকান্ত দাসে বৃহৎ বিজয়েৰে দ্বিতীয়বাৰৰ বাবে অসম বিধানসভালৈ নিৰ্বাচিত হৈছে। আজিৰ ফলাফলত শশীকান্ত দাসে নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ উৎপল বণিয়াক ২০, ৫৯৪টা ভোটৰ ব্যৱধানত পৰাজিত কৰি বিজয়ী হয়। শশীকান্ত দাসে মুঠ ১, ১১, ৩৬০ -টা ভোট লাভ কৰাৰ বিপৰীতে কংগ্ৰেছৰ উৎপল বণিয়াই ৯০, ৭৬৬টা ভোট - লাভ কৰে। আনহাতে সমষ্টিটোৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰা আন দুজন প্ৰাৰ্থী ক্ৰমে এ আই ইউ ডি এফৰ মুকুট দাসে ২.৫৯৫টা আৰু আম আদমি পাৰ্টিৰ- বৰুণ বিকাশ দাসে মাত্ৰ ১.৭২৯টা ভোট লাভ কৰিয়েই থমকি থাকিবলগীয়া হয়। উল্লেখ্য যে বিগত ২০২১ চনৰ নিৰ্বাচনত ৰহা সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থী হিচাপে জয়ী হোৱা বিধায়ক শশীকান্ত দাসে পৰৱৰ্তী সময়ত বিজেপি চৰকাৰ তথা মুখ্যমন্ত্ৰীৰ প্ৰতি আস্থা প্ৰকাশ কৰি নিৰ্বাচনৰ আগে আগে বিজেপি দলত যোগদান কৰি বিজেপি দলৰ হৈ ৰহাৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। ইয়াৰ পিছতে আজি পুনৰ দ্বিতীয়বাৰৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত হৈ ১৯৯৬ চনৰ পিচত ৰহা অগপৰ প্ৰাক্তন বিধায়ক প্ৰয়াত গহীন দাসৰ পিচত দীৰ্ঘদিনৰ বিৰতিত ৰহাৰ পৰা একেৰাহে পুনৰ দ্বিতীয়বাৰৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত হয়। ইপিনে শশীকান্ত দাস জয়ী হোৱাৰ পিছতে ৰহাত বিজেপি মহল আৰু সমৰ্থকসকল উৎফুল্ল হৈ পৰিছে। সমষ্টিৰ পঞ্চায়তে পঞ্চায়তে ঢোলে-পেপা বেণুপাটি বজাই, আতচবাজী ফুটাই আনন্দ-উল্লাস কৰা পৰিলক্ষিত হৈছে। ইপিনে আজি নিশা বিজয়ী হৈ নগাঁৱৰ পৰা ৰহাৰ ডিমৌ চাৰিআলিৰ নিজ গৃহত উপস্থিত হোৱাৰ পিচতে বিধায়কগৰাকীক বিজেপি কৰ্মকৰ্তা, সমৰ্থক তথা ৰাইজে বিপুল আদৰণি জনায়। ৰাইজৰ আদৰণিত অভিভূত হৈ পৰা শশীকান্ত দাসে এইবিজয় ৰহা সমষ্টিৰ ৰাইজৰ বিজয় বুলি অভিহিত কৰি অনাগত দিনবোৰত ৰহাৰ সামগ্ৰিক উন্নয়নেৰে সকলো সময়তে ৰহা সমষ্টিৰ ৰাইজৰ মাজত থাকিব বুলি প্ৰতিশ্ৰুতি দিয়ে।



# গোলকগঞ্জ স্বাস্থ্যখণ্ডত অগ্নিনিৰ্বাপণ ব্যৱস্থা শক্তিশালী কৰাৰ শপত গ্ৰহণ

**অসম বাৰ্তা, গোলকগঞ্জ, ৬ মে’ ঃ** গোলকগঞ্জ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত অগ্নি নিৰ্বাপণ ব্যৱস্থা উন্নত কৰাৰ লক্ষ্যৰে এক গুৰুত্বপূৰ্ণ শপত গ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানত চিকিৎসালয়, ক্লিনিক আৰু বিভিন্ন স্বাস্থ্য প্ৰতিষ্ঠানৰ চিকিৎসক, স্বাস্থ্যকৰ্মী আৰু কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানত উপস্থিত সকলে স্বাস্থ্য প্ৰতিষ্ঠানসমূহত অগ্নি নিৰ্বাপণ ব্যৱস্থাপনাক সুসংগঠিত আৰু অধিক কাৰ্যকৰী কৰি তোলাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। তেওঁলোকে অগ্নি জৰুৰীকালীন অৱস্থাত ল’বলগীয়া পদক্ষেপসমূহ সম্পৰ্কে সজাগতা বৃদ্ধি কৰাৰ লগতে অগ্নি প্ৰতিৰোধৰ বাবে প্ৰয়োজনীয় সা-সৰঞ্জামৰ সঠিক ব্যৱহাৰ নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইয়াৰ লগতে, চিকিৎসালয়সমূহত উপস্থিত ৰোগী, সহকৰ্মী আৰু সাধাৰণ লোকৰ সুৰক্ষাক সৰ্বাধিক অগ্ৰাধিকাৰ দিয়া হ’ব বুলি প্ৰতিশ্ৰুতি দিয়া হয়। সতৰ্কতা আৰু পূৰ্ব প্ৰস্তুতিৰ জৰিয়তে এক সুৰক্ষিত পৰিৱেশ বজাই ৰাখিবলৈ আৰু জৰুৰীকালীন অৱস্থাত দক্ষতাৰে সঁহাৰি জনাবলৈ সকলোৱে সংকল্প গ্ৰহণ কৰে। অনুষ্ঠানত বক্তাসকলে কয় যে, অগ্নি নিৰ্বাপণ ব্যৱস্থাৰ ক্ষেত্ৰত সজাগতা বৃদ্ধি আৰু সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰা অত্যন্ত প্ৰয়োজনীয়। সকলোকে একত্ৰিতভাৱে কাম কৰি অগ্নিকাণ্ডৰ সম্ভাৱনা হ্ৰাস কৰাৰ লগতে নতুন পদ্ধতি গ্ৰহণ কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়। শেষত, ঐক্য, দায়িত্ববোধ আৰু সচেতনতাৰ জৰিয়তে এক সুৰক্ষিত আৰু বিশ্বাসযোগ্য স্বাস্থ্য সন্মত পৰিৱেশ গঢ়ি তোলাৰ বাবে সকলোকে আহ্বান জনোৱা হয়।

বড়মপুৰত অগপ-বিজেপিৰ মিত্ৰজোঁটৰ সমৰ্থকৰ আনন্দ- উল্লাস

# বড়মপুৰত দ্বিতীয়বাৰৰ বাবে নিৰ্বাচিত জিতু গোস্বামী

## অভিলেখ সংখ্যক ভোটৰ ব্যৱধানত জয়লাভ বড়মপুৰৰ জনপ্ৰিয় জনপ্ৰতিনিধিগৰাকী

**অসম বাৰ্তা, পুৰণিগুদাম, ৬ মে’ ঃ** জাতি, বৰ্ণ, ধৰ্ম, ভাষা, নিৰ্বিশেষে নগাঁও জিলাৰ বড়মপুৰ সমষ্টিবাসী ৰাইজৰ বিপুল সঁহাৰি লাভ কৰি আজি অভিলেখ সংখ্যক ভোটৰ ব্যৱধানত জয়লাভ কৰা বড়মপুৰৰ জনপ্ৰিয় জনপ্ৰতিনিধি জিতু গোস্বামীয়ে আনন্দ প্ৰকাশ কৰিছে। ৰাইজৰ ওপৰত তেওঁ দৃঢ় বিশ্বাস আৰু আস্থা থকাৰ কথা ব্যক্ত কৰি কয় যে, যাৰ বাবে বড়মপুৰত মই পুনৰ দ্বিতীয়বাৰৰ বাবে ৰাইজৰ সেৱা কৰিবলৈ সুবিধা পাইছো বা আশীৰ্বাদ পাইছো তেখেতসকলৰ ওচৰত মই চিৰ কৃতজ্ঞ। বড়মপুৰৰ ৰাইজৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিলো বুলি আজি ঘোষিত হোৱা অসম বিধানসভাৰ নিৰ্বাচনৰ ফলাফলত বড়মপুৰ বিধানসভা সমষ্টিৰ পৰা অগপ- বিজেপিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী জিতু গোস্বামীয়ে অভিলেখ সংখ্যক ভোটৰ ব্যৱধানত প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী ৰাজেন গোঁহাইক পৰাস্ত কৰি দ্বিতীয়বাৰৰ বাবে নিৰ্বাচিত হোৱাৰ পাছত এইদৰে মন্তব্য কৰে। ফলাফল ঘোষণা হোৱাৰ পাছতেই বড়মপুৰত ৰাইজে বিপুল উৎসাহ আনন্দ কৰে। ৰাইজৰ মাজত বিপুল জনপ্ৰিয়তা থকা বিধায়ক জিতু গোস্বামীয়ে প্ৰতিটো মুহূৰ্ততেই ৰাইজৰ সমস্যা সমাধানৰ বাবে তৎপৰ থকাৰ লগতে সমষ্টিৰ উন্নয়নৰ বাবে কাম কৰি আহিছে। ২০২১ চনৰ পৰাই ধাৰাবাহিকভাৱে বিপুল ভোটৰ ব্যৱধানত জয়লাভ কৰা ৰাইজৰ জনপ্ৰিয় নেতাগৰাকী দ্বিতীয়বাৰৰ বাবে নিৰ্বাচিত হোৱাৰ পাছতেই সমষ্টিৰ সৰ্বত্ৰত সমৰ্থক ৰাইজে উষ্ম আদৰণি জনোৱাৰ লগতে দুয়োটা দলৰ সমৰ্থকে আনন্দ উল্লাস কৰে। এইবাৰ নিৰ্বাচনত মিত্ৰজোঁটৰ প্ৰাৰ্থী জিতু গোস্বামীৰ মূল প্ৰতিদণ্ডী ৰূপে প্ৰতিদণ্ডিতা আগবঢ়াইছিল প্ৰাক্তন বিজেপি নেতা, কেন্দ্ৰীয় মন্ত্ৰী তথা এজেপি দলৰ প্ৰাৰ্থী ৰাজেন গোঁহাইয়ে। বড়মপুৰ সমষ্টিত জিতু গোস্বামীক ৰাজেন গোঁহাইয়ে প্ৰত্যাহ্বান জনাবলৈ চেষ্টা কৰিছিল যদিও বিফল হয় আৰু নিষ্ঠাৱান অগপ-বিজেপি কৰ্মীৰ লগতে গণভিত্তি থকা জিতু গোস্বামীয়ে হেলাৰঙে বিপুল সংখ্যক ভোটৰ ব্যৱধানত বিজয়ী হয়।

# হাজোত নৃশংস হত্যাকাণ্ড; পাষাণ স্বামীৰ দাৰ ঘাপত প্ৰাণ গ’ল পত্নীৰ

**অসম বাৰ্তা, হাজো, ৬ মে’ ঃ** তীৰ্থনগৰী হাজোত সংঘটিত হৈছে এক নৃশংস হত্যাকাণ্ড। পাৰিবাৰিক কন্দলৰ পৰিণতিত এগৰাকী পাষাণ স্বামীয়ে নিজ পত্নীক দাৰে উপৰ্যুপৰি ঘপিয়াই অতি নৃশংসভাৱে হত্যা কৰা ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। নিশা হাজোৰ ২নং খোপনিকুছি জানৰপাৰত এই শিহৰণকাৰী ঘটনাটো সংঘটিত হয়। অভিযুক্ত মোজাম্মিল আলীয়ে তেওঁৰ দ্বিতীয়া পত্নী হাবিজা খাতুনক পুৱতি নিশা বিছনাত শুই থকা অৱস্থাতে দাৰে ডিঙিত ঘপিয়াই হত্যা কৰে। স্থানীয় সূত্ৰই জনোৱা মতে, দীৰ্ঘদিন ধৰি মোজাম্মিল আৰু হাবিজাৰ মাজত পাৰিবাৰিক কন্দল চলি আছিল। মোজাম্মিলে বিভিন্ন অজুহাতত পত্নীৰ ওপৰত শাৰীৰিক আৰু মানসিক নিৰ্যাতন চলাই আহিছিল বুলিও অভিযোগ উত্থাপন কৰে ওচৰ চুবুৰীয়াই। কালি নিশাৰ ভাগতো দুয়োৰে মাজত তীব্ৰ বাক-বিতণ্ডা হৈছিল। ইয়াৰ পিছতে পুৱতি নিশা মোজাম্মিলে ঘৰত থকা চোকা দাৰে পত্নীক আক্ৰমণ কৰে। ডিঙি কটাঅৱস্থাত তেজেৰে লুতুৰি-পুতুৰি হৈ হাবিজা খাতুনৰ থিতাতে মৃত্যু ঘটে। এই ভয়ংকৰ কাণ্ডৰ সাক্ষী হৈ ৰ’ল দম্পতীটোৰ মাত্ৰ সাত বছৰীয়া পুত্ৰ সন্তান। শিশুটিৰ চিঞৰ-বাখৰ শুনি ওচৰ-চুবুৰীয়া লৰি আহে যদিও তাৰ পূৰ্বেই হত্যাকাৰী স্বামী মোজাম্মিল আলীয়ে ঘটনাস্থলীৰ পৰা পলায়ন কৰে। স্থানীয় লোকে হাবিজাৰ মৃতদেহটো বিছনাত পৰি থকা প্ৰত্যক্ষ কৰি লগে-লগে আৰক্ষীক খবৰ দিয়ে। ঘটনাৰ খবৰ পোৱা মাত্ৰকেই হাজো আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ প্ৰাথমিক অনুসন্ধান আৰম্ভ কৰিছে। পিছত দণ্ডাধীশৰ উপস্থিতিত মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে জিএমচিএইচ লৈ প্ৰেৰণ কৰা হয়। বৰ্তমান আৰক্ষীয়ে পলাতক হত্যাকাৰী মোজাম্মিল আলীক কৰায়ত্ত কৰিবলৈ তীব্ৰ অভিযান অব্যাহত ৰাখিছে। এই ঘটনাই এতিয়া সমগ্ৰ খোপনিকুছি অঞ্চলতে শোকৰ ছাঁ পেলাইছে। এজন সাত বছৰীয়া শিশোৱে চকুৰ আগতে মাতৃৰ এনে কৰুণ মৃত্যু প্ৰত্যক্ষ কৰা ঘটনাই সচেতন মহলক মৰ্মাহত কৰি তুলিছে।

ৰাইজ, বিজেপি কাৰ্য-কৰ্তাসকলক ধন্যবাদ জ্ঞাপন জয়ী প্ৰাৰ্থীৰ

# নলবাৰীত তিনিওটা সমষ্টিত জয়লাভ বিজেপিৰ

**অসম বাৰ্তা, নলবাৰী, ৬ মে’ ঃ** আজি অৰ্থাৎ ৪ মে’ত ৰাজ্যত ঘোষণা কৰা হয় অসম বিধানসভা নিৰ্বাচনৰ ফলাফল। ফলাফল ঘোষণাৰ পিছতে আনন্দ-উল্লাস দেখিবলৈ পোৱা যায় বিজেপি তথা এন ডি এ প্ৰাৰ্থীৰ মাজত। কিয়নো ৰাজ্যত পুনৰবাৰ চৰকাৰ গঠণৰ দিশে বিজেপি তথা এন ডি এ। ব্যতিক্ৰম নহয় নলবাৰীও। নলবাৰীতো তিনিওটা সমষ্টিত বিজেপি তথি এনডিএ সমৰ্থিত প্ৰাৰ্থীৰ জয়লাভ। নলবাৰী জিলাখনত থকা তিনিটা বিধানসভা সমষ্টি ক্ৰমে ৩৮ নং বৰক্ষেত্ৰী বিধনসভা সমষ্টি, ৩৯ নং নলবাৰী বিধানসভা সমষ্টি আৰু ৪০ নং টিহু বিধানসভা সমষ্টিত বিজেপিৰ তিনি গৰাকী প্ৰাৰ্থী নাৰায়ণ ডেকা, জয়ন্ত মল্ল বৰুৱা আৰু চন্দ্ৰমোহন পাটোৱাৰীৰ জয় লাভ। নিৰ্বাচনী তথ্য ম’তে ৩৯ নং নলবাৰী বিধানসভা সমষ্টিত মুঠ ভোটাৰ ২০০, ২৭৮ গৰাকী। ভোট পোল হয় ৯০.৪৩ শতাংশ অৰ্থাৎ প্ৰায় ১, ৮১, ২০০ গৰাকী। ৪০ নং টিহু বিধানসভা সমষ্টিত মুঠ ভোটাৰ ২০৪, ৪৪১টা ভোট পোল হয় ৮৭.০১ শতাংশ অৰ্থাৎ ১, ৭৮, ১৯৪। । ৩৮ নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিত মুঠ ভোটাৰ ২, ১৯, ৬৭২, ভোট পোল হয় ৯০.০০ শতাংশ অৰ্থাৎ ২, ০০, ৬৩৮। উল্লেখ্য, ৩৮ নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিত বিজেপি প্ৰাৰ্থী নাৰায়ন ডেকাৰ বৃহৎ জয়। ২৮, ৪৮২টা ভোটৰ ব্যৱধানত জয় লাভ কৰে ডেকাই। ৩৯ নং নলবাৰী বিধানসভা সমষ্টিত জয়ন্ত মল্ল বৰুৱাৰ বৃহৎ জয়। বৰুৱাই প্ৰায় ৬৫ হাজাৰ ভোটৰ ব্যৱধানত জয়ী হয় আৰু ৪০ নং টিহু বিধানসভা সমষ্টিত চন্দ্ৰমোহণ পাটোৱাৰীৰ বৃহৎ জয়। পাটোৱাৰী ২৬১৪২টা ভোটৰ ব্যৱধানত জয়ী হয়। নলবাৰীৰ তিনিওটা সমষ্টিত বিজেপিৰ জয়ৰ পিছত ব্যপক আনন্দ উল্লাস দেখিবলৈ পোৱা যায় সমৰ্থক সকলৰ মাজত।

❒ব্ৰহ্মপুত্ৰ অঞ্চত বিস্তৰ ক্ষতি সাধন ❒

# দেৰগাঁৱত ধুমুহাৰ তাণ্ডৱ

**অসম বৰ্তা, দেৰগাঁও, ৬ মে’ ঃ** বুধবাৰে পুৱাই অহা এজাক প্ৰচণ্ড বতাহ-ধুমুহাই দেৰগাঁৰৰ বিভন্ন প্ৰান্তত তাণ্ডৱৰ সৃষ্টি কৰে। অকস্মাৎ অহা প্ৰচণ্ড ধুমুহা আৰু বৰষুণ জাকে দেৰগাঁৱৰ ব্ৰহ্মপুত্ৰ অঞ্চলৰ কেইবাখনো গাঁৱত বিস্তৰ ক্ষতি সাধন কৰিছে বুলি জানিব পৰা গৈছে। ধুমুহাৰ তাণ্ডৱত কেবাটাও অঞ্চলত জনজীৱন বিধ্বস্ত হৈ পৰাৰ লগতে ব্যক্তিগত আৰু ৰাজহুৱা সম্পত্তিৰ ব্যাপক ক্ষতিসাধন হয়। ধুমুহাৰ ফলত বিভিন্ন স্থানত প্ৰকাণ্ড গছ উভালি পথৰ ওপৰত পৰাত যাতায়ত ব্যৱস্থা সম্পূৰ্ণৰূপে স্তব্ধ হৈ পৰাৰ লগতে ঠায়ে ঠায়ে বিদ্যুতৰ খুঁটা বাগৰি পৰাত বিদ্যুৎ যোগান ব্যাহত হৈ পৰে। বহু লোকৰ বাসগৃহৰ ওপৰত গছ পৰিছে আৰু বহুঘৰৰ টিন-পাত উৰুৱাই নিয়াৰ ফলত পৰিয়ালসমূহ বিপাঙত পৰিছে। দেৰগাঁৱৰ ব্ৰহ্মপুত্ৰ পাৰৰ সদাৰ, চিৰিশটিকা, লেমচাপৰি আৰুবাঘবাৰী আদি গাঁৱত ধুমুহাই আটাইতকৈ ভয়ংকৰ ৰূপ ধাৰণ কৰিছেবুলি জানিব পৰা গৈছে। প্ৰশাসনৰ তৰফৰ পৰা ক্ষয়-ক্ষতিৰ বুজ লৈ ভুক্তভোগী ৰাইজক অতি সোনকালে সাহায্য প্ৰদান কৰিবলৈ স্থানীয় ৰাইজে কাতৰ আহ্বান জনাইছে।



# গেলেকীৰ গোহাঁইবাৰীৰ এজন দৰিদ্ৰ ছাত্ৰৰ সফলতা

**অসম বাৰ্তা, গেলেকী, ৬ মে’ ঃ** এটা ভগা আৱাসগৃহ আৰু এজন ছাত্ৰ। আৰ্থিক অনাটনৰ মাজেৰে শিক্ষা জীৱন চলাই নিছে ছাত্ৰজনে। কেতিয়াবা আৰ্থিক অনাটনৰ বাবে স্কুললৈ যাব পৰা নাছিল ছাত্ৰজনে। আনফালে জৰাজীৰ্ণ পথৰে যাতায়ত দৈনিক জনজীৱন অঞ্চলৰ ৰাইজৰ। কিন্তু দৰিদ্ৰতাই শিক্ষাৰ বাবে হেঙাৰ হ’ব নোৱাৰে তাকেই প্ৰমাণ কৰি দেখুৱালে গেলেকীৰ গোহাঁইবাৰী গাঁৱৰ পিতৃহীন দৰিদ্ৰ ছাত্ৰ জিন্তু বাইলুংয়ে। বহু দোষ কষ্টৰ অনাটনৰ মাজেৰে শিক্ষা জীৱন চলাই নিয়া ছাত্ৰজনে অধ্যয়ন কৰিছিল আদৰ্শ বিদ্যাপীঠ গেলেকীত। আদৰ্শ বিদ্যাপীঠত অধ্যয়ন কৰাৰ ক্ষেত্ৰত বিদ্যালয়খনৰ সঞ্চালিকা কুন্তী ৰাণী বৰাৰ সহযোগ আছিল অতুলনীয়। ২০১৯ বৰ্ষতে পিতৃহীন হোৱা ছাত্ৰজনৰ মাতৃ আৰু দদায়েকে পৰিশ্ৰম কৰি ছাত্ৰজনক পঢ়াৰ বাবে ব্যৱস্থা কৰি দিছিল। আৰ্থিক অনাটনৰ বাবে বিভিন্ন সময়ত ছাত্ৰজনে শিক্ষা জীৱন আগবঢ়াই নিয়াত পৰিছিল সমস্যাত। বিভিন্ন সময়ত স্থানীয় বহু হৃদয়বান লোকে আৰ্থিক ভাৱেও সহযোগিতা কৰিছিল মেধাৱী ছাত্ৰজনক। অৱশেষত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ডিচটিংচন নম্বৰ লৈ উত্তীৰ্ণ হ’বলৈ সক্ষম হয় মেধাৱী ছাত্ৰ জন। ছাত্ৰজনে সদ্য ঘোষিত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত ইংৰাজী বিষয়ত ৭৫, অসমীয়াত ৮৬, শিক্ষাতত্ত্বত ৯১, সমাজতত্ত্বত ৯০, ভূগোলত ৮৯, ৰাজনৈতিক বিজ্ঞানত ৮৪ নম্বৰ লাভ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হৈ পিছপৰা অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। এতিয়া ছাত্ৰ জনৰ লক্ষ্য এগৰাকী দক্ষ প্ৰশাসনিক বিষয়া হোৱাৰ। কিন্তু দৰিদ্ৰতাই প্ৰতিবন্ধকতা হৈ পৰিব নেকি ছাত্ৰজনৰ বাবে সেইয়া পৰৱৰ্তী সময়ত হ’ব লক্ষণীয়।

# বিহালী মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত বিশেষ আবাসিক শিবিৰ, উৰিষ্যাৰ ২ গৰাকী ছাত্ৰীৰ অংশগ্ৰহণ

**অসম বাৰ্তা, জিনজিয়া, ৬ মে’ ঃ** বিশ্বনাথ জিলাৰ অন্তৰ্গত বিহালী স্নাতক মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোট ‘ক’ আৰু ‘খ’ ৰ উদ্যোগত ২ মে’ ৰ পৰা পূব মাদুৰালি প্ৰাথমিক বিদ্যালয়ত চলি আছে বিশেষ আবাসিক শিবিৰ। উক্ত শিবিৰত ৰাঙাপাৰা মহাবিদ্যালয়ৰ ৪ গৰাকী স্বেচ্ছাসেৱকে অংশগ্ৰহণ কৰিছে ইয়াৰে ২ গৰাকী সুদূৰ উৰিষ্যাৰ। এই আৱাসিক শিবিৰৰ মূল উদ্দেশ্য ছাত্ৰ ছাত্ৰীৰ মাজত নেতৃত্বসুলভ মনোভাৱ গঢ় দিয়াৰ লগতে দত্তক গাঁৱৰ (Adopted Village) জনস্বাস্থ্য, স্বচ্ছতা অভিযান, সাক্ষৰতা, পৰিৱেশ সংৰক্ষণ আদি বিভিন্ন দিশত ৰাইজক সচেতন কৰিবলৈ চেষ্টা কৰে। অনুষ্ঠানত ৰাঙাপাৰা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিষয়া ড° অশ্চিনী কুমাৰ ডেকাৰ সৈতে মত বিনিময় কৰে স্বেচ্ছাসেৱক সকলে।


**শপতনামা**

অসম গ্ৰামীণ বিকাশ বেংকৰ তালাপ শাখাৰ 7393026011133 একাউণ্ট নম্বৰত মোৰ নামটো Soniaro Tantiৰ সলনি Chaniyar Tati বুলি উল্লেখ আছে। তিনিচুকীয়া কৰ্টত কৰা নটাৰীৰ জৰিয়তে মোৰ নাম Soniaro Tanti বুলি শুধৰণি কৰা হ’ল।

Soniaro Tanti
W/O: Raghu Tanti
2 No. Megela Gaon
Dist: Tinsukia, Assam

AB-65/2026

**শপতনামা**

অসম গ্ৰামীণ বিকাশ বেংকৰ তালাপ শাখাৰ 7393026002452 একাউণ্ট নম্বৰত মোৰ নামটো Akash Projaৰ সলনি Akash Porja বুলি উল্লেখ আছে। তিনিচুকীয়া কৰ্টত কৰা নটাৰীৰ জৰিয়তে মোৰ নাম Akash Proja বুলি শুধৰণি কৰা হ’ল।

Akash Proja
S/O: Lt. Brojen Proja
Daisajan T.E. (4 no. line),
Dist: Tinsukia, Assam

AB-64/2026

**NAME CORRECTION**

Swarn before Notary Public at Lakhimpur, that in my Aadhar Card, my name, address and date of birth is incorrectly recorded as Name- Tilama Taid Panging, Vill-Chalichuk, PO-Ghunasuti, PS-North Lakhimpur, Dist-Lakhimpur and Date of Birth- 16-06-1995. But my actual and correct name is Kairama Pegu Panging, W/O- Udar Panging, Vill-Dirpai Ajar Guri, PO-Dirpai, P.S-Gogamukh, Dist-Dhemaji. And actual and correct date of birth is 26-01-1990. Applying for correction at the appropriate authority.

Kairama Pegu Panging,
W/O- Udar Panging,
Vill- Dirpai Ajar Guri,
P.O.- Dirpai, P.S.-
Gogamukh,
Dist-Dhemaji

AB-63/2026

**NAME CORRECTION**

Swarn before Notary Public at North Lakhimpur on 05-05-2026, that in my SBI- KIOSK BANKING IDENTITY Card, vide A/C no.- 38269470956, my name has been wrongly recorded as NIJUMONI TAMULI instead of NIJUMONI BORAH. But my actual name is NIJUMONI BORAH, which is recorded in my all relevant papers and documents including in Aadhaar card vide no. 3497 5985 7016, PAN Card vide no. CDZ0316877. Both NIJUMONI BORAH and NIJUMONI TAMULI is the same name and i.e. myself. Applying for correction at the appropriate authority.

NIJUMONI BORAH
D.O.- Moina Tamuli
W.O.- Dhonmoni Borah
R.O.- Garubandha
P.O.- Madhupur
P.S.- Narayanpur
Dist- Lakhimpur, Assam

AB-61/2026

**NAME CORRECTION**

Swarn before Notary Public at Barpeta on 05-05-2026, that in my Husband Pension Book vide PPO no.- ADP/PPO/GPO/2016/028618 my name has been wrongly recorded as Sajeda Khatun instead of Shajeda Khanam and my Date of Birth 04-12-1962 instead of 01-01-1957. And also my husband name has been recorded as Ismail Hussain Khan instead of Md. Ismail Hussain Khan. But my actual name is Shajeda Khanam, which is recorded in my all relevant papers and documents including in Aadhaar card vide no. 9336 5048 9680, and my husband's correct name is Md. Ismail Hussain Khan which is recorded in all relevant papers and documents including in Aadhaar card vide no. 6975 4230 5427. Both Shajeda Khanam and Sajeda Khatun is one and same person i.e. myself and Md. Ismail Hussain Khan and Ismail Hussain Khan is one and same person i.e. my husband. Applying for correction at the appropriate authority.

Shajeda Khanam
W.O.- Late Md. Ismail
Hussain Khan
R.O.- Dhakaliapara
P.O.- Joshihatipara
P.S.- Howly
Dist- Barpeta, Assam

AB-62/2026

### তামোলপুৰত বিশ্বজিৎ দৈমাৰী, গোৰেশ্বৰত ভিক্টৰ কুমাৰ দাস জয়ী

# তামোলপুৰত এনডিএৰ বৃহৎ জয়ঃ ধৰাশায়ী ইউপিপিএল

**অসম বাৰ্তা, গোৰেশ্বৰ, ৬ মে’ ঃ** বহু জল্পনা-কল্পনাৰ অন্ত পেলাই সদ্য ঘোষিত অসম বিধানসভা নিৰ্বাচনৰ ফলাফলত তামোলপুৰ জিলাৰ দুয়োখন আসনতে ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ চমুকৈ এন ডি এৰ প্ৰাৰ্থীয়ে বিপুল ভোটৰ ব্যৱধানত জয়লাভ কৰিবলৈ সক্ষম হৈছে। প্ৰাপ্ত ফলাফল অনুসৰি জিলাখনৰ ৪৩ নং তামোলপুৰ বিধানসভা সমষ্টিত এন ডি এৰ প্ৰাৰ্থী বিশ্বজিৎ দৈমাৰীয়ে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী ইউপিপিএল দলৰ প্ৰাৰ্থী তথা বিটিআৰৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োক ২৬, ৭৪৩টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে। বিশ্বজিৎ দৈমাৰীয়ে মুঠ ৮৯, ৩০৮টা ভোট লাভ কৰাৰ বিপৰীতে প্ৰমোদ বড়োৱে লাভ কৰে মুঠ ৬২, ৫৬৫টা ভোট। সমষ্টিটোত কংগ্ৰেছ দলৰ প্ৰাৰ্থী ৰাফেল দৈমাৰীয়ে ১৬, ৭৭৭ টা, গণ সুৰক্ষা পাৰ্টিৰ প্ৰাৰ্থী নৱজিৎ শৰণীয়াই ২, ৭৩১ টা, ভোটাৰ্ছ পাৰ্টি ইণ্টাৰনেছনেলৰ প্ৰাৰ্থী মহেশ্বৰ ৰাভাই ১৫৫৪ টা, নিৰ্দলীয় প্ৰাৰ্থী হৰেশ্বৰ স্বৰ্গীয়াৰীয়ে ১, ৬৬৭টা আৰু নিৰ্দলীয় প্ৰাৰ্থী বদন চন্দ্ৰ স্বৰ্গীয়াৰীয়ে ১, ৪৮৮টা ভোট লাভ কৰে। আনহাতে, জিলাখনৰ ৪৪ নং বিধানসভা সমষ্টিতো এন ডি এৰ প্ৰাৰ্থী ভিক্টৰ কুমাৰ দাসে বিপুল ভোটৰ ব্যৱধানত জয়লাভ কৰিবলৈ সক্ষম হয়। এন ডি এৰ প্ৰাৰ্থী ভিক্টৰ কুমাৰ দাসে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী ইউপিপিএল দলৰ প্ৰাৰ্থী পবিত্ৰ কুমাৰ বড়োক ৬৯, ২৪৯টা ভোটৰ ব্যৱধানত পৰাভূত কৰে। ভিৰ কুমাৰ দাসে মুঠ ৯৮, ১০৮টা ভোট লাভ কৰাৰ বিপৰীতে পবিত্ৰ কুমাৰ বড়োৱে লাভ কৰে মুঠ ২৮৮৫৯টা ভোট। সমষ্টিটোত বিৰোধী ঐক্য মঞ্চ সমৰ্থিত চি পি আই (এম) ৰ প্ৰাৰ্থী বাপুৰাম বড়োৱে ২৮, ২৭৩ টা, নিৰ্দলীয় প্ৰাৰ্থী যশৱন্ত চৌহানে ২, ৫৫৭ টা, সৰ্বভাৰতীয় তৃণমূল কংগ্ৰেছ দলৰ প্ৰাৰ্থী ৰাজন চৌহানে ২, ২৭৪ টা, ভিপিআইৰ প্ৰাৰ্থী ৰজত চন্দ্ৰ স্বৰ্গীয়াৰীয়ে ১, ৩৫৬ টা, ছ’ছিয়েলিষ্ট ইউনিটি চেণ্টৰ অব ইণ্ডিয়াৰ (কমিউনিষ্ট) প্ৰাৰ্থী কবিন বড়োৱে ১, ৩১৮টা, নিৰ্দলীয় প্ৰাৰ্থী ৰবীন্দ্ৰ বিশ্বাসে ১, ২২০ টা, নিৰ্দলীয় প্ৰাৰ্থী সুজন পালে ১, ১৪৬ টা, নিৰ্দলীয় প্ৰাৰ্থী জমিৰুদ্দিন আহমেদে ৮৩২ টা, নিৰ্দলীয় প্ৰাৰ্থী মৃণাল বিশ্বাসে ৭৫৪ টা, ৰাষ্ট্ৰীয় উলামা কাউঞ্চিলৰ প্ৰাৰ্থী সূৰুজ আলিয়ে ৬৭৫ টা, নিৰ্দলীয় প্ৰাৰ্থী প্ৰাণজিৎ কুমাৰ বিশ্বাসে ৬০০টা আৰু নিৰ্দলীয় প্ৰাৰ্থী অৰুণ বৈশ্যই লাভ কৰে ৫০০টা ভোট। ইপিনে, নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছতেই তামোলপুৰ জিলা বিজেপিৰ কাৰ্যালয়ত এক উছৱমুখৰ পৰিৱেশে বিৰাজ কৰে। দলীয় নেতা কৰ্মী আৰু



সমৰ্থকসকলে দুয়োগৰাকী বিজয়ী প্ৰাৰ্থী বিশ্বজিৎ দৈমাৰী আৰু ভি”ৰ কুমাৰ দাসক লৈ ৰং বিৰঙৰ ফাকুৱা ছটিয়াই দলীয় কাৰ্যালয়টোত আৰতৰীয়া ফাকুৱা খেলি আৰু ফটকা ফুটাই দীপাৱলী সদৃশ পৰিৱেশৰ সৃষ্টি কৰে। লগতে দলটোৰ কাৰ্যকৰ্তাসকলে ইজনে-সিজনক মিঠাই খুৱাই, বেণ্ড বজাই নাচি-বাগি আনন্দত মতলীয়া হৈ পৰে। নিৰ্বাচনৰ ফলাফল ঘোষণা হোৱাৰ পিছত প্ৰথম প্ৰতিক্ৰিয়া ব্যক্ত কৰি সংবাদ মাধ্যমৰ আগত বিশ্বজিৎ দৈমাৰীয়ে কয়— ৰাইজে মোক যি মৰম আৰু সঁহাৰি দিলে তাৰ বাবে তামোলপুৰৰ ৰাইজক মই ধন্যবাদ জ্ঞাপন কৰিছোঁ। যিসকলে মোক মৰম দিলে আৰু ভোটদান কৰিলে যাৰ বাবে মই বিপুল ভোটত জয়ী হ’বলৈ সক্ষম হলোঁ। আহি থকা দিনবোৰত কাম কৰাৰ সময়ত যাতে ৰাইজে মোৰ লগত থাকে আৰু তামোলপুৰ অঞ্চলৰ কৰিবলগীয়া চৰকাৰী কামবোৰ যাতে একেলগে কৰিব পাৰোঁ তাৰ বাবে ৰাইজৰ সঁহাৰি বিচাৰি ৰাইজক আহ্বান জনাইছোঁ। এই চেগতে মই মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰিব লাগিব কিয়নো তেখেতে দিনে-ৰাতি জিৰণি নোলোৱাকৈ কাম কৰি আহিছে। তেওঁৰ দৰে ব্যক্তি দেখিবলৈ পোৱা নাযায়। এইবাৰ সকলোতে অভিলেখ ভংগ হৈছে আৰু ইয়াৰ বাবেও ড° হিমন্ত বিশ্ব শৰ্মা ধন্যবাদৰ পাত্ৰ। আনহাতে, ৪৪ নং গোৰেশ্বৰ বিধানসভা সমষ্টিৰ পৰা বিপুল ভোটত জয়লাভ কৰা এন ডি এৰ প্ৰাৰ্থী ভিক্টৰ কুমাৰ দাসে তেওঁৰ জয়লাভৰ বাবে গোৰেশ্বৰবাসী ৰাইজক ধন্যবাদ জ্ঞাপন কৰে।

# বাহনাত ঠানুৰাম দাসৰ আৱক্ষ মূৰ্তি উন্মোচনী অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, নিমাতীঘাট, ৬ মে’ ঃ** যোৱা ৪ মে’ সোমবাৰে বাহনা অঞ্চলৰ শিক্ষাৰ বাটকটীয়া, বৰেণ্য শিক্ষাবিদ ঠানুৰাম দাসৰ আৱক্ষ মূৰ্তিভাগ বাহনা মজলীয়া বিদ্যালয় প্ৰাংগণত শিক্ষানুৰাগী ৰাইজৰ উপস্থিতিত গায়ন-বায়ন-উৰুলিৰ মংগলধ্বনিৰ মাজত বিশিষ্ট শিক্ষাবিদ বিনীত বৰাই উন্মোচন কৰা হয়। সহযোগিতা আগবঢ়ায় আৱক্ষ মূৰ্তি নিৰ্মাণ সমিতিৰ সভাপতি, বিশিষ্ট সমাজকৰ্মী ডিম্বেশ্বৰ বৰাই। এই পবিত্ৰ মূৰ্তি উন্মোচন কাৰ্যসূচীৰ লগত ৰজিতা খুৱাই অনুষ্ঠিত কৰা সভাখনিত স্মৃতি তৰ্পণ কৰে বাহনা উচ্চ মাধ্যমিক বালক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ৰেখা কাকতিয়ে, বৃক্ষৰোপণ কৰে আৱক্ষ মূৰ্তি নিৰ্মাণ সমিতিৰ উপসভাপতি প্ৰশান্ত কুমাৰ দত্তই আৰু মূল গুৰুবন্তিগছি প্ৰজ্বলন কৰে যজ্ঞেশ্বৰ হাজৰিকাই। ৰংদৈ উচ্চ ইংৰাজী বিদ্যালয়ৰ ছাত্ৰীৰ এটা দলে পৰিৱেশন কৰা গুৰুবন্দনাৰে ১১-০০ বজাৰ পৰা আৰম্ভ হোৱা মূলসভাত সভাপতিত্ব কৰে মূৰ্তি নিৰ্মাণ সমিতিৰ সভাপতি ডিম্বেশ্বৰ বৰাই। মঞ্চৰ আসন অলংকৃত কৰা বিশিষ্ট অতিথিসকলৰ ভিতৰত মূৰ্তি উন্মোচক বিনীত বৰা, বাহনা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ডঃপ্ৰসন্ন কুমাৰ দত্ত, বৰ্তমানৰ অধ্যক্ষ ড° চুম্বিত চলিহা, নিৰ্দিষ্ট বক্তা ড° মহাশ্বেতা দেৱী, মূৰ্তি নিৰ্মাতা বিনোদ দাও, বাহনা উচ্চ মাধ্যমিক বালক বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষকদ্বয় ক্ৰমে উপেন্দ্ৰনাথ হাজৰিকা, মঃ ইছমাইল আলি, বাহনা উচ্চ বালক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ৰেখা কাকতি, বাহনা মজলীয়া বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষয়িত্ৰী ৰেণুৰাণী দত্ত আৰু ঠানুৰাম দাসৰ পৰিয়ালৰ হৈ উপস্থিত থকা শেৱালি হাজৰিকা গুণ অন্যতম। বিশিষ্ট অতিথিসকলে আসন কৰাৰ ঠিক পাছতে বাহনা উচ্চ বালিকা বিদ্যালয়ৰ ছাত্ৰীৰ দলে মানস জ্যোতি হাজৰিকাই ৰচনা কৰা আৰু আনামিকা কলিতা আৰু প্ৰিয়ানুজ বৈৰাগীয়ে সুৰাৰোপিত কৰা “ক্ষণজন্মা ঠানুৰাম” শীৰ্ষক সমবেত সংগীত পৰিৱেশন কৰি অনুষ্ঠান জীপাল কৰি তোলে। ইয়াৰ পাছতে বিশিষ্ট অতিথিসকল তথা সভাত উপস্থিত বয়োজ্যেষ্ঠা আইমাতৃ নিৰদা হাজৰিকাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই অনুষ্ঠানৰ অন্তত সম্পাদক মানস জ্যোতি হাজৰিকাই আদৰণী ভাষণ ৰাখে। তেখেতে মূৰ্তি প্ৰতিষ্ঠাৰ আদ্যোপান্ত বিৱৰি কয়। তাৰ পাছতে যোৰহাট জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰনাথ হাজৰিকাই স্মৃতিগ্ৰন্থ “জ্ঞানবৃক্ষ” উন্মোচন কৰে। স্মৃতিগ্ৰন্থখনিত বিদ্যালয়ৰ ইতিহাস আৰু ঠানুৰাম দাসৰ জীৱন-ভিত্তিক লেখাই স্থান পাইছে। বিশিষ্ট অতিথিসকলে তেখেতসকলৰ ভাষণত মহান শিক্ষাবিদ ঠানুৰাম দাসৰ উচ্চ চিন্তা-চেতনাৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে আৰু উত্তৰ প্ৰজন্মক তেখেতৰ পদাংক অনুসৰণ কৰি আগবাঢ়িবলৈ আহ্বান জনায়। সভাৰ নিৰ্দিষ্ট বক্তা তথা যোৰহাটস্থিত অসম মহিলা বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ড° মহাশ্বেতা দেৱীৰ সাৰগৰ্ভ, প্ৰাঞ্জল ভাষণে উপস্থিত ৰাইজক আপ্লুত কৰে। তেখেতে কয় যে বৰেণ্য শিক্ষাবিদ ঠানুৰাম দাসৰ বিদ্যালয় প্ৰতিষ্ঠাৰ চিন্তা আৰু তেখেতৰ আৱক্ষ মূৰ্তি এভাগ প্ৰতিষ্ঠা কৰাৰ চিন্তা-দুয়োটাই মহান চিন্তা। তেখেতে আৱক্ষ মূৰ্তি প্ৰতিষ্ঠাৰ আঁৰৰ প্ৰতিজন ব্যক্তিকে ঠানুৰাম দাসৰ যোগ্য উত্তৰসূৰী বুলি অভিহিত কৰে। তেখেতে ছাত্ৰ-ছাত্ৰীসকলক সংগুণাৱলী কৰ্ষণ কৰিবলৈ আহ্বান জনোৱাৰ লগতে ঠানুৰাম দাসৰ মূৰ্তিভাগীয়ে যাতে ছাত্ৰ-ছাত্ৰীসকলক সেন্দূৰীয়া পথৰ সন্ধান দিয়ে সেই আশা ব্যক্ত কৰি ভাষণ সামৰে। সভাত ছাত্ৰী শ্ৰী শৰ্মিষ্ঠা বৰাই কৃষ্ণনৃত্য আৰু ছাত্ৰ-ছাত্ৰীৰ এটা দলে বিহু প্ৰদৰ্শন কৰে। বিহুৰ অন্তত সভাপতি মহোদয়ে ভাষণ প্ৰদান কৰে আৰু তেখেতে উপস্থিত সকলোকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। তেখেতে বাহনা খেলপথাৰ বহল কৰা, বাহনা মজলীয়া বিদ্যালয়ৰ পুৰণা ভৱন সংৰক্ষণ কৰা, মূৰ্তিভাগী সুৰক্ষিত কৰি ৰখা আদি বিষয়ত প্ৰস্তাৱ ৰাখে আৰু সেইসমূহ ৰাজহুৱা সিদ্ধান্ত হিচাপে সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হয়।

### বিন্নাকান্দিত ঘটনাক লৈ চৌদিশে প্ৰতিক্ৰিয়া

# বদৰুদ্দিন আজমলৰ বিজয় উল্লাসক লৈ বিতৰ্ক

**অসম বাৰ্তা, ডবকা, ৬ মে’ ঃ** বিন্নাকান্দি সমষ্টিৰ বিধায়ক হিচাপে মৌলানা বদৰুদ্দিন আজমল নিৰ্বাচিত হোৱাৰ পিছ দিনাখন কেইবা সহস্ৰাধিক দলীয় সমৰ্থকক লগত বিজয় উল্লাসৰ নামত মৌলানা বদৰুদ্দিন আজমলৰ এক ঘৃণনীয় কাণ্ডই সমষ্টিৰ চৌদিশে বিৰোপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিজয় উল্লাসৰ নামত মৌলানা বদৰুদ্দিন আজমলৰ উপস্থিতিত দলীয় সমৰ্থক সকলে অসম ৰাজ্যিক জমিয়তৰ সভাপতি মৌলানা মস্তাক আনফৰৰ বাসগৃহৰ সন্মুখত হাই ভল্টেজ ডি, জে চাউণ্ডৰ জৰিয়তে ভজপুৰী গানৰ সুৰত নৃত্য প্ৰদৰ্শন কৰি ফটকা ফুটোৱাৰ লগতে মৌলানা মস্তাক আনফৰক বিভিন্ন অশ্লীল গালি-গালাজ কৰা কাৰ্যত ধিক্কাৰ জনাইছে সকলোৱে। ইফালে বিধায়ক বদৰুদ্দিন আজমলে এই ঘটনা সংঘটিত কৰাৰ পিছতে কালি ৰাতিৰ ভাগত ৰাজ্যিক জমিয়তৰ সভাপতি মৌলানা মস্তাক আনফৰে সংবাদমেল



সম্বোধন কৰি কয় যে- গণতান্ত্ৰিক দেশত বসবাস কৰা প্ৰতিজন লোকে নিৰ্বাচনৰ সময়ত যিকোনো প্ৰাৰ্থীক সমৰ্থন জনোৱাৰ অধিকাৰ আছে। নিৰ্বাচনৰ সময়ত মৌলানা বদৰুদ্দিন আজমলে ভাৰতৰ সৰ্ব বৃহৎ ইছলামিক সংগঠন জমিয়ত উলামায়ে হিন্দ আৰু উত্তৰ-পূৱ ভাৰতৰ এমাৰতে শ্বৰিয়াহ ও নদৱাতুত তামিৰৰ আলিম-উলামা সকলক দালাল বুলি সম্বোধন কৰা কাৰ্যক তীব্ৰ ভাষাৰে গৰিহনা জনায়। লগতে আনফৰে কয় এ আই ইউ ডি এফ দল জন্ম হোৱাৰে পৰা অসমৰ মুছলমানৰ ক্ষতি হৈ আছে। আমি জমিয়তে এ আই ইউ ডি এফ দলৰ বিৰোধিতা কৰাৰ বাবে গোটেই অসমত এ আই ইউ ডি এফ নিশ্চিহ্ন হৈছে। ওঁঠৰখন আসনৰ পৰা মাত্ৰ দুখন আসনলৈ কিয় আহিবলগীয়া হৈছে বুলি প্ৰশ্ন উত্থাপন কৰিছে আনফৰে। মৌলানা বদৰুদ্দিন আজমল হোজাই জালালীয়া মাদ্ৰাছাৰ মুহতামিম হৈ মাদ্ৰাছাৰ সন্মুখত ডিজে চাউণ্ডৰ জৰিয়ে গান বজোৱা কাৰ্যক ধিক্কাৰ জনাইছে আনফৰে। আনফৰৰ এই সংবাদমেলত উপস্থিত থাকে ৰাজ্যিক জমিয়তৰ অতিৰিক্ত সাধাৰণ সম্পাদক মৌলানা কলিম উদ্দিন, হোজাই জিলা জমিয়তৰ সাধাৰণ সম্পাদক মুফতি নুৰ আহমেদ, মৌলানা আব্দুল কাদিৰ, কপিল উদ্দিন সহ জমিয়তৰ আন বহু কেইগৰাকী নেতৃবৰ্গ। ইফালে বিন্নাকান্দি সমষ্টিৰ বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী ৰেজাউল কৰিম চৌধুৰীয়েও বিধায়ক মৌলানা বদৰুদ্দিন আজমলৰ এই ঘৃণনীয় কাৰ্যক তীব্ৰ ভাষাৰে গৰিহনা জনায়।

### নাৰ্ছাৰীৰ পৰা দ্বাদশ শ্ৰেণীলৈ শিক্ষাৰ সু-ব্যৱস্থা

# ডবকাত ‘Educare Study Centre’ৰ শুভ উদ্বোধন

**অসম বাৰ্তা, ডবকা, ৬ মে’ ঃ** হোজাই জিলাৰ ডবকাৰ নহৰগাঁৱৰ MediCare Clinic Buildingৰ দ্বিতীয় মহলাত “Educare Study Centre” নামৰ এখন নতুন শিক্ষানুষ্ঠান আনুষ্ঠানিক ভাৱে আৰম্ভ কৰা হৈছে। নাৰ্ছাৰী শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষাৰ সুবিধা আগবঢ়োৱা এই প্ৰতিষ্ঠান খনত SEBA আৰু CBSE দুয়োটা পাঠ্যক্ৰমৰ পাঠদান কৰা হ’ব বুলি কৰ্তৃপক্ষই জানিবলৈ দিয়ে। শিক্ষানুষ্ঠান খনত অসমীয়া আৰু ইংৰাজী মাধ্যমত পাঠদানৰ ব্যৱস্থা কৰা হৈছে। বিশেষকৈ ইংৰাজী ব্যাকৰণ আৰু গণিত বিষয়ত অধিক গুৰুত্ব আৰোপ কৰা হৈছে। একাদশ আৰু দ্বাদশ শ্ৰেণীৰ বাবে English with Grammar, Physics, Chemistry, Accountancy, Business Studies, Economics আৰু Political Science আদি বিষয় উপলব্ধ থাকিব। আনহাতে নাৰ্ছাৰী পৰা দশম শ্ৰেণীলৈ সকলো বিষয়ৰ পাঠদান কৰা হ’ব। মুখ্য উপদেষ্টা হিচাপে দায়িত্ব গ্ৰহণ কৰিছে ২০ বছৰৰ অধিক অভিজ্ঞতা সম্পন্ন শিক্ষাবিদ আতাবুৰ ৰহমানে লগতে বিভিন্ন বিষয়ৰ বাবে অভিজ্ঞ শিক্ষক-শিক্ষয়িত্ৰী নিয়োগ কৰা হৈছে। অধ্যক্ষ হিচাপে আছে চাইদুল আলম তাফাদাৰ আৰু পৰিচালন সঞ্চালক তথা কেন্দ্ৰৰ দায়িত্বপ্ৰাপ্ত বিষয়া আছে চুলতান আহমেদ খান। কৰ্তৃপক্ষই জনোৱা মতে, শিক্ষাৰ গুণগত মান উন্নত কৰাৰ লক্ষ্যৰে অভিজ্ঞ শিক্ষক-শিক্ষয়িত্ৰীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ সৰ্বাঙ্গীণ বিকাশৰ ওপৰত গুৰুত্ব দিয়া হ’ব। ইতিমধ্যে নতুন শিক্ষাবৰ্ষৰ বাবে নামভৰ্তি আৰম্ভ হৈছে।

# বিটিচিৰ ইএম গণেশ কছাৰীৰ প্ৰচেষ্টাত মহৰিপাৰা-নাওকাটা-বাঙালীপাৰা বিধ্বস্ত পথ মেৰামতি

**অসম বাৰ্তা, গোৰেশ্বৰ, ৬ মে’ ঃ** তামোলপুৰ জিলাৰ লোক নিৰ্মাণ বিভাগৰ গোৰেশ্বৰ উপ-সংমণ্ডলৰ অধীনস্থ মহৰিপাৰা-নাওকাটা-বাঙালীপাৰা সংযোগী গড় কাপ্তানী পথটো সম্প্ৰতি সম্পূৰ্ণৰূপে যাতায়াতৰ বাবে অনুপযোগী হৈ পৰিছে। উল্লেখ্য যে, বিটিচি নিৰ্বাচনৰ পিছতে বিধ্বস্ত পথচোৱা নিৰ্মাণৰ বাবে আধাৰশিলা স্থাপন কৰা হৈছিল যদিও পথ নিৰ্মাণৰ ক্ষেত্ৰত বিভাগটোৰ কাৰিকৰী অসুবিধাৰ বাবে পূৰ্বে দিয়া নিবিদা বাতিল কৰা হয়। তাৰ পাছতে বিধানসভা নিৰ্বাচনৰ আচৰণ বিধি বলবৎ হোৱাৰ ফলত পথ নিৰ্মাণৰ কামত অধিক পলম ঘটে। ইফালে, সাম্প্ৰতিক বৰষুণীয়া বতৰৰ বাবে পথটোত ডাঙৰ-ডাঙৰ গাঁতৰ সৃষ্টি হৈ যাতায়তৰ বাবে একেবাৰে শোচনীয় হৈ পৰে। যাৰফলত বৃহত্তৰ অঞ্চলটোৰ পথচাৰীসকলে যাতায়াতৰ ক্ষেত্ৰত জীয়াতু ভুগিবলগীয়া হৈছে। এনে পৰিপ্ৰেক্ষিতত বিটিচিৰ কাৰ্যবাহী সদস্য গণেশ কছাৰীৰ নিৰ্দেশ মৰ্মে শুক্লাই চেৰফাং ব্লক বিপিএফে পুঠিমাৰী নদীৰ পৰা কেইবাখনো ডাম্পাৰেৰে চেণ্ড গ্ৰেভেল আনি পথটোত সৃষ্টি হোৱা গাঁতসমূহত শিল-বালি পেলাই অস্থায়ীভাৱে মেৰামতিৰ ব্যৱস্থা গ্ৰহণ কৰে। অন্যফালে, অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উক্ত পথটো অসম মালা আঁচনিৰ অধীনত নিৰ্মাণ কৰা হ’ব বুলি ঘোষণা কৰাৰ লগতে লোক নিৰ্মাণ বিভাগৰ জৰিয়তে নিবিদা আহ্বান কৰাৰ নিৰ্দেশ দিছিল। সেয়ে পথটো শীঘ্ৰে স্থায়ীভাৱে পুনৰ নিৰ্মাণ কৰা হ’ব বুলি বিপিএফ দলে আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে, আজিৰ এই কাৰ্যসূচীত শুক্লাই চেৰফাং ব্লক সমিতি বিপিএফৰ সাধাৰণ সম্পাদক দিগন্ত কুমাৰ বেজবৰুৱা, কেন্দ্ৰীয় সাংগঠনিক সম্পাদক মঃ ফজলুল কৰিম হাজৰিকা আৰু অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে।

### পুত্ৰৰ হাতত মাতৃ সংকটজনক অৱস্থাত

# লংকাত পাৰিবাৰিক বিবাদৰ ভয়ংকৰ ৰূপ

**অসম বাৰ্তা, লংকা, ৬ মে’ ঃ** লংকাৰ নখুটী অঞ্চলত সংঘটিত হোৱা এক হৃদয়বিদাৰক পাৰিবাৰিক ঘটনাই সমগ্ৰ অঞ্চলটোত চাঞ্চল্য সৃষ্টি কৰিছে। তথ্য অনুসৰি, নখুটীৰ ১নং খ্ৰীং খ্ৰীং গাঁৱত পুত্ৰৰ হাতত আক্ৰমণৰ বলি হৈ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছে এগৰাকী মাতৃ। আঘাতপ্ৰাপ্ত মাতৃগৰাকী হৈছে জামিলা খাতুন, আৰু অভিযুক্ত পুত্ৰজন হৈছে ২৩ বছৰীয়া জাহিৰুল ইছলাম। স্থানীয় লোকৰ পৰা পোৱা খবৰ অনুযায়ী পাৰিবাৰিক বিবাদৰ ফলত এই ঘটনাটো সংঘটিত হয়। ক্ষোভৰ বশৱৰ্তী হৈ জাহিৰুলে চোকা অস্ত্ৰৰে নিজৰ মাতৃৰ ওপৰত আক্ৰমণ চলায়, যাৰ ফলত তেওঁ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। আঘাতপ্ৰাপ্ত জামিলা খাতুনক তৎকালীনভাৱে উদ্ধাৰ কৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। বৰ্তমান তেওঁ সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ মৃত্যুৰ সৈতে যুঁজ দি আছে বুলি চিকিৎসকসকলে জনাইছে। ঘটনাটোৰ পিছতে নখুটী আৰক্ষীয়ে তৎপৰতাৰে ব্যৱস্থা গ্ৰহণ কৰি অভিযুক্ত জাহিৰুল ইছলামক আটক কৰে। আৰক্ষীয়ে ইতিমধ্যে ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে আৰু এই ঘটনাৰ পিছৰ প্ৰকৃত কাৰণ উদঘাটনৰ চেষ্টা চলাই আছে। এই ধৰণৰ পাৰিবাৰিক সংঘাতৰ পৰিণতি কেনেদৰে ভয়ংকৰ ৰূপ ল’ব পাৰে, এই ঘটনাই তাৰেই এক দুখজনক উদাহৰণ প্ৰদান কৰিছে। স্থানীয় ৰাইজে এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে দোষীক কঠোৰ শাস্তি প্ৰদানৰ দাবী জনাইছে।

# নলবাৰীৰ খাটিকুছিৰ পশ্চিম বনভাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শৈক্ষিক পৰ্য্যালোচনা সভা সফলতাৰে সম্পন্ন

**অসম বাৰ্তা, নলবাৰী, ৬ মে’ ঃ** নলবাৰী জিলা অধিবিদ্যা পৰিষদৰ অন্তৰ্গত উত্তৰ-পূব নলবাৰী পৰীক্ষা পৰিষদৰ ১ নং গোটৰ সৌজন্যত খাটিকুছিৰ পশ্চিম বনভাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এখন শৈক্ষিক পৰ্যায়লোচনা সভা সফলভাৱে অনুষ্ঠিত হয়। সভাখনত নলবাৰী জিলা অধিবিদ্যা পৰিষদৰ সম্পাদক কৃষ্ণকান্ত মহন্তই আঁত ধৰে। অনুষ্ঠানত উপস্থিত থাকে নলবাৰী জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক ৰাতুল কুমাৰ দাস, অসম মাধ্যমিক শিক্ষা পৰিষদৰ প্ৰাক্তন শৈক্ষিক বিষয়া হৰিনাৰায়ণ দাস, নলবাৰী জিলা অধিবিদ্যা বিজ্ঞান সমিতিৰ সমন্বয়ক চন্দামিতা শৰ্মা, ইংলিছ লেংগুৱেজ প্ৰফিচিয়েন্সি এণ্ড ইনোভেছন ফোৰাম, গণিত বিষয়ৰ সমল ব্যক্তি ভবেন কলিতা,



নলবাৰী জিলা অধিবিদ্যা পৰিষদৰ কাৰ্যকৰী সভাপতি মঞ্জুৰাণী ভূঞা আৰু সমল ব্যক্তি অপূৰ্ব কুমাৰ শৰ্মা। উক্ত সভাত বক্তাসকলে সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল উন্নীতকৰণৰ বাবে বিভিন্ন গঠনমূলক পৰামৰ্শ আগবঢ়ায়। শিক্ষাৰ মান উন্নয়নৰ ক্ষেত্ৰত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ দায়িত্ব আৰু কৰণীয় বিষয়তো বিস্তৃত আলোচনা কৰা হয়। উল্লেখযোগ্য যে নলবাৰী জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক ৰাতুল কুমাৰ দাসে জিলাখনৰ বিভিন্ন প্ৰান্তত ইতিমধ্যে একাধিক পৰ্যায়লোচনা সভা অনুষ্ঠিত কৰি আহিছে, যাৰ মূল উদ্দেশ্য হৈছে বিদ্যালয়সমূহৰ ফলাফল উন্নত কৰা আৰু শিক্ষাৰ গুণগত মান বৃদ্ধি কৰা। সভাৰ এক বিশেষ আকৰ্ষণ হিচাপে ৰাতুল কুমাৰ দাস আৰু উত্তৰ-পূব নলবাৰী পৰীক্ষা পৰিষদৰ সম্পাদক গোবিন্দ কলিতাই গীত পৰিৱেশন কৰি উপস্থিত সকলোক আপ্লুত কৰে। এই গাম্ভীৰ্যপূৰ্ণ সভাত ১ নং পৰীক্ষা গোটৰ অন্তৰ্গত ১৪খন বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা সহকাৰী শিক্ষক-শিক্ষয়িত্ৰীসকলে অংশগ্ৰহণ কৰে।

### নৱনিৰ্বাচিত বিধায়ক ভিক্টৰ কুমাৰ দাসক বিপুল সম্বৰ্ধনা

# গোৰেশ্বৰত বিজয় উল্লাস

**অসম বাৰ্তা, গোৰেশ্বৰ, ৬ মে’ ঃ** সদ্য ঘোষিত অসম বিধানসভা নিৰ্বাচনৰ ফলাফলত নৱগঠিত ৪৪ নং গোৰেশ্বৰ বিধানসভা সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক ভিক্টৰ কুমাৰ দাসক সমষ্টিটোৰ বিভিন্ন স্থানত উষ্ম আদৰণি আৰু বিপুল সম্বৰ্ধনা জনোৱা হয়। জানিব পৰা মতে, আজি সমষ্টিটোৰ গোৰেশ্বৰ, শুক্লাই চেৰফাং আৰু নাগ্ৰীজুলিত নৱনিৰ্বাচিত বিধায়কগৰাকীক বিজেপি-বিপিএফৰ নেতা-কৰ্মীসকলে দলীয় কাৰ্যালয়ত উষ্ম আদৰণি জনোৱাৰ লগতে বিজয় উল্লাস পালন কৰে। সমষ্টিটোৰ শুক্লাই চেৰফাঙৰ সুৱাগপুৰত মিত্ৰদল বিপিএফৰ শুক্লাই চেৰফাং ব্লক সমিতিয়ে দলীয় কাৰ্যালয়ত নৱনিৰ্বাচিত বিধায়ক ভিক্টৰ কুমাৰ দাসক বিশেষভাৱে অভিনন্দন জ্ঞাপন কৰে। সমিতিৰ উপ-সভাপতি বাবুল বড়োই আঁতধৰা অনুষ্ঠানত দলটোৰ বিভিন্ন পৰ্যায়ৰ নেতা-কৰ্মীসকলে অভিনন্দন জনায়। এই অনুষ্ঠানত সম্বৰ্ধনা গ্ৰহণ কৰি নৱনিৰ্বাচিত বিধায়কগৰাকীয়ে সাংবাদিকৰে হোৱা এক সাক্ষাৎকাৰত ৰাইজৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰি কয়— ৰাইজে বিশ্বাস কৰিছে যে বিটিচি অঞ্চলৰ উন্নয়ন কেৱল ড° হিমন্ত বিশ্ব শৰ্মা আৰু হাগ্ৰামা মহিলাৰীৰ মাধ্যমেৰে হ’ব, সেইবাবেই নিৰ্বাচনৰ জনদেশ স্বতঃস্ফূৰ্তভাৱে এনডিএৰ পক্ষত আহিছে আৰু আমি বিপুল ভোটত জয়যুক্ত হ’বলৈ সক্ষম হৈছোঁ। লগতে তেওঁ বিজেপিৰ মিত্ৰদল বিপিএফে নিষ্ঠাসহকাৰে মিত্ৰতাৰ ধৰ্ম পালন কৰি সহযোগিতা আগবঢ়োৱাৰ বাবে দলটোক ধন্যবাদ জ্ঞাপন কৰে। ইপিনে, সমষ্টিটোৰ সমস্যাসমূহ সন্দৰ্ভত তেওঁ প্ৰতিটো অঞ্চলৰ ৰাইজৰ মাজলৈ গৈ আলোচনা-বিলোচনাৰ জৰিয়তে সমষ্টিটোৰ প্ৰধান সমস্যাসমূহক অগ্ৰাধিকাৰ দি সমাধান কৰিব বুলি মন্তব্য কৰে। লগতে তেওঁ প্ৰথমবাৰৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত হৈছে, গতিকে মন্ত্ৰী হোৱাৰ অভিজ্ঞতা আৰু হেঁপাহ নাই বুলি মন্তব্য কৰি বিধায়ক হিচাপে ৰাইজৰ মাজত থাকি কাম কৰি যাব বুলি উল্লেখ কৰে। এইঅনুষ্ঠানত বিটিচিৰ কাৰ্যবাহী সদস্য মহেশ্বৰ বসুমতাৰী, কাৰ্যবাহী সদস্য লক্ষ্মী (ভজন) দাসকে প্ৰমুখ্য কৰি বিজেপি-বিপিএফ দলৰ বহু নেতা-কৰ্মী উপস্থিত থাকে।

# আমবাগানৰ দক্ষিণ ভোমোৰাগুৰিৰ ৩২ বছৰীয়া এজন লোক নিৰুদ্দেশ

**অসম বাৰ্তা, লাওঁখোৱা, ৬ মে’ ঃ** নগাঁও জিলাৰ ৰূপহীহাট আৰক্ষী থানাৰ অন্তৰ্গত আমবাগানৰ দক্ষিণ ভোমোৰাগুৰিৰ ৩২ বছৰীয়া এজন লোক নিৰুদ্দেশ হোৱা ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। দক্ষিণ ভোমোৰাগুৰিৰ অনিবাশ সেন নামৰ লোকজন যোৱা বৃহস্পতিবাৰে জখলাবন্ধা লৈ যাওঁ বুলি নিজ ঘৰৰ পৰা উলাই গৈছিল। আজি ৭ দিনে সন্ধান নাই অবিনাশৰ। পৰিয়ালৰ লোকে আত্মীয় স্বজনৰ লগতে বিভিন্ন ঠাইত বিচাৰ খোচাৰ কৰিও কোনো সন্ধান উলিয়াব নোৱাৰাত চিন্তিত হৈ পৰিছে পৰিয়ালটো। পত্নীয়ে স্বামীৰ বাবে অপেক্ষা কৰি ৰোগীয়া হৈ নিৰুপায় হৈ সংবাদ মাধ্যমৰ কাষ চাপিছে কোনো সদাশয় ব্যক্তিয়ে যদি ফটোত এই গৰাকী অনিবাসৰ কোনো সন্ধান লাভ কৰে তেন্তে আমবাগান আৰক্ষী চকী অথবা পৰিয়ালৰ লগত ফোন যোগে যোগাযোগ কৰিবলৈ কাতৰ আহ্বান জনাইছে। পৰিয়ালৰ ফোন নং ৬০০৩৭৫২৯৬৭/৯১০১২৩৮৩০৬ এই দুটা নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে অবিনাশৰ পত্নীয়ে।

# পলাশবাৰীত বিজেপিৰ বিজয় উৎসৱ

### হিমাংশু শেখৰ বৈশ্যক আদৰণি

**অসম বাৰ্তা, মিৰ্জা, ৬ মে’ ঃ** পলাশবাৰীত জয়ী হোৱাৰ পিছতে বিজেপি প্ৰাৰ্থী হিমাংশু শেখৰ বৈশ্যক উষ্ম আদৰণি দক্ষিণ কামৰূপ জিলা বিজেপিৰ দলীয় সতীৰ্থৰ। বুধবাৰে দিনৰ চাৰি বজাত বৰষুণৰ মাজতে উপৰহালীৰ চকৰ পৰা বাটৰহাটস্থিত বিজেপিৰ জিলা কাৰ্যালয়লৈ পদ যাত্ৰা কৰি আদৰণি অনা হল নেতা গৰাকীক। উক্ত সময়ছোৱাত নৃত্য কৰি জয়ধ্বনি দি হৰ্যোল্লাস কৰে বিজেপি কৰ্মীয়ে। বিজয় উৎসৱ হিচাপে উদযাপন কৰি পদযাত্ৰা কৰাৰ পিছত বাটৰহাটৰ জিলা বিজেপিৰ কাৰ্যালয়ত অনুষ্ঠিত হয় এখন সভা। সভাত বিজেপিৰ বিভিন্ন সমিতিৰ লগতে আন আন বহুটো সংগঠন ও একাংশ শুভাকাংক্ষীয়ে গামোচা, জাপি, শৰাই আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰে নেতা গৰাকীক। ইফালে বিজেপি দলৰ ভেটি আৰু অধিক শক্তিশালী কৰাৰ বাবে সকলো দলীয় কৰ্মীক আৰু অধিক উদ্যমেৰে দলৰ হৈ কাম কৰাৰ আহ্বান জনাই হিমাংশু শেখৰ বৈশ্যই। আনহাতে জেষ্ঠ্যৰ পৰা কনিষ্ঠলৈ সকলোৰে পৰা আশীৰ্বাদ বিচাৰি মন্তব্য কৰাৰ লগতে অনাগত প্ৰতিটো সময়ত ৰাইজৰ লগত থাকি পলাশবাৰীৰ উন্নয়নৰ চিন্তা কৰিব বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে হিমাংশু শেখৰ বৈশ্যই।

## সম্পাদকীয়

# পৰাজয় অস্বীকাৰ আৰু ৰাজপথৰ সংগ্ৰাম

পশ্চিমবংগৰ বিধানসভা নিৰ্বাচনৰ ফলাফল প্ৰকাশ পোৱাৰ পাছতে ৰাজ্যজুৰি সৃষ্টি হোৱা ৰাজনৈতিক সমীকৰণে এক নতুন মাত্ৰা লাভ কৰিছে। যদিও বিজেপিয়ে প্ৰত্যাশাতকৈ বহু বেছি আসন লাভ কৰি চৰকাৰ গঠনৰ দিশত আগবাঢ়িছে, বিদায়ী মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীয়ে পদত্যাগ কৰিবলৈ স্পষ্টভাৱে অস্বীকাৰ জনাইছে। তেওঁৰ যুক্তি— “পদত্যাগ কৰাৰ কোনো কাৰণ নাই, কাৰণ আমি নিৰ্বাচনত পৰাস্ত হোৱাই নাই।” বৰং তেওঁ এই ফলাফলক ‘নৈতিক জয়’ হিচাপে আখ্যা দি ৰাজপথৰ সংগ্ৰাম অধিক তীব্ৰতৰ কৰাৰ সংকল্প ব্যক্ত কৰিছে। এই পৰিস্থিতিয়ে সাধাৰণ নাগৰিকৰ মনত বহু গুৰুত্বপূৰ্ণ প্ৰশ্নৰ উত্থাপন কৰিছে।

প্ৰথম প্ৰশ্নটো হ’ল গণতান্ত্ৰিক পদ্ধতিৰ বাবে পৰাজয় গ্ৰহণ নকৰাটো কিমান যুক্তিসংগত? নিৰ্বাচনী প্ৰক্ৰিয়াত ভোটৰ ব্যৱস্থাৰ জৰিয়তে জনতা নিজৰ মতামত ব্যক্ত কৰে। সেই মতামতৰ প্ৰতি থকা শ্ৰদ্ধাইহে গণতন্ত্ৰৰ মেৰুদণ্ড। কিন্তু মমতা বেনাৰ্জীয়ে নিৰ্বাচন আয়োগৰ ওপৰত তীব্ৰ ক্ষোভ উজাৰি ‘গণতন্ত্ৰৰ হত্যা’ৰ অভিযোগ তুলিছে, লগতে দাবী কৰিছে যে প্ৰায় ১০০খন আসন তৃণমূল কংগ্ৰেছৰ পৰা ‘চুৰি’ কৰা হৈছে। যদিও নিৰ্বাচনী অনিয়মৰ অভিযোগ উত্থাপন কৰিছে, কিন্তু ফলাফল অমান্য কৰি ৰাজপথলৈ যোৱাৰ ঘোষণাই প্ৰশ্নৰ সৃষ্টি কৰে। নিৰ্বাচন কমিচনৰ ভূমিকা সম্পৰ্কে বহুতো সমালোচনা থাকিলেও, অভিযোগৰ সত্যাসত্য বিচাৰি উলিওৱাটো সমানে গুৰুত্বপূৰ্ণ।

অন্য দিশত, ৰাজনৈতিক বিশ্লেষকসকলেও উল্লেখ কৰিছে যে, ভাৰতীয় নিৰ্বাচনী ইতিহাসত বহু নেতাই পৰাজয় স্বীকাৰ কৰি পদত্যাগ কৰি নতুন ভূমিকা গ্ৰহণ কৰিছে। কিন্তু বেনাৰ্জীয়ে “মই কিয় যাব লাগে?” বুলি প্ৰশ্ন কৰি যেন এক সাংবিধানিক সংকটৰ আভাস দিছে। তেওঁৰ দাবী যে যিহেতু তৃণমূল কংগ্ৰেছ পৰাস্ত হোৱা নাই, গতিকে পদত্যাগৰ কোনো প্ৰয়োজন নাই। কিন্তু বাস্তৱত বহু স্থানত পাৰ্থক্য কম হ’লেও সংখ্যাগৰিষ্ঠতাৰ অংক বিজেপিৰ পক্ষত থিয় দিছে। এইক্ষেত্ৰত ‘নৈতিক জয়’ৰ মোহত ক্ষমতা এৰি দিবলৈ অনিচ্ছা প্ৰকাশ কৰাটোৱে এক ভয়াৱহ দৃষ্টান্ত স্থাপন কৰিব পাৰে।

সাধাৰণ মানুহৰ মনৰ আন এটা ডাঙৰ প্ৰশ্ন— ৰাজপথৰ সংগ্ৰাম মানে বহু ক্ষেত্ৰত হিংসা, অনাস্থা আৰু অশান্তি। বেনাৰ্জীয়ে দাবী কৰিছে যে তৃণমূল কৰ্মীসকলক বিজেপিৰ গুণ্ডাই আক্ৰমণ কৰিছে, মহিলাসকলক ধৰ্ষণৰ ভাবুকি দিয়া হৈছে। কিন্তু এই অভিযোগসমূহৰ সত্যতা নিৰপেক্ষ তদন্তৰ সময় আহি পৰিছে। আকৌ, তেওঁৰেই গঠিত ‘তথ্য অনুসন্ধানকাৰী কমিটিয়ে’ কিমান ন্যায়পৰ্ণভাৱে তদন্ত চলাব— সেয়াও প্ৰশ্নচিহ্ন। ইফালে, ইণ্ডিয়া মিত্ৰজোঁটৰ নেতাসকলৰ (ছোনিয়া গান্ধী, ৰাহুল গান্ধী, অৰবিন্দ কেজৰিৱাল, অখিলেশ যাদৱ আদি) সমৰ্থনে বেনাৰ্জীৰ মনোবল বৃদ্ধি কৰিব পাৰে, কিন্তু ইয়াৰ দ্বাৰা সৃষ্টি হোৱা বিভাজন আৰু মেৰুকৰণে দেশৰ গণতান্ত্ৰিক পৰিৱেশত কেতিয়াও কু-প্ৰভাৱ পেলাব পাৰে।

সঁচাকৈয়ে, বেনাৰ্জীৰ অনুৰাগীসকলৰ বাবে তেওঁৰ সংগ্ৰামী মনোভাব অনুপ্ৰেৰণাদায়ী যদিও, কিন্তু পদত্যাগৰ দৰে এক শিষ্টাচাৰীয় সাংবিধানিক প্ৰক্ৰিয়াত অনীহাই জনমানসত সংশয়ৰ সৃষ্টি কৰিছে। তেওঁ যদি সঁচাকৈয়ে নিৰ্বাচনী প্ৰক্ৰিয়াক ‘গণতন্ত্ৰৰ হত্যা’ বুলি গণ্য কৰে, তেন্তে আইনী পথেৰে প্ৰতিকাৰ বিচৰাটোৱেই শ্ৰেয়। ‘বাঘৰ দৰে যুঁজি পুনৰ উভতি অহা’ৰ সংকল্প যিমানেই সাহসী নহওক কিয়, ৰাজপথৰ হিংসাত্মক সংগ্ৰামে কেতিয়াও গণতন্ত্ৰক সুস্থিৰ কৰিব নোৱাৰে। এতিয়াৰ প্ৰয়োজন হৈছে— সাংবিধানিক মূল্যবোধক সন্মান জনোৱা, পৰাজয় আৰু জয় উভয়কে সমভাৱে গ্ৰহণ কৰাৰ মানসিকতা, আৰু দেশৰ লোকতন্ত্ৰক আৰু অধিক মজবুত কৰাৰ বাবে সংলাপৰ পথ মুকলি ৰখা। মমতা বেনাৰ্জীয়ে ইতিহাসৰ পুনৰাবৃত্তিৰ কল্পনা কৰিলেও, জনতাৰ ৰায়েই চূড়ান্ত সত্য। সেই ৰায়ক নম্ৰভাৱে স্বীকাৰ কৰাটোৱেই হ’ব প্ৰকৃত ‘নৈতিক জয়’।

# ড° হিমন্ত বিশ্ব শৰ্মাৰ ৰাজনৈতিক দক্ষতা


**ৰাজু কলিতা**

অসমৰ ৰাজনৈতিক ইতিহাসত ড° হিমন্ত বিশ্ব শৰ্মা এগৰাকী এনে অদ্বিতীয় নেতা, যাৰ কৰ্মশক্তি, ৰাজনৈতিক বিচক্ষণতা আৰু দূৰদৰ্শিতাৰ বাবেই আজি ৰাজ্যখনৰ ৰাজনীতিয়ে এক নতুন মাত্ৰা লাভ কৰিছে। তৃণমূল পৰ্যায়ৰ পৰা আৰম্ভ কৰি ৰাজ্যৰ সৰ্বোচ্চ শাসনভাৰ চম্ভালিবলৈ লোৱালৈকে তেওঁৰ সমগ্ৰ যাত্ৰা চমকপ্ৰদ আৰু কেইবাটাও ঐতিহাসিক মুহূৰ্তৰে পৰিপূৰ্ণ। ১৯৯৬ চনত জালুকবাৰী সমষ্টিৰ পৰা বিধায়ক হিচাপে ৰাজনীতিত প্ৰৱেশ কৰা ড° শৰ্মাই নিজৰ দক্ষতা আৰু জনসম্পৰ্কৰ জৰিয়তে নিজকে এক অপৰিহাৰ্য শক্তি হিচাপে প্ৰতিষ্ঠা কৰিছিল। দীৰ্ঘদিন ধৰি কংগ্ৰেছ দলৰ এক গুৰুত্বপূৰ্ণ মন্ত্ৰী হিচাপে কাম কৰাৰ পিছত, ২০১৫ চনত তেওঁ ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰে। এই পৰিৱৰ্তনে কেৱল তেওঁৰ ব্যক্তিগত ৰাজনৈতিক জীৱনতে নহয়, সমগ্ৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজনৈতিক সমীকৰণতে এক সুদূৰপ্ৰসাৰী পৰিৱ্তন আনে। তেওঁৰ সাংগঠনিক দক্ষতাৰ বলতে বিজেপি দলে অসমত বিগত বিধানসভা নিৰ্বাচনসমূহত অভূতপূৰ্ব সাফল্য লাভ কৰে আৰু শেহতীয়াকৈ ২০২৬ চনৰ বিধানসভা নিৰ্বাচনতো মিত্ৰজোঁটে এক ঐতিহাসিক জয় সাব্যস্ত কৰি একেৰাহে তৃতীয়বাৰৰ বাবে চৰকাৰ গঠন কৰে, যিটো তেওঁৰ গভীৰ জনপ্ৰিয়তা, সু-প্ৰশাসন আৰু নিৰ্বাচনী কৌশলৰ প্ৰতিফলন। এজন দক্ষ ৰাজনীতিবিদ হিচাপে হিমন্ত বিশ্ব শৰ্মাৰ অন্যতম ডাঙৰ বৈশিষ্ট্য হ’ল তেওঁৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষিপ্ৰতা আৰু সমস্যা সমাধানৰ মানসিকতা। ক’ভিড মহামাৰীৰ জটিল পৰিস্থিতিত স্বাস্থ্যমন্ত্ৰী হিচাপে তেওঁ লোৱা সাহসী পদক্ষেপ আৰু অহৰহ কাম-কাজৰ শৈলীয়ে সমগ্ৰ দেশতে তেওঁৰ প্ৰতি এক সুকীয়া ভাবমূৰ্তি গঢ়ি তুলিছিল। তেওঁৰ নেতৃত্বত অসমত স্বাস্থ্য, শিক্ষা আৰু আন্তঃগাঁথনিৰ ক্ষেত্ৰত যুগান্তকাৰী পৰিৱৰ্তন আহিছে। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত নতুন চিকিৎসা মহাবিদ্যালয় স্থাপন, পথ আৰু দলং নিৰ্মাণৰ জৰিয়তে সংযোগ ব্যৱস্থা উন্নত কৰাৰ লগতে বিভিন্ন প্ৰশাসনিক সংস্কাৰে ৰাজ্যৰ অৰ্থনীতিত গভীৰ প্ৰভাৱ পেলাইছে। ইয়াৰ উপৰিও, ‘অৰুণোদয়’ৰ দৰে জনকল্যাণমুখী আঁচনিয়ে সমাজৰ দুৰ্বল আৰু পিছপৰা শ্ৰেণীৰ লোকসকলক আৰ্থিকভাৱে স্বাৱলম্বী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ৰাজনৈতিক দৰ্শনৰ ফালৰ পৰা তেওঁ সদায় থলুৱা সংস্কৃতি, ভাষা আৰু খিলঞ্জীয়া লোকসকলৰ অধিকাৰ সুৰক্ষিত কৰাৰ পক্ষত মাত মাতি আহিছে। অসম চুক্তিৰ ৰূপায়ণৰ ক্ষেত্ৰত লোৱা পদক্ষেপ, ভূমি অধিকাৰ সুৰক্ষা আৰু অবৈধ অনুপ্ৰৱেশৰ বিৰুদ্ধে তেওঁৰ দৃঢ় স্থিতিৰ বাবে তেওঁ বহুসময়ত চৰ্চাত থাকে। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজনীতিত বিজেপিৰ ভেটি শক্তিশালী কৰাৰ ক্ষেত্ৰতো তেওঁৰ ভূমিকা অপৰিসীম। কেন্দ্ৰীয় চৰকাৰৰ সৈতে মিলি বিভিন্ন বিদ্ৰোহী গোটৰ সৈতে আলোচনা আৰু শান্তি চুক্তি স্বাক্ষৰ কৰাত তেওঁৰ অৱদানে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলত এক শান্তিপূৰ্ণ পৰিৱেশ ঘূৰাই আনিবলৈ সহায় কৰিছে। বড়োলেণ্ড শান্তি চুক্তি আৰু কাৰ্বি আংলং শান্তি চুক্তিৰ দৰে পদক্ষেপসমূহে অঞ্চলটোত দীৰ্ঘদিনীয়া সংঘাতৰ অন্ত পেলাইছে। মূলতঃ, হিমন্ত বিশ্ব শৰ্মা কেৱল এজন শাসক নহয়, তেওঁ এগৰাকী কৌশলী ৰাজনীতিবিদ আৰু দূৰদৰ্শী পৰিকল্পনাকাৰী। তেওঁৰ পৰিশ্ৰম, সাহস আৰু উন্নয়নমুখী মনোভাৱে তেওঁক অসমৰ ৰাজনৈতিক আকাশৰ এক উজ্জ্বল নক্ষত্ৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ লগতে ৰাজ্যখনৰ অৰ্থনৈতিক আৰু সামাজিক বিকাশৰ ক্ষেত্ৰত এক নতুন যুগৰ সূচনা কৰিছে।

# ডিজিটেল বিপ্লৱ আৰু শিক্ষাৰ ভৱিষ্যত

## শ্ৰেণীকোঠাত কৃত্ৰিম বুদ্ধিমত্তা

**নীলাক্ষী দাস**



*প্ৰযুক্তিৰ এই জোৱাৰৰ মাজতো এটা অতি ভয়ংকৰ সত্য হ’ল ‘ডিজিটেল বিভাজন’। ভাৰতৰ দৰে এখন দেশত, য’ত আৰ্থ-সামাজিক বৈষম্য অধিক, তাত শিক্ষাৰ ডিজিটেলকৰণে এই ব্যৱধান আৰু অধিক বৃদ্ধি কৰাৰ সম্ভাৱনা আছে। বিশেষকৈ অসমৰ দৰে ভৌগোলিকভাৱে বৈচিত্ৰ্যপূৰ্ণ ৰাজ্য এখনৰ গ্ৰামাঞ্চল বা চৰ-চাপৰিৰ বহু বিদ্যালয়ত আজিও বিদ্যুৎ সংযোগ বা উচ্চ গতিৰ ইণ্টাৰনেটৰ সুবিধা নাই। এনেস্থলত যদি শিক্ষা ব্যৱস্থা সম্পূৰ্ণৰূপে কৃত্ৰিম বুদ্ধিমত্তা বা এআইৰ ওপৰত নিৰ্ভৰ হৈ পৰে, তেন্তে আধুনিক সা-সুবিধাৰ পৰা বঞ্চিত দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীসকল জ্ঞানৰ দৌৰত বহুত পিছ পৰি ৰ’ব। ইয়াৰ উপৰি, চ্যাট-জিপিটি বা তেনে ধৰণৰ উন্নত এআই সঁজুলিবোৰে শিক্ষাৰ্থীৰ ‘মৌলিক চিন্তা’ আৰু ‘সমালোচনামূলক বিশ্লেষণ’ ক্ষমতাৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাব পাৰে।*

“শিক্ষা মানে কেৱল তথ্যৰ সংগ্ৰহ নহয়, ই হ’ল চিন্তা কৰিব পৰাকৈ মনটোক প্ৰশিক্ষিত কৰা।”
- বিজ্ঞানী আলবাৰ্ট আইনষ্টাইন

বিংশ শতিকাৰ শেষৰ পৰা একবিংশ শতিকাৰ এই তৃতীয়টো দশকলৈকে মানৱ সভ্যতাৰ যি দ্ৰুত পৰিৱৰ্তন ঘটিল, তাৰ মূলতে আছে ‘ডিজিটেল বিপ্লৱ’। কম্পিউটাৰ আৰু ইণ্টাৰনেটৰ পৰা আৰম্ভ হোৱা এই যাত্ৰাই বৰ্তমান ‘কৃত্ৰিম বুদ্ধিমত্তা’ বা ‘আৰ্টিফিচিয়েল ইণ্টেলিজেঞ্চ’ (AI)-ৰ এক এনে পৰ্যায়ত উপনীত হৈছেহি, য’ত মানুহৰ চিন্তা আৰু কাৰ্যশৈলীৰ সংজ্ঞা সলনি হ’বলৈ ধৰিছে। আমাৰ সমাজ ব্যৱস্থাৰ প্ৰতিটো স্তৰতে এ-আই-ৰ প্ৰভাৱ পৰিছে যদিও ইয়াৰ আটাইতকৈ চৰ্চিত আৰু গুৰুত্বপূৰ্ণ প্ৰভাৱ পৰিছে শিক্ষা খণ্ডত। ক’লা ব’ৰ্ড, চক্ পেঞ্চিল আৰু গধুৰ কিতাপৰ মোনাৰ পৰম্পৰাগত ধাৰণাটো আজিৰ দিনত লাহে লাহে সলনি হৈ টেবলেট, ই-বুক আৰু স্মাৰ্ট ক্লাছৰূমলৈ ৰূপান্তৰিত হৈছে।

এই পৰিৱৰ্তন কেৱল বাহ্যিক নহয়, ই এক গভীৰ মানসিক আৰু পদ্ধতিগত পৰিৱৰ্তন। পূৰ্বতে শিক্ষা আছিল কেৱল জ্ঞান আহৰণৰ এক সীমিত প্ৰক্ৰিয়া, য’ত তথ্যৰ একমাত্ৰ উৎস আছিল শিক্ষক আৰু পুথিভঁৰাল। কিন্তু এ-‘আই-ৰ প্ৰৱেশে শিক্ষাৰ এই কেন্দ্ৰীভূত ধাৰণাটোক বিকেন্দ্ৰীভূত কৰি তুলিছে। এতিয়া শিক্ষাৰ্থীৰ বাবে জ্ঞান লাভৰ বাবে কোনো ভৌগোলিক সীমা বা নিৰ্দিষ্ট সময়ৰ প্ৰয়োজন নাই। ই শ্ৰেণীকোঠাৰ চাৰিবেৰৰ সীমাবদ্ধতাক ভাঙি এক গোলকীয় মঞ্চ মুকলি কৰিছে।

ডিজিটেল বিপ্লৱৰ এই ঢৌত এ-আই কেৱল এক যান্ত্ৰিক আহিলা হৈ থকা নাই, ই হৈ পৰিছে এক ‘ব্যক্তিগত শিক্ষক’ বা ‘মেণ্টৰ’। ই প্ৰতিজন শিক্ষাৰ্থীৰ মেধা আৰু গ্ৰহণ ক্ষমতাক বুজি উঠি সেই অনুসৰি শিক্ষণ পদ্ধতি নিৰ্ধাৰণ কৰিব পাৰে। যন্ত্ৰৰ মগজু আৰু মানুহৰ বৌদ্ধিক চৰ্চাৰ এই অভূতপূৰ্ব মিলনৰ ফলত সৃষ্টি হোৱা নতুন শিক্ষা ব্যৱস্থাই যিদৰে সম্ভাৱনাৰ নতুন দুৱাৰ খুলি দিছে, ঠিক তেনেদৰেই শিক্ষাৰ নৈতিকতা, শিক্ষকৰ ভৱিষ্যত আৰু মানৱীয় প্ৰমূল্যৰ দৰে দিশসমূহকো এক নতুন প্ৰশ্নৰ সন্মুখত থিয় কৰাইছে। শিক্ষাৰ এই আধুনিক যাত্ৰাই আমাক কোন দিশলৈ লৈ যাব, সেয়া এতিয়া এক গভীৰ চৰ্চাৰ বিষয় হৈ পৰিছে।

**ব্যক্তিগতকৃত শিক্ষণ আৰু এআই-ৰ ভূমিকা ঃ**

পৰম্পৰাগত শিক্ষা পদ্ধতিৰ এটা ডাঙৰ সীমাবদ্ধতা আছিল যে ইয়াত সকলো ছাত্ৰ-ছাত্ৰীকে একেধৰণৰ পাঠদান কৰা হৈছিল। কিন্তু মনোবিজ্ঞান আৰু শিক্ষা বিজ্ঞানে স্বীকাৰ কৰে যে প্ৰতিজন শিক্ষাৰ্থীৰ গ্ৰহণ ক্ষমতা আৰু শিকাৰ ধৰণ সুকীয়া। কৃত্ৰিম বুদ্ধিমত্তাই এইক্ষেত্ৰত এক বৈপ্লৱিক সমাধান আগবঢ়াইছে। এআই-ৰ সহায়ত ‘এডাপ্টিভ লাৰ্নিং’ বা ‘অনুকূলন শিক্ষণ’ পদ্ধতি সম্ভৱ হৈছে। ই শিক্ষাৰ্থীৰ প্ৰতিটো খোজ অনুসৰণ কৰে, তেওঁ ক’ত ভুল কৰিছে, কোনটো বিষয়ত অধিক সময় দিছে আৰু তেওঁৰ আটাইতকৈ প্ৰিয় বিষয় কি? এই তথ্যসমূহ বিশে-যণ কৰি এআই-এ প্ৰতিজন শিক্ষাৰ্থীৰ বাবে সুকীয়া ‘লাৰ্নিং পাথ’ তৈয়াৰ কৰিব পাৰে। ফলত যিজন শিক্ষাৰ্থী গণিতত দুৰ্বল তেওঁৰ বাবে বিশেষ কৌশল আৰু যিজন সাহিত্যত আগবঢ়া তেওঁৰ বাবে অধিক উন্নত সমলৰ ব্যৱস্থা মেচিনে নিজে কৰিব পাৰে। শ্ৰেণীকোঠাত এআই-ৰ প্ৰৱেশ ঘটাৰ লগে লগে এটা প্ৰশ্নই সকলোকে আমনি কৰি আহিছে যে মেচিনে শিক্ষকৰ স্থান দখল কৰিব নেকি? ইয়াৰ উত্তৰটো হ’ল- এআই কেতিয়াও শিক্ষকৰ বিকল্প হ’ব নোৱাৰে, বৰঞ্চ ই শিক্ষকৰ হাতখনহে শক্তিশালী কৰিব। এজন শিক্ষকে এতিয়া শ্ৰেণীকোঠাত হাজিৰা লোৱা, উত্তৰ বহী পৰীক্ষা কৰা বা তথ্য সংগ্ৰহ কৰাৰ দৰে যান্ত্ৰিক কামবোৰ এআই-ৰ ওপৰত এৰি দিব পাৰে। ইয়াৰ ফলত শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ, সৃজনীশীল চিন্তাৰ প্ৰসাৰ আৰু নৈতিক চৰিত্ৰ গঠনত অধিক সময় দিবলৈ সক্ষম হ’ব। এআই হ’ব এজন সুদক্ষ সহকাৰী শিক্ষকৰ দৰে, যিয়ে ডাটা বা তথ্যৰ যোগান ধৰিব আৰু মানৱ শিক্ষকে সেই তথ্যৰ আধাৰত ছাত্ৰক পথ প্ৰদৰ্শন কৰিব।

**প্ৰযুক্তিৰ প্ৰত্যাহ্বান আৰু নৈতিক সংকট ঃ**

যিকোনো বিপ্লৱৰ দৰে এই ডিজিটেল বিপ্লৱৰো কিছুমান ক’লা দিশ বা প্ৰত্যাহ্বান আছে। ইয়াৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণটো হ’ল ‘ডিজিটেল ডিভাইড’ বা ডিজিটেল ব্যৱধান। ভাৰতৰ দৰে এখন দেশত, য’ত এতিয়াও বহু গ্ৰামাঞ্চলত বিদ্যুৎ আৰু ইণ্টাৰনেটৰ স্থিৰতা নাই, তাত কেৱল এআই নিৰ্ভৰ শিক্ষা ব্যৱস্থাই ধনী আৰু দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত থকা জ্ঞানৰ ব্যৱধান আৰু অধিক বৃদ্ধি কৰাৰ আশংকা থাকে। দ্বিতীয়তে, ‘চ্যাট-জিপিটি’ (ChatGPT) ৰ দৰে সঁজুলিবোৰে শিক্ষাৰ্থীৰ মৌলিক চিন্তাৰ ক্ষমতা হ্ৰাস কৰিব পাৰে। যদিহে এগৰাকী ছাত্ৰই তেওঁৰ বিদ্যালয়ৰ প্ৰকল্প বা ৰচনাখন মেচিনৰ দ্বাৰা লিখাই লয়, তেন্তে তেওঁৰ নিজৰ সৃজনীশীলতা আৰু গৱেষণামূলক মনোভাৱ লোপ পাব। ইয়াৰ উপৰি ডাটা প্ৰাইভেচি বা তথ্যৰ গোপনীয়তাৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহো ইয়াত জড়িত হৈ আছে। ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত তথ্য আৰু আচৰণৰ তথ্যসমূহ কিমান সুৰক্ষিত থাকিব, সেয়া এক ডাঙৰ প্ৰশ্ন। ভাষিক প্ৰতিবন্ধকতা আঁতৰোৱাত এআই: অসমৰ দৰে এখন বহুভাষিক ৰাজ্যত এআই-এ শিক্ষাৰ ক্ষেত্ৰত এক আশীৰ্বাদ কঢ়িয়াই আনিব পাৰে। এআই চালিত অনুবাদ সঁজুলিবোৰৰ জৰিয়তে বিশ্বৰ শ্ৰেষ্ঠ শিক্ষা সমলসমূহ মুহূৰ্তৰ ভিতৰতে অসমীয়া ভাষালৈ অনুবাদ কৰি গ্ৰাম্য অঞ্চলৰ শিক্ষাৰ্থীৰ বাবে উপলব্ধ কৰিব পৰা যাব। ইয়াৰ ফলত ভাষাৰ জটিলতাৰ বাবে কোনো জ্ঞানৰ পৰা বঞ্চিত হ’বলগীয়া নহ’ব।

**ডিজিটেল বিভাজন আৰু বৌদ্ধিক সংকট ঃ**

প্ৰযুক্তিৰ এই জোৱাৰৰ মাজতো এটা অতি ভয়ংকৰ সত্য হ’ল ‘ডিজিটেল বিভাজন’। ভাৰতৰ দৰে এখন দেশত, য’ত আৰ্থ-সামাজিক বৈষম্য অধিক, তাত শিক্ষাৰ ডিজিটেলকৰণে এই ব্যৱধান আৰু অধিক বৃদ্ধি কৰাৰ সম্ভাৱনা আছে। বিশেষকৈ অসমৰ দৰে ভৌগোলিকভাৱে বৈচিত্ৰ্যপূৰ্ণ ৰাজ্য এখনৰ গ্ৰামাঞ্চল বা চৰ-চাপৰিৰ বহু বিদ্যালয়ত আজিও বিদ্যুৎ সংযোগ বা উচ্চ গতিৰ ইণ্টাৰনেটৰ সুবিধা নাই। এনেস্থলত যদি শিক্ষা ব্যৱস্থা সম্পূৰ্ণৰূপে কৃত্ৰিম বুদ্ধিমত্তা বা এআইৰ ওপৰত নিৰ্ভৰ হৈ পৰে, তেন্তে আধুনিক সা-সুবিধাৰ পৰা বঞ্চিত দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীসকল জ্ঞানৰ দৌৰত বহুত পিছ পৰি ৰ’ব। ইয়াৰ উপৰি, চ্যাট-জিপিটি বা তেনে ধৰণৰ উন্নত এআই সঁজুলিবোৰে শিক্ষাৰ্থীৰ ‘মৌলিক চিন্তা’ আৰু ‘সমালোচনামূলক বিশ্লেষণ’ ক্ষমতাৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাব পাৰে। যেতিয়া এজন ছাত্ৰই এটা মাত্ৰ ‘ক্লি’কতে নিজৰ সকলো প্ৰকল্প বা ৰচনাৰ উত্তৰ পাই যায়, তেতিয়া তেওঁৰ মগজুৱে কষ্ট কৰিবলৈ এৰি দিয়ে। এই ‘কপি-পেষ্ট’ সংস্কৃতিয়ে নতুন প্ৰজন্মৰ মাজত স্বতঃস্ফূৰ্ত সৃজনীশীলতা আৰু গৱেষণামূলক মনোভাৱ নিশেষ কৰি তেওঁলোকক যন্ত্ৰৰ গোলাম কৰি তোলাৰ এক গভীৰ নৈতিক সংকট সৃষ্টি কৰিছে। তথ্যৰ সুৰক্ষা আৰু ভাষিক বিপ্লৱৰ নতুন সম্ভাৱনা, ডিজিটেল বিপ্লৱৰ আন এটা উদ্বেগজনক দিশ হ’ল ডাটা প্ৰাইভেচি বা তথ্যৰ গোপনীয়তা। শ্ৰেণীকোঠাত এআই ব্যৱহাৰ কৰাৰ সময়ত শিক্ষাৰ্থীৰ ব্যক্তিগত পছন্দ-অপছন্দ, তেওঁলোকৰ আচৰণ আৰু বৌদ্ধিক পৰ্যায়ৰ সমস্ত তথ্য বহুজাতিক কোম্পানীসমূহৰ হাতলৈ যোৱাৰ সম্ভাৱনা থাকে। কিশোৰ অৱস্থাৰ এই সংবেদনশীল তথ্যসমূহ কেনেকৈ আৰু কি কামত ব্যৱহাৰ হ’ব, সেয়া আজিও এক ডাঙৰ প্ৰশ্নবোধক চিহ্ন হৈয়ে আছে। অৱশ্যে, এই নেতিবাচক দিশবোৰৰ বিপৰীতে এআই-এ আমাৰ ভাষিক প্ৰতিবন্ধকতা আঁতৰোৱাত এক যুগান্তকাৰী ভূমিকা পালন কৰিব পাৰে। অসমৰ দৰে এখন বহুভাষিক ৰাজ্যত, য’ত চাহ জনগোষ্ঠীৰ পৰা আৰম্ভ কৰি বিভিন্ন জনজাতীয় ভাষাৰ বৈচিত্ৰ্য আছে, তাত এআই চালিত ‘ভাষা অনুবাদ’ সঁজুলিবোৰ এক আশীৰ্বাদ হ’ব পাৰে। বিশ্বৰ শ্ৰেষ্ঠ গ্ৰন্থাগাৰ বা গৱেষণাগাৰৰ জটিল ইংৰাজী তথ্যসমূহ মুহূৰ্তৰ ভিতৰতে শুদ্ধ অসমীয়া বা অন্যান্য থলুৱা ভাষালৈ অনুবাদ কৰি এআই-এ জ্ঞানৰ গণতান্ত্ৰিকৰণ কৰিব পাৰে। ইয়াৰ ফলত ভাষাৰ অভাৱত কোনো এজন মেধাবী শিক্ষাৰ্থী বিশ্বৰ আধুনিকতম জ্ঞানৰ পৰা বঞ্চিত হৈ ৰ’বলগীয়া নহ’ব, যিয়ে আমাৰ ৰাজ্যখনৰ বৌদ্ধিক বিকাশত এক নতুন গতি প্ৰদান কৰিব।

**মানৱীয় প্ৰমূল্য, শিক্ষকৰ ভূমিকা আৰু ভৱিষ্যতৰ শিক্ষাৰ এক নতুন ৰূপৰেখা ঃ**

শিক্ষা কেৱল তথ্যৰ এক যান্ত্ৰিক আদান-প্ৰদান নহয়; ই হ’ল এটা জীৱন্ত সত্তাক এক পূৰ্ণাংগ মানৱ সম্পদ হিচাপে গঢ়ি তোলাৰ এক আৱেগিক আৰু সামাজিক প্ৰক্ৰিয়া। বৰ্তমানৰ ডিজিটেল যুগত কৃত্ৰিম বুদ্ধিমত্তাই অতি কম সময়ৰ ভিতৰতে হাজাৰ হাজাৰ তথ্য আমাৰ আগত তুলি ধৰিব পাৰে, কিন্তু সেই তথ্যক ‘জ্ঞান’লৈ আৰু জ্ঞানক ‘বিবেক’লৈ ৰূপান্তৰিত কৰিবলৈ যি মানৱীয় স্পৰ্শৰ প্ৰয়োজন, সেয়া কোনো এলগৰিডমৰ দ্বাৰা সম্ভৱ নহয়। মেচিনে এজন শিক্ষাৰ্থীক পাঠ্যপুথিৰ জটিল সমীকৰণ এটা বুজাই দিব পাৰে, কিন্তু সেই শিক্ষাৰ্থীজনৰ মনত জীয়াই থকা প্ৰশ্ন, কৌতূহল আৰু সপোনক সঠিক দিশ দেখুৱাবলৈ এজন মানৱ শিক্ষকৰ প্ৰয়োজন। মেচিনৰ ওচৰত তথ্য থাকে, কিন্তু অনুপ্ৰেৰণা নাথাকে। এগৰাকী শিক্ষকে শ্ৰেণীকোঠাত এজন ছাত্ৰৰ চকুৰ ভাষা পঢ়িব পাৰে। ছাত্ৰ এজনৰ চকুলো দেখিলে তেওঁ যি আন্তৰিক সহানুভূতি আৰু মৰম প্ৰদৰ্শন কৰিব পাৰে, অথবা এজন ছাত্ৰৰ বিফলতাত যিদৰে ধৈৰ্য ধৰি তেওঁক পুনৰ থিয় হ’বলৈ সাহস দিব পাৰে, সেয়া কোনো যান্ত্ৰিক মগজুৰ পক্ষে সম্ভৱ নহয়। কাৰণ সাহস, ধৈৰ্য আৰু সহানুভূতিৰ কোনো গাণিতিক সূত্ৰ নাথাকে; এইবোৰ হৃদয়েৰে অনুভৱ কৰিবলগীয়া বিষয়।

শিক্ষাৰ অন্যতম লক্ষ্য হ’ল সামাজিকীকৰণ। শ্ৰেণীকোঠাত সহপাঠীৰ সৈতে কটোৱা সময়, একেলগে খেলা-ধূলা কৰা বা শিক্ষকৰ পৰা পোৱা প্ৰশংসাই এজন শিক্ষাৰ্থীৰ মনত যি সামাজিক দায়িত্ববোধ গঢ়ি তোলে, কম্পিউটাৰৰ স্ক্ৰীণৰ আগত বহি থাকিলে সেই আৱেগিক বিকাশ হোৱাটো কঠিন। মেচিন হ’ল নিৰ্জীৱ, ই কেতিয়াও এজন শিক্ষাৰ্থীৰ ‘ৰোল মডেল’ বা আদৰ্শ হ’ব নোৱাৰে। এগৰাকী আদৰ্শ শিক্ষকে ছাত্ৰৰ জীৱনত যি গভীৰ প্ৰভাৱ পেলায়, সেই প্ৰভাৱে ছাত্ৰজনক জীৱনৰ কঠিন সময়তো পথ প্ৰদৰ্শন কৰি থাকে। গতিকে, ডিজিটেল বিপ্লৱৰ এই যুগত ভৱিষ্যতৰ শিক্ষা ব্যৱস্থাটো হ’ব লাগিব এক ‘হাইব্ৰিড’ বা মিশ্ৰিত আৰ্হিৰ। য’ত এটা দিশত থাকিব যন্ত্ৰৰ অদম্য গতি আৰু দক্ষতা আৰু আনটো দিশত থাকিব মানুহৰ মৰম, বিবেক আৰু নৈতিকতাৰ সুন্দৰ মিশ্ৰণ। আমি প্ৰযুক্তিক গ্ৰহণ কৰিব লাগিব ঠিক তেনেদৰে, যিদৰে এজন ভাস্কৰে হাতুৰী আৰু বটালী ব্যৱহাৰ কৰি এটুকুৰা পাথৰৰ পৰা মূৰ্তি সাজে। ইয়াত হাতুৰী-বটালীটো হ’ল ‘এআই’ (AI), কিন্তু সেই পাথৰটুকুৰাত প্ৰাণ দিয়াৰ যি কলা আৰু দৰ্শন, সেয়া কেৱল শিল্পীগৰাকীৰ অৰ্থাৎ শিক্ষকৰ হাততহে নিহিত থাকে। মানৱীয় প্ৰমূল্য আৰু যান্ত্ৰিক উৎকৰ্ষৰ এই সমন্বয়ইহে অনাগত দিনত এটা সুস্থ আৰু সংবেদনশীল সমাজ গঢ়ি তোলাত সহায় কৰিব।

সাম্প্ৰতিক সময়ত ডিজিটেল বিপ্লৱক অস্বীকাৰ কৰাটো সম্ভৱ নহয়। কৃত্ৰিম বুদ্ধিমত্তাই আমাৰ শ্ৰেণীকোঠাৰ দেৱালবোৰ ভাঙি পৃথিৱীখনক এক গোলকীয় শ্ৰেণীকোঠালৈ ৰূপান্তৰিত কৰিছে। শিক্ষাৰ্থীসকলক ভৱিষ্যতৰ বাবে সাজু কৰিবলৈ হ’লে আমি তেওঁলোকক প্ৰযুক্তিৰ ব্যৱহাৰ শিকাবই লাগিব, কিন্তু একে সময়তে তেওঁলোকক এয়াও বুজাব লাগিব যে প্ৰযুক্তি আমাৰ সেৱকহে, মালিক নহয়। চৰকাৰ আৰু নীতি নিৰ্ধাৰকসকলে যদি সঠিক পৰিকল্পনাৰে প্ৰতিখন গাঁৱলৈ ডিজিটেল আন্তঃগাঁথনি লৈ যাব পাৰে, তেন্তে এআই-এ প্ৰকৃত অৰ্থত ভাৰতীয় শিক্ষা ব্যৱস্থাক বিশ্বৰ শিখৰলৈ লৈ যাব পাৰিব। যন্ত্ৰ আৰু মানুহৰ এই যুটীয়া যাত্ৰাইহে কাইলৈৰ এটা সুন্দৰ আৰু সমৃদ্ধিশালী প্ৰজন্ম নিৰ্মাণ কৰিব।

*লেখিকা- সহকাৰী অধ্যাপিকা*
*ৰাজনীতি বিজ্ঞান বিভাগ*
*মাধৱদেৱ বিশ্ববিদ্যালয়*

# অনলাইন বনাম প্ৰচলিত শিক্ষা ঃ এক বস্তুনিষ্ঠ বিশ্লেষণ

**ললিত নাথ**

মানুহৰ জীৱন গঢ়াৰ মূল আহিলা হ’ল শিক্ষা। আদিম যুগৰ গুৰুকুলৰ পৰা আজিৰ ডিজিটেল শ্ৰেণীকোঠালৈকে, যুগে যুগে শিক্ষা গ্ৰহণৰ পদ্ধতিৰ আমূল পৰিৱৰ্তন ঘটিছে। বৰ্তমানৰ সময়ছোৱা হ’ল তথ্য-প্ৰযুক্তিৰ চৰম উৎকৰ্ষৰ যুগ, য’ত চকুৰ পচাৰতে পৃথিৱীখন আমাৰ হাতৰ মুঠিত আবদ্ধ হৈ পৰিছে। বিশেষকৈ ক’ভিডৰ উত্তৰ কালছোৱাত সমগ্ৰ বিশ্বৰ লগতে আমাৰ সমাজতো অনলাইন শিক্ষা নামৰ এক নতুন ধাৰণাই ব্যাপকভাৱে গা কৰি উঠিল। বিপৰীতে আছে আমাৰ যুগ-যুগান্তৰ ধৰি চলি অহা প্ৰচলিত শিক্ষা অৰ্থাৎ শ্ৰেণীকোঠাৰ প্ৰত্যক্ষ পাঠদান পদ্ধতি।

এই দুয়োটা ধাৰাৰ মাজত কোনটো অধিক ফলপ্ৰসূ আৰু গ্ৰহণযোগ্য, সেইয়া লৈ বৰ্তমান শৈক্ষিক মহলত এক গভীৰ আৰু বস্তুনিষ্ঠ চৰ্চা চলিছে। প্ৰচলিত শিক্ষা পদ্ধতিৰ এক অনন্য আধ্যাত্মিক আৰু সামাজিক সৌন্দৰ্য আছে। এই পদ্ধতি কেৱল পাঠ্যপুথিৰ তথ্যৰ মাজতে সীমাবদ্ধ নহয়। এজন শিক্ষাৰ্থীয়ে যেতিয়া ৰাতিপুৱা নিজক সাজু কৰি বিদ্যালয়লৈ খোজ লয়, তেতিয়া তেওঁ কেৱল অংক বা বিজ্ঞানৰ সূত্ৰ শিকিবলৈকে নাযায়, বৰঞ্চ তেওঁ সমাজৰ এজন দায়িত্বশীল সদস্য হোৱাৰ আদিপাঠ ল’বলৈহে যায়। শ্ৰেণীকোঠাৰ পৰিৱেশত সহপাঠীৰ সৈতে টিফিন ভগাই খোৱা, খেলপথাৰত ধূলি-বালিৰে লুতুৰি-পুতুৰি হৈ খেলা, অথবা শিক্ষকৰ এষাৰ শাসনভৰা মাতে এজন শিশুৰ মনস্তত্ত্ব যিদৰে গঢ় দিব পাৰে, সেয়া কোনো যন্ত্ৰ বা স্ক্ৰীণৰ দ্বাৰা সম্ভৱ নহয়। এজন শিক্ষকে ছাত্ৰৰ চকুলৈ চাই বুজি পায় তেওঁৰ মনৰ ভাষা। এই যে মানৱীয় সান্নিধ্য, আন্তৰিকতা আৰু গুৰু-শিষ্যৰ পোনপটীয়া সম্পৰ্ক— ই শিক্ষাৰ্থীৰ অন্তৰত অনুশাসন, সহমৰ্মিতা আৰু নৈতিক মূল্যবোধৰ বীজ অতি গভীৰভাৱে ৰোপণ কৰে। প্ৰচলিত শিক্ষাৰ নিৰ্দিষ্ট নিয়ম আৰু অনুশাসনে চঞ্চল মনটোক সুস্থিৰ আৰু সংস্কাৰী কৰি গঢ়ি তোলে। আনহাতে অনলাইন শিক্ষা কেৱল এটা বিকল্পইনহয়, বৰঞ্চ ই জ্ঞানৰ এক গণতান্ত্ৰিকীকৰণৰ প্ৰক্ৰিয়া। শিক্ষাৰ পোহৰ আজি কেৱল চহৰৰ অট্টালিকাৰ মাজতে সীমাবদ্ধ হৈ থকা নাই, ই সমাজৰ প্ৰতিটো স্তৰলৈকে প্ৰসাৰিত হৈছে। অসমৰ দৰে এখন ৰাজ্যৰ চুকে-কোণে থকা এজন মেধাৱী শিক্ষাৰ্থীয়েও নিজৰ পঢ়া টেবুলত বহিয়েই পৃথিৱীৰ শ্ৰেষ্ঠ লোকসকলৰ সান্নিধ্য লাভ কৰিব পৰা হৈছে। এই যাত্ৰাই কেৱল তথ্যই যোগান ধৰা নাই, বৰঞ্চ এজন ছাত্ৰৰ উচ্চাকাংক্ষাক এক গোলকীয় মাত্ৰা প্ৰদান কৰিছে। জ্ঞান আহৰণৰ ক্ষেত্ৰত থকা সময় আৰু দূৰত্বৰ প্ৰাচীৰ অনলাইন মাধ্যমে ভাঙি পেলালে। ইয়াৰ নমনীয়তা সঁচাকৈয়ে প্ৰশংসনীয়, কাৰণ এজন শিক্ষাৰ্থীয়ে নিজৰ সুবিধামতে পাঠ গ্ৰহণ কৰিব পাৰে। বিশেষকৈ উচ্চ শিক্ষাৰ ক্ষেত্ৰত আৰু কৰ্মসংস্থাপনত থকা লোকসকলৰ বাবে এই পদ্ধতি এক আশীৰ্বাদস্বৰূপ। তদুপৰি, এনিমেচন আৰু দৃশ্য-শ্ৰব্য মাধ্যমৰ ব্যৱহাৰে জটিল বিষয়বোৰক ছাত্ৰ-ছাত্ৰীৰ আগত ইমান জীৱন্ত কৰি তোলে যে বহু সময়ত কিতাপৰ ছপা আখৰতকৈ ই অধিক ফলপ্ৰসূ বুলি প্ৰমাণিত হৈছে। অৱশ্যে, আমাৰ দৰে উন্নয়নশীল পৰিৱেশত অনলাইন শিক্ষাৰ কিছুমান নেতিবাচক দিশো আছে। ইণ্টাৰনেটৰ দুৰ্বল সংযোগ আৰু আধুনিক আহিলাৰ অভাৱত আজিও সমাজৰ এক বৃহৎ সংখ্যক দৰিদ্ৰ মেধাৱী ছাত্ৰ-ছাত্ৰী শিক্ষাৰ পৰা বঞ্চিত হ’বলগীয়া হৈছে, যিয়ে এক ডিজিটেল বিভাজনৰ সৃষ্টি কৰিছে।

তদুপৰি, নিৰন্তৰ মোবাইল বা কম্পিউটাৰৰ স্ক্ৰীণৰ সন্মুখত বহি থকাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক সমস্যাৰ লগতে চকুৰ ক্ষতি আৰু মানসিক একাকিত্ব বৃদ্ধি পাইছে। শিক্ষকৰ পোনপটীয়া তত্ত্বাৱধান নথকাৰ বাবে বহু ছাত্ৰৰ মনোযোগ বিচ্ছিন্ন হোৱা দেখা যায়। আটাইতকৈ চিন্তনীয় বিষয়টো হ’ল, কিতাপ এখন পঢ়াৰ যি মানসিক তৃপ্তি আৰু নিজৰ হাতেৰে কাগজত আখৰ লিখাৰ যি নিবিড় চৰ্চা, সেই মাদকতা ডিজিটেল ফাইল বা কী-বৰ্ডৰ বুকুত বিচাৰি পোৱা নাযায়। অনলাইন শিক্ষাই ক’ৰবাত যেন শিক্ষাৰ্থীক যন্ত্ৰৰ দৰে নিৰ্জীৱ কৰি পেলাইছে।

এতিয়া প্ৰশ্ন হয়, কোনটো পথ শ্ৰেষ্ঠ? প্ৰকৃততে সময়ৰ দাবী অনুযায়ী দুয়োটা পদ্ধতিৰে নিজা নিজা প্ৰাসংগিকতা আছে। কেৱল পৰম্পৰাগত শিক্ষাৰে আজিৰ গোলকীয় প্ৰতিযোগিতাত টিকি থকাটো কঠিন, ঠিক তেনেকৈ কেৱল অনলাইন শিক্ষাৰে একোটা মানৱীয় সত্তা গঢ়ি তোলাটোও অসম্ভৱ। সেয়েহে বৰ্তমান সময়ত ‘ব্লেণ্ডেড লাৰ্নিং’ বা এক মিশ্ৰিত শিক্ষা পদ্ধতিৰ প্ৰয়োজনীয়তা অধিক। শ্ৰেণীকোঠাৰ পাঠদানৰ সেই পৱিত্ৰ পৰিৱেশৰ লগতে আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ হ’ব লাগিব ইটো সিটোৰ পৰিপূৰক। শিক্ষকৰ ব্যক্তিত্বৰ প্ৰভাৱ আৰু ডিজিটেল জগতৰ অপৰিসীম তথ্য- এই দুই শক্তিৰ সঠিক সংমিশ্ৰণেহে এজন শিক্ষাৰ্থীক সামগ্ৰিকভাৱে সমৃদ্ধ আৰু শক্তিশালী কৰি গঢ়ি তুলিব পাৰিব।

সামৰণিত ক’ব পাৰি যে, শিক্ষা কেৱল তথ্যৰ ভঁৰাল নহয়, বৰঞ্চ শিক্ষা হ’ল মানুহৰ ব্যক্তিত্ব গঢ়াৰ এক পৱিত্ৰ প্ৰক্ৰিয়া আৰু বিদ্যালয় হ’ল সেই ব্যক্তিত্ব গঢ়াৰ আচল কমাৰশাল। যন্ত্ৰই আমাক তথ্য দিব পাৰে, পথ দেখুৱাব পাৰে, কিন্তু জীৱনৰ কঠিন গন্তব্যস্থলত সঠিকভাৱে উপস্থিত হ’বলৈ আমাক সদায় এজন মানৱীয় পথপ্ৰদৰ্শক বা গুৰুৰ প্ৰয়োজন। অনলাইন শিক্ষাই আমাক পৃথিৱীখনৰ বিচিত্ৰতাক চিনিবলৈ সহায় কৰিব, কিন্তু প্ৰচলিত শিক্ষাইহে আমাক নিজৰ অন্তৰাত্মাক চিনিবলৈ শিকাব। আমাৰ লক্ষ্য হ’ব লাগে এনে এক সমন্বিত শিক্ষা ব্যৱস্থা, য’ত প্ৰাচীন পৰম্পৰাৰ গাম্ভীৰ্য আৰু আধুনিক বিজ্ঞানৰ গতিশীলতা, দুয়োটাৰে এক সুন্দৰ ভাৰসাম্য ৰক্ষা হয়। তেতিয়াহে আমাৰ উত্তৰ প্ৰজন্মই জ্ঞান আৰু মানৱতাৰ এক পৰিপূৰ্ণ জীৱন লাভ কৰিবলৈ সক্ষম হ’ব।

### প্ৰশাসনৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰি বিধায়ক গামে ক'লে - "মোক চিনেমা এক্টৰ নালাগে, মাজুলীত চাইকেল চলাই সমস্যাবোৰ বুজি লোৱা অফিচাৰহে লাগে"

# একশ্যন ম'ডত মাজুলীৰ নৱ-নিৰ্বাচিত বিধায়ক ভুৱন গাম: নামনি মাজুলীৰ চামগুৰিত খহনীয়া পৰিদৰ্শন

**অসম বাৰ্তা, উজনী মাজুলী, ৫ মে'** ঃ দ্বিতীয়বাৰৰ বাবে ৰেকৰ্ড সংখ্যক ভোটৰ ব্যৱধানত জয়ী হোৱা মাজুলীৰ নৱ-নিৰ্বাচিত বিজেপি বিধায়ক ভুৱন গামে জয়লাভৰ মাত্ৰ দ্বিতীয় দিনটোতেই খহনীয়া সমস্যাক লৈ তৎপৰতা প্ৰদৰ্শন কৰিছে। একপ্ৰকাৰে একশ্যন ম'ডত নামি আজি তেওঁ নামনি মাজুলীৰ চামগুৰি অঞ্চলত উপস্থিত হৈ গৰা খহনীয়াৰ অৱস্থা স্বচক্ষে পৰিদৰ্শন কৰে। চামগুৰিত উপস্থিত হোৱাৰ লগে লগেই বিধায়ক গৰাকী ক্ষুব্ধ হৈ পৰে। ব্ৰহ্মপুত্ৰ নদীৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত অঞ্চলটোত তীব্ৰ খহনীয়া দেখা দিয়াৰ পাছতো জিলা প্ৰশাসনে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰি তেওঁ জিলা আয়ুক্তসহ সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীৰ ওপৰত কঠোৰ সমালোচনা কৰে। এই সময়ছোৱাত তেওঁ স্পষ্টভাৱে কয় - "মোক চিনেমা এক্টৰ নালাগে, মোক লাগে মাজুলীত চাইকেল চলাই সমস্যাবোৰ বুজি লোৱা অফিচাৰ।" ইফালে, বিধায়ক গৰাকীৰ আগমনত চামগুৰিৰ ৰাইজে উষ্ম আদৰণি জনায়। ৰাইজৰ সৈতে কথা পাতি তেওঁ খহনীয়াৰ ফলত হোৱা সমস্যাসমূহৰ বুজ লয় আৰু দ্ৰুত ব্যৱস্থা গ্ৰহণৰ আশ্বাস প্ৰদান কৰে। উল্লেখযোগ্য যে, মাজুলীৰ খহনীয়া সমস্যা দীৰ্ঘদিন ধৰি এক জটিল ৰূপ ধাৰণ কৰি আহিছে। প্ৰতিখন চৰকাৰে খহনীয়া প্ৰতিৰোধৰ নামত হাজাৰ হাজাৰ কোটি টকাৰ আচনি ৰূপায়ণ কৰিলেও বাস্তৱ ক্ষেত্ৰত ইয়াৰ সুফল পৰিলক্ষিত হোৱা নাই বুলি অভিযোগ উত্থাপিত হৈ আহিছে। অভিযোগ অনুসাৰে, বিভাগীয় বিষয়া-অভিযন্তা আৰু একাংশ ঠিকাদাৰৰ মিলিত অপকৰ্মৰ ফলত নিম্নমানৰ কাম সম্পাদন কৰি বৃহৎ অংশৰ ধন আত্মসাৎ কৰা হৈছে। পূৰ্বে কেন্দ্ৰীয় চৰকাৰে আবণ্টন দিয়া প্ৰায় ২৩৮ কোটি টকাৰ পুঁজিৰে ব্ৰহ্মপুত্ৰ বৰ্ডে মাজুলীৰ বিভিন্ন স্থানত বেংক ৰিভেটমেণ্ট আৰু আৰ.চি.চি পাৰ্কুপাইন নিৰ্মাণৰ কাম ৰূপায়ণ কৰিছিল যদিও সেইসমূহো অধিকাংশ ক্ষেত্ৰত ফলপ্ৰসূ নহ'ল বুলি স্থানীয় ৰাইজে অভিযোগ কৰিছে। ফলস্বৰূপে, নামনি মাজুলীৰ চামগুৰি, ভালুকমৰা আৰু পূব মাজুলীৰ শালমৰা আদি অঞ্চলৰ বহু পৰিয়ালে খহনীয়াৰ বাবে বহু বাৰ স্থানান্তৰিত হৈ জীৱন নিৰ্বাহ কৰিবলৈ বাধ্য হৈছে। ইয়াৰ উপৰিও, মাজুলীৰ খহনীয়া সমস্যা পৰিদৰ্শনৰ বাবে সময়ে-সময়ে কেন্দ্ৰীয় দল আৰু ব্ৰহ্মপুত্ৰ বৰ্ডৰ উচ্চপদস্থ বিষয়াসকল আহিলেও মূল সমস্যাসমূহ স্পষ্টভাৱে উত্থাপন নকৰাৰ অভিযোগো উত্থাপিত হৈছে। ফলত কেন্দ্ৰীয় পৰ্যায়ত এই সমস্যাই প্ৰাপ্য গুৰুত্ব লাভ নকৰাৰ কথা সচৰাচৰ চৰ্চিত হৈ আহিছে। এই পৰিপ্ৰেক্ষিতত নৱ-নিৰ্বাচিত বিধায়ক ভুৱন গামৰ সক্ৰিয় ভূমিকা আৰু তাৎক্ষণিক তৎপৰতাই মাজুলীৰ খহনীয়া সমস্যাৰ সমাধানৰ ক্ষেত্ৰত কিমানদূৰ ফলপ্ৰসূ হয়, সেয়া আগন্তুক দিনত লক্ষণীয় হ'ব।

# মঙলদৈত নিলীমা দেৱী, ছিপাঝাৰত পুনৰ পৰমানন্দ ৰাজবংশী, দলগাঁৱত মজিবুৰ ৰহমান

**অসম বাৰ্তা, মঙলদৈ, ৫ মে'** ঃ অসম বিধানসভা নিৰ্বাচনৰ সোমবাৰে হোৱা ভোটগণনাৰ অন্তত দৰং জিলাৰ তিনিটা বিধানসভা সমষ্টিৰ ভিতৰত ছিপাঝাৰ আৰু মঙলদৈ সমষ্টিত বিজেপি দলৰ প্ৰাৰ্থী আৰু দলগাঁও সমষ্টিত এ আই এই ডি এফ দলৰ প্ৰাৰ্থীয়ে জয়লাভ কৰিছে। ৯ এপ্ৰিলত হৈ যোৱা নিৰ্বাচনৰ ভোটদানৰ পাছত পঁচিশ দিন অপেক্ষাৰ অন্তত আজি মঙলদৈ মহাবিদ্যালয়ৰ ভোটগণনা কেন্দ্ৰত তিনিওটা সমষ্টিৰ বাবে পুৱা ৮ বজাৰ পৰা ভোটগণনা আৰম্ভ হয়। প্ৰতিটো সমষ্টিৰ বাবে ১৪ খনকৈ টেবুলত ভোটগণনা কৰাৰ অন্তত বিয়লি প্ৰায় ৪ বজাত ফলাফলসমূহ ওলাই পৰে। ফলাফল অনুসৰি ৪৯ নম্বৰ ছিপাঝাৰ সমষ্টিত বিজেপিৰ প্ৰাৰ্থী বিগত কাৰ্যকালৰ বিধায়ক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° পৰমানন্দ ৰাজবংশীয়ে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছ দলৰ পূৰ্বৰ তিনিবাৰৰ বিধায়ক বিনন্দ কুমাৰ শইকীয়াক ২৫, ২৪৫টা ভোটত পৰাজিত কৰি বিজয় সাব্যস্ত কৰে। ডঃ পৰমানন্দ ৰাজবংশীয়ে সৰ্বমুঠ ৯৯, ৭২০টা ভোট লাভ কৰাৰ বিপৰীতে কংগ্ৰেছৰ বিনন্দ কুমাৰ শইকীয়াই ৭৪, ৪৭৫টা ভোট লাভ কৰাৰ লগতে অন্যান্য প্ৰতিদ্বন্দ্বী এচ ইউ চি আইৰ মুন কুমাৰ ডেকাই ১০৮৫ টা, নিৰ্দলীয় হৰজ্যোতি বুদ্ধই ৯৪৬টা ভোট লাভ কৰে। ইফালে জিলাখনৰ সদৰ সমষ্টি হিচাপে পৰিগণিত ৫০ নম্বৰ মঙলদৈ বিধানসভা সমষ্টিত অসম প্ৰদেশ বিজেপিৰ ৰাজ্যিক মহিলা মৰ্চাৰ সভানেত্ৰী নিলিমা দেৱীয়ে বিপুল ভোটত জয়লাভ কৰিছে। নিলিমা দেৱীয়ে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ বিজু মণি তালুকদাৰক ২৩, ৯৩৬টা ভোটৰ ব্যৱধানত পৰাজিত কৰে। নিলিমা দেৱীয়ে একলাখ ৭৫টা ভোট লাভ কৰাৰ বিপৰীতে বিজু মণি তালুকদাৰে লাভ কৰে ৭৬ হাজাৰ ১৪২টা ভোট। আনহাতে সমষ্টিটোৰ অন্যান্য প্ৰতিদ্বন্দ্বী ক্ৰমে এ আই ইউ ডি এফৰ আজিজুৰ ৰহমানে ১৯৬১ টা, নিৰ্দলীয় প্ৰাৰ্থী প্ৰবীণ কুমাৰ ডেকাই ৯৭৯ টা, তৃণমুল কংগ্ৰেছৰ হৰেকৃষ্ণ ডেকাই ৯০৭টা আৰু এচ ইউ চি আইৰ অজিত আচাৰ্যই ৭৯৬টা ভোট লাভ কৰে। একেদৰে ৫১ নম্বৰ দলগাঁও বিধানসভা সমষ্টিত পুনৰবাৰ এ আই ইউ ডি এফৰ বিধায়ক মুজিবুৰ ৰহমানে ২৮, ৮৮০টা ভোটৰ ব্যৱধানত জয়লাভ কৰিবলৈ সক্ষম হৈছে। মজিবুৰ ৰহমানে ১ লাখ ৪৭ হাজাৰ ৫৫৫টা ভোট লাভ কৰাৰ বিপৰীতে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী নিৰ্দলীয় প্ৰাৰ্থী আইনুল হকে লাভ কৰে ১ লাখ ১৮ হাজাৰ ৬৭৫টা ভোট। সমষ্টিটোৰ ৰাইজৰ দলৰ প্ৰাৰ্থী আজিজুৰ ৰহমানে ১৭ হাজাৰ ৬১৩ টা, বিজেপিৰ প্ৰাৰ্থী কৃষ্ণ সাহাই ১৭ হাজাৰ ৭৯টা ভোট লাভ কৰে। গৰিষ্ঠ সংখ্যক সংখ্যালঘু ভোটাৰ থকা সমষ্টিটোত এইবাৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী জয়ী হোৱাৰ প্ৰচুৰ সম্ভাৱনা আছিল যদিও মিত্ৰতাৰ খাতিৰত কংগ্ৰেছে আসনখন ৰাইজৰ দলক এৰি দিব লগাত পৰে। ফলত প্ৰায় তিনিশ কিলোমিটাৰ নিলগৰ লখিমপুৰ জিলাৰ পৰা আমদানি কৰি আনি 'আমছু'ৰ প্ৰাক্তন সভাপতি তথা ৰাইজৰ দলৰ সাধাৰণ সম্পাদক আজিজুৰ ৰহমানক প্ৰাৰ্থী হিচাপে অৱতীৰ্ণ কৰোৱাই। কিন্তু সমষ্টিবাসীয়ে তেওঁক গ্ৰহণ নকৰাত ৰাইজৰ দাবীত কংগ্ৰেছ দলৰ সক্ৰিয় কৰ্মী আইনুল হকে নিৰ্দলীয় হিচাপে প্ৰতিদ্বন্দ্বিতা আগবঢ়ায় যদিও সফল হ'ব নোৱাৰিলে।

### সাৰংগপাণি নাট্য গোষ্ঠীৰ দ্বাৰা 'বিপ্ৰ দামোদৰ আখ্যান' ভাওনা প্ৰদৰ্শন

# ১ নং মৰিটুনী গাঁও উন্নয়ন সমিতিৰ উদ্যোগত আৰু গাঁৱৰ ৰাইজৰ সহযোগত অবিৰত ভাগৱত পাঠ

**অসম বাৰ্তা, উজনী মাজুলী, ৫ মে'** ঃ নিৰঞ্জন, নিৰাকাৰ, নিৰ্বিকাৰ, নিৰাময়, নৰোত্তম সত্য সনাতনৰ গুণানু শ্ৰৱণ কীৰ্ত্তনৰ ভক্তিৰ যি মাধ্যম এই মাধ্যমৰ জৰিয়তে উঠি অহা নৱপ্ৰজন্মক আধ্যাত্মিক জ্ঞান দিয়াৰ নিমিত্তে যোৱা ১ মে' আৰু ২ মে', ২০২৬ তাৰিখে ১ নং মৰিটুনী গাঁও উন্নয়ন সমিতিৰ উদ্যোগত আৰু গাঁৱৰ ৰাইজৰ সহযোগত অবিৰত ভাগৱত পাঠ কৰা হয়। প্ৰথম দিনা পুৱা ৪ বজাত উষা কীৰ্ত্তন কৰে বৰ্হিৰাম ৰেগনে। পৰিৱেশ নিকাকৰণৰ পিছতে গছ পুলি ৰোপণ কৰে প্ৰধান শিক্ষক ডিম্বেশ্বৰ ৰেগনে। পুৱা ৮ বজাত ধৰ্মধ্বজা উত্তোলন কৰে মধ্য মাজুলী পাৰিজাত উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জয়ন্ত ৰেগনে। পুৱা ৮: ৩০ বজাত ভাগৱত শোভাযাত্ৰাৰ উদ্বোধন কৰে সমাজকৰ্মী মাম্পাই ৰেগনে। ভাগৱত প্ৰতিষ্ঠা কৰে শ্ৰী শ্ৰী উত্তৰ কমলাবাৰী সত্ৰৰ বৈষ্ণৱ উপেন বৰবায়নে। মুখ্য বন্তি প্ৰজ্বলক বংশীধৰ পায়েঙে প্ৰজ্বলন কৰাৰ পিছতে পদ্মেশ্বৰ ৰেগন, মুহিধৰ পায়েং, নাথুৰাম ৰেগন, সুশিল ৰেগনে ধূপ বন্তি প্ৰজ্বলনত সহযোগিতা আগবঢ়ায়। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দধীৰাম বৰুৱাই নামাচাৰ্য, শংক চক্ৰ গদা পদ্মৰ অধিকাৰ বিপুল গামে আচাৰ্য আৰু ঠাকুৰসুঁতি গোৱালাবাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক মহেশ্বৰ পায়েঙে ভাগৱত পাঠৰ মূল পাঠক হিচাপে পাঠ কৰে। দ্বিতীয় দিনা দুপৰীয়া ১ বজাত সামৰণি পৰাৰ পিছত নাম-কীৰ্তন আৰু প্ৰসাদ বিতৰণ কৰে। ২ মে' ৰাতিলৈ ভাওনা প্ৰদৰ্শন কৰা হয়। ভাওনা অসমৰ সমাজ জীৱনৰ আত্মাৰ দৰে। নামঘৰ, সত্ৰ আৰু গাঁওসমূহত অনুষ্ঠিত ভাওনাই আজিও ভ্ৰাতৃত্ববোধ, সমতা আৰু ভক্তিৰ বাণী প্ৰচাৰ কৰি আহিছে। শংকৰদেৱৰ এই অমৰ সৃষ্টি অসমীয়া সংস্কৃতিৰ গৌৰৱ আৰু ভৱিষ্যৎ প্ৰজন্মলৈ হস্তান্তৰ কৰিবলগীয়া এক মহামূল্য সম্পদ। গাঁৱৰ কেইগৰাকীমান সৰবৰহী ব্যক্তি ক্ৰমে মনোজ্যোতি ৰেগন, প্ৰশান্ত কুমাৰ ৰেগন, ডিম্বেশ্বৰ ৰেগন জয়ন্ত ৰেগন, পৰমেশ্বৰ ৰেগন, ৰনোজ পায়েং, ধৰ্মেশ্বৰ পায়েং, বাবু ৰেগন, প্ৰণৱজ্যোতি ৰেগন, দেবেন্দ্ৰ ৰেগন, মনোজ ৰেগন, ভৰত ৰেগন, জীৱন পায়েং, বিপুল পায়েং, বিন্দুৰাম পায়েং মানসজ্যোতি ৰেগন আৰু বিজয় পায়েঙে সেৱকী হিচাপে ভাওনা আগবঢ়ায়। সাৰংগপাণি নাট্য গোষ্ঠীৰ দ্বাৰা বিপ্ৰ দামোদৰ আখ্যান ভাওনাই দৰ্শকৰ বিপুল সহাঁৰি লাভ কৰে। দুদিনীয়া কাৰ্যসূচীৰ আঁত ধৰে গাঁও উন্নয়ন সমিতিৰ সম্পাদক মনোজ্যোতি ৰেগনে।

# অ' এন জি চি, অসম সম্পদৰ মুখ্য কাৰ্যালয় প্ৰাংগণত ত্ৰয়োবিংশতিতম্ বসন্ত উৎসৱৰ ব্যাপক প্ৰস্তুতি

**অসম বাৰ্তা, নামতি, ৫ মে'** ঃ অসম আৰু অসমীয়াৰ প্ৰাণ, কৃষ্টি-সংস্কৃতি আৰু ঐক্যৰ প্ৰতীক ৰঙালী বিহু। অসমত বসবাস কৰা বিভিন্ন জাতি - জনগোষ্ঠী, ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সমগ্ৰ অসমবাসীৰ, সমন্বয়ৰ সেতু আৰু ভাতৃত্ববোধৰ চানেকী বৰ্ণিল ব'হাগ। এনে পৰিপ্ৰেক্ষিতত দেশৰ মহাৰত্ন তৈল-গেছ উদ্যোগীক প্ৰতিষ্ঠান তেল আৰু প্ৰাকৃতিক গেছ নিগম (অ' এন জি চি) অসম সম্পদৰ নাজিৰাস্থ মুখ্য কাৰ্যালয়ৰ সমূহ পৰিয়ালবৰ্গ একত্ৰিত হৈ "ত্ৰয়োবিংশতিতম বসন্ত উৎসৱ -২০২৬" অহা ৮, ৯আৰু ১০ মে'ত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে নিগমৰ আৱাসিক চৌহদত উদযাপন কৰাৰ পূৰ্ণ প্ৰস্তুতি চলিছে। বসন্ত উৎসৱৰ কাৰ্যক্ৰমণিকা অনুসৰি প্ৰথম দিনা পুৱা বিহুৱান উত্তোলন আৰু স্মৃতি তৰ্পণৰ পিছতে অসমৰ জনপ্ৰিয় অভিনেতা আৰু অভিনেত্ৰী ক্ৰমে অৰুণ হাজৰিকা আৰু শ্যামন্তিকা শৰ্মাৰ অংশগ্ৰহণেৰে বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হ'ব। পিছত অসমীয়াৰ হিয়াৰ আমঠু, যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰব সূৰ্য কণ্ঠ জুবিন গাৰ্গলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠান, গছপুলি ৰোপণ, পৰম্পৰাগত কণীযুঁজ অনুষ্ঠিত কৰা হ'ব। পিছত "বসন্ত উৎসৱ - ২০২৬"ৰ আনুষ্ঠানিক উদ্বোধন আৰু সম্বৰ্ধনা অনুষ্ঠানৰ লগতে সদৌ অসম ভিত্তিত হুঁচৰি - বিহু আৰু বৰবিহুৱতী প্ৰতিযোগিতা, সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰ শুভাৰম্ভ কৰিব অ এন জি চিৰ উৎপাদন সঞ্চালক পংকজ কুমাৰে। এই সাংস্কৃতিক অনুষ্ঠানত পাঞ্চজন্য সুৰ বাহিনীৰ সাংস্কৃতিক অনুষ্ঠান আৰু আমন্ত্ৰিত শিল্পী সিদ্ধাৰ্থ দাসৰ গীতৰ শৰাই। ৯ মে'ত বিয়লি ৩ বজাৰ পৰা জেং বিহু প্ৰতিযোগিতাৰ পিছত স্থানীয় শিল্পীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান। এই অনুষ্ঠানত অসমৰ বিশিষ্ট চিন্তাবিদ-লোক সংস্কৃতিৰ গৱেষক-অৱসৰী অধ্যক্ষ ড° অনিল শইকীয়াকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰিব। নিশা জনপ্ৰিয় কণ্ঠশিল্পী দীপশিখা বৰাৰ গীতৰ শৰাই অনুষ্ঠান। শেষৰ দিনা সন্ধিয়া বন্তি প্ৰজ্বলনেৰে সাংস্কৃতিক অনুষ্ঠান শুভাৰম্ভ কৰা হ'ব। অনুষ্ঠানত বন্যপ্ৰাণী সংৰক্ষণবিদ মনোজ গগৈক সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব আৰু স্মৃতি গ্ৰন্থ "এনাজৰী" ( ই-আলোচনী) উন্মোচন, শ্ৰেষ্ঠ বিহু-হুঁচৰি দল আৰু অ' এন জি চিৰ বসন্ত ৰাণী -২০২৬ ৰ বিজয়ী প্ৰতিযোগীৰ বিহু নাচ প্ৰদৰ্শন, বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব। নিশা আমন্ত্ৰিত শিল্পী দল "চিনাকি সাংস্কৃতিক গোষ্ঠী"ৰ সাংস্কৃতিক অনুষ্ঠানৰ লগতে জনপ্ৰিয় কণ্ঠশিল্পী প্ৰাণদীপ দাসৰ নেতৃত্বত বাউণ্ড মৰফিমছ অনুষ্ঠান অনুষ্ঠিত হ'ব। উক্ত সমূহ কাৰ্যক্ৰমণিকাতে অ' এন জি চি অসম সম্পদৰ সমূহ বিষয়া-কৰ্মচাৰী-পৰিয়াল তথা স্থানীয় ৰাইজৰ উপস্থিতি কামনা কৰি উদযাপন সমিতিৰ সভাপতিদ্বয় গিৰিন্দ্ৰ ডেকা, গৌৰৱ দাস, কাৰ্যকৰী সভাপতি ৰিজৱানা নাকভি আৰু সম্পাদক নিত্যা দত্তই গোহাৰি জনাইছে।

### তৃতীয়বাৰৰ বাবে লামডিং দখল শিবু মিশ্ৰৰ

# হোজাইত আজমল, শিলাদিত্য আৰু শিবুৰ জয়

**অসম বাৰ্তা, লংকা, ৫ মে'** ঃ আজি অসম বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণা হয়। হোজাই জিলাৰ তিনিটা সমষ্টি বিজেপি আৰু এ আই উ ডি এফ ৰ দখলত জনতাৰ ৰায়। জিলাখনৰ তিনিটা বিধানসভা সমষ্টিৰ ভিতৰত লামডিং আৰু হোজাইত ভাৰতীয় জনতা পাৰ্টীৰ জয়লাভ কৰাৰ বিপৰীতে বিন্নাকান্দি সমষ্টিত এআইইউডিএফ -এ বিজয় সাব্যস্ত কৰিছে। ৬২ নং বিন্নাকান্দি বিধানসভা সমষ্টিত এআইইউডিএফৰ প্ৰাৰ্থী মৌলানা বদৰুদ্দিন আজমল -এ ৩৫৩৮০ ভোটত জয়লাভ কৰিছে। প্ৰাৰ্থী গৰাকীয়ে মুঠ১১৯৭২১টা ভোট লাভ কৰিছে। সংখ্যালঘু অধ্যুষিত অঞ্চলসমূহত শক্তিশালী সংগঠন আৰু প্ৰভাৱৰ জৰিয়তে তেওঁ পুনৰ জনতাৰ আস্থা অৰ্জন কৰিবলৈ সক্ষম হৈছে। আনহাতে, ৬৩ নং হোজাই বিধানসভা সমষ্টিত বিজেপিৰ প্ৰাৰ্থী শিলাদিত্য দেৱে ৬৬৭০১টা ভোটত জয় লাভ কৰিছে। শিলাদিত্য দেৱে মুঠ ভোট লাভ কৰিছে ১৪৪৩৬১টা ভোট। ৬৪ নং লামডিং বিধানসভা সমষ্টিতো বিজেপিৰ প্ৰাৰ্থী শিবু মিশ্ৰই তৃতীয়বাৰৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত হৈ ২২১১৪টা ভোটত জয়লাভ কৰিছে। শিবু মিশ্ৰৰ ই মুঠ ভোট লাভ কৰিছে ১১৫৩৩০টা ভোট। স্থানীয় উন্নয়নমূলক কাৰ্যসূচী আৰু জনসংযোগৰ জৰিয়তে তেওঁ এই সফলতা লাভ কৰিবলৈ সক্ষম হৈছে বুলি ধাৰণা কৰা হৈছে। হোজাই জিলাৰ এই ফলাফলত স্পষ্ট যে, ভোটাৰসকলে দুটা ভিন্ন ৰাজনৈতিক শক্তিৰ ওপৰত আস্থা প্ৰকাশ কৰিছে। একেদৰে বিজেপিয়ে দুটা সমষ্টিত আধিপত্য বজাই ৰাখিবলৈ সক্ষম হোৱাৰ বিপৰীতে এআইইউডিএফে বিন্নাকান্দিত নিজৰ শক্তিশালী ভিত্তি অটুট ৰাখিছে। এই ফলাফলসমূহে জিলাখনৰ ৰাজনৈতিক সমীকৰণত এক গুৰুত্বপূৰ্ণ দিশ দাঙি ধৰিছে।

# নলবাৰী বিধানসভা সমষ্টিৰ তিনিওগৰাকী NDA প্ৰাৰ্থীৰ জয়ত আনন্দিত দিলীপ কুমাৰ দাস

**অসম বাৰ্তা, নলবাৰী, ৫ মে'** ঃ নলবাৰী জিলাৰ তিনিওটা বিধানসভা সমষ্টিত NDA ৰ প্ৰাৰ্থীসকল জয়ী হোৱাৰ ফলত অসম গণ পৰিষদৰ কেন্দ্ৰীয় সম্পাদক দিলীপ কুমাৰ দাসে গভীৰ আনন্দ প্ৰকাশ কৰিছে। তেওঁ কয় যে, নলবাৰী, বৰক্ষেত্ৰী আৰু টিহু বিধানসভা সমষ্টিত NDA ৰ প্ৰাৰ্থীসকলৰ বিপুল বিজয়ে দলটোৰ বাবে এক গুৰুত্বপূৰ্ণ সফলতা কঢ়িয়াই আনিছে। তেওঁ এই জয়ৰ বাবে নলবাৰীৰ সচেতন ৰাইজক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। দাসে উল্লেখ কৰে যে, "NDA ৰ প্ৰতিগৰাকী প্ৰাৰ্থীয়ে বিপুল ভোটত জয়ী হোৱা বাবে মই অত্যন্ত আনন্দিত। ৰাইজে আমাৰ ওপৰত যি আস্থা ৰাখিছে, তাৰ বাবে আমি তেওঁলোকৰ ওচৰত কৃতজ্ঞ।" তেওঁ লগতে কয় যে, অগপৰ সভাপতি অতুল বৰাৰ বিজয় আৰু কাৰ্যকৰী সভাপতি কেশৱ মহন্তৰ কলিয়াবৰৰ পৰা জয়ো দলটোৰ বাবে গৌৰৱৰ বিষয়। গোটেই অসমজুৰি NDA ৰ সাফল্যই আগন্তুক দিনত উন্নয়নৰ পথ অধিক সুদৃঢ় কৰিব বুলি তেওঁ আশাবাদী। নলবাৰী জিলাৰ তিনিওটা সমষ্টিত—নলবাৰীৰ জয়ন্ত মল্ল বৰুৱা, বৰক্ষেত্ৰীৰ নাৰায়ন ডেকা আৰু টিহুৰ চন্দ্ৰমোহন পাটোৱাৰীৰ বিজয়ৰ বাবে তেওঁ পুনৰবাৰ ৰাইজক ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ উপৰিও তেওঁ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যখনক দেশৰ অন্যতম আগশাৰীৰ ৰাজ্য হিচাপে গঢ়ি তোলাৰ লক্ষ্য সফল হওক বুলি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়।

# নাহৰকটীয়াত ভয়ংকৰ পথ দুৰ্ঘটনা

### দুৰ্ঘটনাত থিতাতে নিহত এজন

**অসম বাৰ্তা, নাহৰকটীয়া, ৫ মে'** ঃ নাহৰকটীয়াৰ চাচনিত সংঘটিত হয় ভয়ংকৰ পথ দুৰ্ঘটনা। AS 06AC2953 নম্বৰৰ এখন ইটা কঢ়িওৱা ডি, আই, গাড়ীয়ে পিছফালৰ পৰা মহতীয়াই লৈ যায় স্কুটীত অহা এহাল দম্পতী আৰু এটা চাৰি বছৰীয়া কণমাণিক। জানিব পৰা মতে চাচনি সাতপথাৰ গাঁৱৰ মনজিৎ উৰঙীয়াই পত্নী ৰূপা উৰঙীয়াৰ সৈতে কণমানি চাৰি বছৰীয়া ভতিজাক বিভান উৰঙীয়াক বিদ্যালয়ৰ পৰা আনি থকা অৱস্থাত দয়াং পথাৰ কাণিআলিৰ সমীপত ভয়ংকৰ পথ দুৰ্ঘটনাৰ সন্মুখীন হয়। তীব্ৰবেগী দুৰ্ঘটনাগ্ৰস্ত বাহন খনৰ চালক জনে অত্যধিক মদ্যপান কৰাৰ বাবেই এনেধৰণৰ শোকাৱহ ঘটনা সংঘটিত হ'ল বুলি পতক্ষ্যদৰ্শীয়ে উল্লেখ কৰে। ঘটনা সংঘটিত কৰি মাতাল চালক জনে ঘটনাস্থলীৰ পৰা পলাই যোৱাৰ চেষ্টা কৰে যদিও স্থানীয় ৰাইজে কৰায়ত্ত কৰি আৰক্ষীক চমজাই দিয়ে। বৰ্তমানো সংকটজনক অৱস্থাত আছে মনজিৎ উৰঙীয়াৰ পত্নী ৰূপা আৰু চাৰি বছৰীয়া বিভান উৰঙীয়া। দুয়োকে উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়লৈ প্ৰেৰণ কৰে। উল্লেখযোগ্য যে শিল ইটা বালি কঢ়িওৱা ডাম্পাৰ আৰু এনেধৰণৰ সৰু সৰু গাড়ীয়ে তীব্ৰ বেগৰ ফলত নিয়ন্ত্ৰণ হেৰুৱাই দৈনিক দুৰ্ঘটনা কৰি আহিছে। প্ৰশাসনে উদণ্ড চালক সকলক কেতিয়া নাকি লগাব সেয়া লক্ষণীয় হ'ব।

# ঢেকীয়াজুলিৰ গাধাজুলিত চাঞ্চল্যকৰ ঘটনা, শিক্ষক স্বামীৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ

# স্বামীৰ নিৰ্যাতনত জৰ্জড়িত মহিলা

**অসম বাৰ্তা, ঢেকীয়াজুলি, ৫ মে'** ঃ শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি আৰক্ষী থানা এলেকাৰ গাধাজুলিত সংঘটিত হৈছে এক চাঞ্চল্যকৰ আৰু উদ্বেগজনক ঘটনা। নিজ স্বামীৰ অবিৰত শাৰীৰিক আৰু মানসিক নিৰ্যাতনৰ বলি হ'বলগীয়া হৈছে এগৰাকী অসহায় মহিলা, যাৰ ফলত সমগ্ৰ অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়া আৰু উদ্বেগৰ সৃষ্টি হৈছে। প্ৰাপ্ত অভিযোগ অনুসৰি মহিলাগৰাকীৰ স্বামী ইনামুল ইছলামে দীৰ্ঘদিন ধৰি বিভিন্ন অসামাজিক কাৰ্যত লিপ্ত হৈ অহাৰ লগতে নিজৰ পত্নীৰ ওপৰত নিয়মিতভাৱে নিৰ্দয় অত্যাচাৰ চলাই আহিছিল। বিশেষকৈ চিন্তাৰ বিষয় হৈছে যে অভিযুক্ত ব্যক্তি এজন চৰকাৰী বিদ্যালয়ৰ শিক্ষক হিচাপে কৰ্মৰত, তথাপিও তেওঁ এইধৰণৰ সমাজবিৰোধী আচৰণত জড়িত থকাৰ অভিযোগ উত্থাপন হৈছে। ভুক্তভোগী মহিলাগৰাকীয়ে ঢেকীয়াজুলি আৰক্ষী থানাত দাখিল কৰা এজাহাৰত উল্লেখ কৰিছে যে, স্বামীৰ অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ জনালেই তেওঁক বেয়াভাৱে মাৰপিট কৰা হৈছিল, যাৰ ফলত বহু সময়ত তেওঁ শাৰীৰিকভাৱে আঘাতপ্ৰাপ্ত হৈছিল। দীৰ্ঘদিন ধৰি এই অত্যাচাৰ সহি আহিলেও অৱশেষত নিৰ্যাতনৰ সীমা অতিক্ৰম কৰাত আইনৰ সহায় ল'বলৈ বাধ্য হয় মহিলাগৰাকী। এই ঘটনাই এতিয়া গাধাজুলি অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। এজন শিক্ষক হিচাপে সমাজত আদৰ্শ স্থাপন কৰিবলগীয়া এজন ব্যক্তিৰ বিৰুদ্ধে এনে অভিযোগ উঠাত স্থানীয় লোকসকলৰ মাজত গভীৰ হতাশা আৰু ক্ষোভ দেখা গৈছে। লগতে এই ঘটনাই এক গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে—নিজ ঘৰতে নাৰীসকল কিমান সুৰক্ষিত? ইফালে ভুক্তভোগী মহিলাগৰাকীয়ে সংবাদ মাধ্যমৰ আগত নিজৰ বেদনাময় অভিজ্ঞতা বৰ্ণনা কৰি কয়, "মই দীৰ্ঘদিন ধৰি এই সকলো সহি আহিছোঁ, কিন্তু এতিয়া আৰু সহ্য কৰিব নোৱাৰো। মই ন্যায় বিচাৰো।" বৰ্তমান ঢেকীয়াজুলি আৰক্ষীয়ে ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে আৰু অভিযোগৰ ভিত্তিত প্ৰয়োজনীয় তথ্য সংগ্ৰহত নিয়োজিত হৈছে। সমান্তৰালভাৱে স্থানীয় সচেতন মহল আৰু বিভিন্ন সংগঠনে অভিযুক্ত ব্যক্তিৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। এই ঘটনাই পুনৰ এবাৰ সমাজত নাৰী নিৰাপত্তাৰ বিষয়টো আগবঢ়াই তুলিছে আৰু এনে ঘটনাৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণৰ প্ৰয়োজনীয়তা স্পষ্ট কৰি তুলিছে।

# ছমৰীয়া সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী ৰেকিবুদ্দিন আহমেদৰ জয়লাভ

**অসম বাৰ্তা, গঁৰৈমাৰী, ৫ মে'** ঃ আজি ঘোষিত অসম বিধানসভা নিৰ্বাচনৰ ভোটগণাৰ অন্তত নৱ গঠিত ছমৰীয়া সমষ্টিত বিপুল সংখ্যক ভোটৰ ব্যৱধানত জয়লাভ কৰে পূৰ্বৰ ছয়গাঁও সমষ্টিৰ তিনিবাৰৰ বিধায়ক ৰেকিবুদ্দিন আহমেদ। উল্লেখযোগ্য যে নৱগঠিত ছমৰীয়া সমষ্টিত ২টা ব্লক, ১৯টা গাঁও পঞ্চায়ত লৈ মুঠ ২লাখ ৪৭হাজাৰ ৬৪০টা ভোট থকা সমষ্টিটোত ২৯৭টা ভোট গ্ৰহণ কেন্দ্ৰত মুঠ ২ লাখ ৩৪ হাজাৰ ১০৫ গৰাকী ভোটাৰে ভোটদান কৰে। নৱ গঠিত ছমৰীয়া সমষ্টিত এইবেলি কংগ্ৰেছ দলৰ ৰেকিবুদ্দিন আহমেদ সহ পাঁচগৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়। আজি ঘোষণা কৰা ভোটগণনাত কংগ্ৰেছ দলৰ প্ৰাৰ্থী ৰেকিবুদ্দিন আহমেদে ১৪৯৭২০ টা, এ আই ইউ ডি এফ দলৰ প্ৰাৰ্থী ইমদাদ হুছেইনে ৭১০২৪টা, বিজেপি মিত্ৰজোঁটৰ অগপ দলৰ প্ৰাৰ্থী নুৰুল ইছলামে ৯৫৭০ টা, নিৰ্দলীয় প্ৰাৰ্থী নুৰুল ইছলামে ৬১৮ টা, নিৰ্দলীয় প্ৰাৰ্থী ছুমাইৰ লস্কৰে ৯৭৩ টা, আৰু ভাৰতীয় সমাজবাদী দলৰ প্ৰাৰ্থী দিলোৱাৰা হুছেইনে ১৩৩১টা ভোট লাভ কৰাৰ বিপৰিতে নটাত ১৩৩৬ গৰাকী ভোটাৰে নটাত ভোট দিয়ে। স্মৰ্তব্য যে কংগ্ৰেছ প্ৰাৰ্থী ৰেকিবুদ্দিন আহমেদে চতুৰ্থবাৰৰ বাবে ৭৮, ৬৯৬টা ভোটৰ ব্যৱধানত জয়ী হয়। ইফালে ৰেকিবুদ্দিন আহমেদৰ বৃহৎ জয়লাভৰ পিছত কংগ্ৰেছ সমৰ্থকৰ মাজত আনন্দৰ জোৱাৰ দেখা পোৱা যায়।

### কিশোৰীৰ সন্দেহজনক মৃত্যু, তদন্ত আৰম্ভ

# গোলোকগঞ্জত চাঞ্চল্যকৰ ঘটনা

**অসম বাৰ্তা, গোলোকগঞ্জ, ৫ মে'** ঃ ধুবুৰী জিলাৰ গোলোকগঞ্জ চহৰৰ কাষৰ উত্তৰ টোকেৰেৰছৰা প্ৰথম খণ্ড গাঁৱত এক চাঞ্চল্যকৰ ঘটনা সংঘটিত হৈছে। ১৬ বছৰীয়া কিশোৰী পাৰবিন খাতুনৰ সন্দেহজনক মৃত্যুক কেন্দ্ৰ কৰি সমগ্ৰ এলেকাত চেপা উত্তেজনা বিৰাজ কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, গাঁওখনৰ বাসিন্দা ফকিৰচান্দ শেখে নিজৰ কন্যা পাৰবিন খাতুনক ৰাতিপুৱাৰ ভাগত গোলোকগঞ্জ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ লৈ আহে। কিন্তু চিকিৎসকে পৰীক্ষা কৰাৰ পিছতে কিশোৰীজনীক মৃত বুলি ঘোষণা কৰে। ঘটনাৰ খবৰ পোৱাৰ লগে লগে গোলোকগঞ্জ আৰক্ষী থানাই বিষয়টো গ্ৰহণ কৰি তদন্ত আৰম্ভ কৰিছে। আৰক্ষীয়ে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে ধুবুৰী চিকিৎসা মহাবিদ্যালয় হস্পিটেল লৈ প্ৰেৰণ কৰিছে। উল্লেখযোগ্য যে, এইটো হত্যা নে আত্মহত্যা—এই বিষয়ে এতিয়াও স্পষ্ট হোৱা নাই। মৰণোত্তৰ পৰীক্ষাৰ ৰিপৰ্ট অহাৰ পিছতহে ঘটনাৰ প্ৰকৃত কাৰণ পোহৰলৈ আহিব বুলি আৰক্ষী সূত্ৰে জানিবলৈ পোৱা গৈছে। ইফালে, এই ঘটনাক লৈ স্থানীয় ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া দেখা গৈছে। দোষীক চিনাক্ত কৰি গ্ৰেপ্তাৰ কৰাৰ লগতে কঠোৰ শাস্তি প্ৰদানৰ দাবী জনাইছে ৰাইজে। আৰক্ষীয়ে জনোৱা মতে, ঘটনাটোক গুৰুত্ব সহকাৰে তদন্তৰ আওঁতালৈ অনা হৈছে আৰু সকলো দিশৰ পৰা অনুসন্ধান অব্যাহত আছে।

### ❒ যৌথ চৰকাৰৰ প্ৰচেষ্টাত বিটিচিৰ দ্ৰুত বিকাশৰ কামনা ❒

# এনডিএ সমৰ্থিত বিপিএফৰ নৱ নিৰ্বাচিত বিধায়কসকলক নিখিল বাথৌ মহাসভাৰ শুভেচ্ছা

**অসম বাৰ্তা, গোসাঁইগাঁও, ৫ মে'** ঃ সদ্য ফলাফল ঘোষিত ১৬ সংখ্যক অসম বিধান সভা নিৰ্বাচনত বিটিচি অঞ্চলৰ পৰা ১০ টাকৈ সমষ্টিত হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিএফ দলৰ দহ গৰাকীকৈ বিজয়ী প্ৰাৰ্থীক নিখিল বাথৌ মহাসভাই শুভেচ্ছা জনাইছে। কালি অনুষ্ঠিত হোৱা অসম বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ অন্তত বিটিচি এলেকাৰ দহ গৰাকী বিধায়ক জয়যুক্ত হোৱাত বিটিচিবাসী ৰাইজৰ মাজত স্বাভাৱিকতে আনন্দৰ বন্যাৰ সৃষ্টি হৈছে। ইতিমধ্যে পৰিষদীয় নিৰ্বাচনত জয়ী হৈ হাগ্ৰামা মহিলাৰীৰ নেতৃত্বত গঠিত বিটিচি চৰকাৰখনে বিটিচি অঞ্চলৰ সৰ্বাংগীণ উন্নতিৰ বাবে আন্তৰিকতাৰে কাম কৰাৰ প্ৰয়াস কৰি আছে। অনাগত সময়ত ৰাজ্যত গঠিত হ'ব লগা মিত্ৰজোঁট চৰকাৰত বিপিএফ অংশীদাৰ দল হিচাপে থাকি অঞ্চলটোৰ উন্নয়ন আৰু অধিক ত্বৰান্বিত কৰি তুলিব বুলি নিখিল বাথৌ মহাসভা আশাবাদী। নিৰ্বাচনত এই বিজয়ে বিটিচি অঞ্চলৰ উন্নতি আৰু সমৃদ্ধিত বহু প্ৰকাৰে সহায়ক হ'ব বুলি মহাসভাই আজি সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতিৰ জৰিয়তে আশা প্ৰকাশ কৰিছে। এনেকি বিটিচি আৰু অসম চৰকাৰৰ যৌথ প্ৰচেষ্টাত বিটিচি অঞ্চলৰ উন্নতি নিশ্চিত ভাৱে দ্ৰুততৰ হ'ব বুলিও বিবৃতিটোত কোৱা হৈছে। নিখিল বাথৌ মহাসভাৰ দৃঢ়বিশ্বাস, বিপিএফ দলৰ মুৰব্বী হাগ্ৰামা মহিলাৰীৰ সৱল তথা বলিষ্ঠ নেতৃত্বত বিটিচি চৰকাৰে ৰাইজক সুশাসন প্ৰদান কৰিবলৈ সক্ষম হ'ব। বিটিচিবাসী বিভিন্ন জনগোষ্ঠীৰ মাজত ঐক্য-সংহতি আৰু সম্প্ৰীতি মজবুত হোৱাৰ কামনা কৰি মহাসভাই বিটিচি চৰকাৰৰ দ্বাৰা ৰাইজৰ উন্নতিৰ বাবে কৰা প্ৰয়াস সাৰ্থক কৰিবলৈ সকলো শ্ৰেণীৰ ৰাইজৰ সহযোগিতাৰ দৰকাৰ বুলিও বিবৃতিত উল্লেখ কৰে। বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীৰ নেতৃত্বত বিপিএফ চৰকাৰখনে বিটিচিবাসী ৰাইজৰ সৰ্বাংগীণ উন্নতি সাধিবলৈ সমৰ্থবান হওক, বিটিচিবাসী ৰাইজৰ মংগল সাধন হওক বুলি বিবৃতিটোৰ যোগেদি কামনা কৰিছে নিখিল বাথৌ মহাসভাৰ সভাপতি তথা প্ৰাক্তন বিধায়ক পৰমেশ্বৰ ব্ৰহ্মাই।

# ১২ মে'ত অসমত নতুন চৰকাৰৰ শপতগ্ৰহণ

বুলি সূত্ৰই নিশ্চিত কৰে। মুখ্যমন্ত্ৰীয়ে অকলেই শপত গ্ৰহণ কৰিব নে সম্পূৰ্ণ মন্ত্ৰীসভাৰ সৈতে যুটীয়াভাৱে শপত ল'ব — সেয়া এতিয়াই চূড়ান্ত হোৱা নাই। কেন্দ্ৰীয় পৰ্যৱেক্ষক জেপি নাড্ডা আৰু নায়াব সিং ছৈনীৰ পৰা সেউজ সংকেত পোৱাৰ পাছতহে শপত গ্ৰহণৰ তাৰিখ আৰু পদ্ধতি সম্পৰ্কে চূড়ান্ত সিদ্ধান্ত লোৱা হ'ব। শপত গ্ৰহণৰ প্ৰস্তুতিৰ অংশ হিচাপে অতি সোনকালে বিধায়ক দলৰ বৈঠক অনুষ্ঠিত কৰাৰ কথা। এই বৈঠক কেন্দ্ৰীয় পৰ্যৱেক্ষক জেপি নাড্ডা আৰু নায়াব সিং ছৈনীৰ প্ৰত্যক্ষ উপস্থিতিত অনুষ্ঠিত হ'ব। বৈঠকটোতেই বিধায়ক দলৰ নেতা নিৰ্বাচন কৰা হ'ব। তাৰ পিছত এনডিএৰ যুটীয়া বৈঠক অনুষ্ঠিত হ'ব, য'ত মুখ্যমন্ত্ৰী আৰু মন্ত্ৰীসকলৰ নাম চূড়ান্ত কৰা হ'ব বুলি সূত্ৰই জানিবলৈ দিয়ে। শপত গ্ৰহণৰ পিছত অসম বিধানসভাৰ বিশেষ বৈঠক অনুষ্ঠিত হ'ব। সেই বৈঠকতে সকলো নৱনিৰ্বাচিত বিধায়কে পদ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰিব। বৈঠক আৰম্ভ হোৱাৰ পূৰ্বে প্ৰ'টেম অধ্যক্ষ নিৰ্বাচিত কৰা হ'ব, যাৰ কাৰ্য হ'ল বিধায়কসকলক শপত বাক্য পাঠ কৰোৱোৱা। এইবাৰ অসম বিধানসভাত বিৰোধী দলপতিৰ পদটোকে ধৰি একাধিক পদক লৈ ৰাজনৈতিক মহলত জোৰালো চৰ্চা আৰম্ভ হৈছে। বিৰোধী দলৰ বিধায়কসকলে এই ক্ষেত্ৰত কি স্থিতি গ্ৰহণ কৰে — সেয়া আগন্তুক দিনবোৰত স্পষ্ট হ'ব। উল্লেখযোগ্য যে ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনত জাতীয় গণতান্ত্ৰিক মৰ্চা (এনডিএ) এক ঐতিহাসিক জনাদেশ লাভ কৰিছে। দলটোৱে মুঠ ১২৬খন আসনৰ ভিতৰত বিজেপি এককভাৱে ৮২খন আসনত জয়লাভ কৰে। ইয়াৰোপৰি সহযোগী দল অসম গণ পৰিষদে (অগপ) ১০খন আৰু বড়োলেণ্ড জনতা প্ৰ' (বিপিএফ)ৰ নামত আন ১০খন আসন লাভ কৰে। সেয়া হিচাপত এনডিএৰ মুঠ আসন সংখ্যা ১০২খনলৈ বৃদ্ধি পায়। ইফালে এই নিৰ্বাচনত বিৰোধী জোট সম্পূৰ্ণৰূপে বিধ্বস্ত হৈছে। ভাৰতীয় জাতীয় কংগ্ৰেছে মাত্ৰ ১৯খন আসনত সীমাবদ্ধ থাকিব লগা হয়। আনহাতে ৰাইজৰ দলে ২খন, অখিল ভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা (এআইইউডিএফ)এ ২খন আৰু সৰ্বভাৰতীয় তৃণমূল কংগ্ৰেছে ১খন আসন লাভ কৰিবলৈ সক্ষম হয়। অসমৰ ৰাজনৈতিক মহলত এতিয়া মুখ্যমন্ত্ৰী আৰু মন্ত্ৰীসভা গঠনক লৈ তীব্ৰ জল্পনা-কল্পনা চলি আছে। আগন্তুক ১১ মে'ৰ পিছৰ শপত গ্ৰহণ অনুষ্ঠানলৈকে ৰাজ্যজুৰি দৃষ্টি নিবদ্ধ হৈ আছে।

# কংগ্ৰেছৰ কেৰামতালিতে বিধ্বস্ত বিৰোধী মিত্ৰজোঁট

কাৰণ সম্পৰ্কে এক বিতং বিৱৰণ দিলে শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে। বিধানসভা নিৰ্বাচনত লুৰিণজ্যোতি গগৈ আৰু গৌৰৱ গগৈৰ শোচনীয় পৰাজয়ৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কংগ্ৰেছক তীক্ষ্ণ কটাক্ষ কৰে। অখিল গগৈয়ে কংগ্ৰেছৰ পৰাজয়ৰ প্ৰকৃত কাৰণ সম্পৰ্কে উল্লেখ কৰি কয় যে কংগ্ৰেছৰ বিপৰ্যয়ৰ মূল কাৰণ হৈছে অপৰিকল্পিত প্ৰচাৰ। বিজেপিৰ সুপৰিকল্পনাৰ সন্মুখত বিৰোধী মিত্ৰজোঁট সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। তেওঁৰ মতে, "বিজেপিয়ে নিৰ্বাচনত জয়ী হ'বলৈ ৫-৬টা স্বতন্ত্ৰ ৰণকৌশল প্ৰস্তুত কৰি ৰাখিছিল। কিন্তু আমি সঠিকভাৱে পৰিকল্পনা কৰাত ব্যৰ্থ হ'লো। বেছিভাগ সময় মিত্ৰজোঁটৰ বাবে বৈঠকত বহি থাকোঁতেই পাৰ হৈ গ'ল।" অখিল গগৈয়ে অভিযোগ কৰে যে কংগ্ৰেছৰ "কেৰামতি"ৰ বাবেই তেওঁলোক সকলো বৰবাদ হৈ গৈছে। বিজেপিয়ে কি ৰাজনৈতিক ৰণকৌশল লৈছিল, সেয়া কংগ্ৰেছে বুজিয়েই নাপালে। তেওঁ কয়, "কংগ্ৰেছৰ বিধায়ক সকলৰ অৱস্থা দেখি অসমৰ ৰাইজে ভাবিবলৈ বাধ্য হৈছে— যি বিধায়কে মুখ মেলিবই নোৱাৰে, তেনেকুৱাক ভোট দি কি লাভ?" হিমন্ত বিশ্ব শৰ্মাৰ প্ৰচাৰ শৈলীৰ প্ৰশংসা কৰি অখিল গগৈয়ে কয়, "হিমন্ত বিশ্ব শৰ্মাৰ আগ্ৰাসী প্ৰচাৰে সকলোৰে মনত সোমাই পৰিল। তেওঁ মানুহৰ মাজলৈ গৈ চেল্‌ফি উঠায়। কিন্তু আমাৰ কেইটাই ভালকৈ হেণ্ডচেকটো দিবলৈও টান পাইছো।" কংগ্ৰেছ নেতাসকলৰ আভিজাত্যপূৰ্ণ জীৱনশৈলীৰ তীব্ৰ সমালোচনা কৰি তেওঁ কয়, "মুখ্যমন্ত্ৰী হৈও হিমন্ত বিশ্ব শৰ্মাৰ কাপোৰত ইস্ত্ৰি নাথাকে, কিন্তু আমাৰ বিৰোধী নেতাসকলৰ কাপোৰ সদায় চিধা থাকে। তেনেকুৱাকৈ নিৰ্বাচনত জয় লাভ কৰা কেনেকৈ সম্ভৱ?" তেওঁ লগতে কয়, "ড° হিমন্ত বিশ্ব শৰ্মাই বোকা খচকি মানুহৰ মাজলৈ যায়। কিন্তু আমাৰ বিৰোধী নেতাই দুখীয়াৰ গাৰ গোন্ধ পাই ওচৰলৈ নাযায়। আমাৰ বুথৰ কৰ্মীসকল ৫-১০ বছৰ ধৰি কেৱল হতাশাত জীয়াই আছে। আনহাতে বিজেপিয়ে প্ৰতিমাহে 'মন কি বাত'ত বিধায়কসকলৰ জৰিয়তে কৰ্মীসকলৰ সকলো সুবিধা-অসুবিধাৰ খবৰ লয়। কিন্তু আমাৰ নেতাসকলে বিধায়ক আৱাসৰ পৰা সমষ্টিলৈকে নাযায়। এনে অৱস্থাত পৰাজয় নিশ্চিত আছিল।" অখিল গগৈয়ে আন এক গুৰুত্বপূৰ্ণ অভিযোগ উত্থাপন কৰি কয়, "ৰাহুল গান্ধী অহা মিটিঙলৈ মোক খবৰেই দিয়া নহ'ল। নিৰ্বাচনত 'তিনি গগৈ' কেৱল নামতহে থাকিল। গৌৰৱ গগৈয়ে মোক যোৰহাটত এখনো মিটিঙলৈ মাতা নাই। মই যোৰহাটত মাত্ৰ ৩খন মান মিটিং কৰিবলৈ পালেই গৌৰৱ গগৈয়ে জিকিলেহেঁতেন। মই গৌৰৱ গগৈক এদিনৰ বাবে হেলিকপ্টাৰখন বিচাৰিছিলো, কিন্তু তেওঁ নিদিলে। চাহাবী ষ্টাইলত থাকিলে গৌৰৱে কেতিয়াও বিজেপিক হৰুৱাব নোৱাৰে।" শেষত অখিল গগৈয়ে কয়, "জ্যেষ্ঠ মানুহক সন্মান নকৰে, সকলো সময়তেই সন্দেহ কৰি থাকিলে কংগ্ৰেছৰ পৰাজয় অৱধাৰিত। কংগ্ৰেছৰ হাতত মিছাইল নাই, স্থায়ী যুদ্ধা নাই। এই কথা ক'লৈই মোক বিজেপিৰ মানুহ বুলি কয়।" উল্লেখযোগ্য যে অখিল গগৈয়ে বিধানসভাত তেওঁৰ নিজৰ দলৰ নেতৃত্বৰ বিৰুদ্ধে বহু আগতেও মন্তব্য কৰি আহিছে। কিন্তু নিৰ্বাচনৰ পাছত এনেদৰে মুকলিভাৱে কংগ্ৰেছৰ প্ৰচাৰ কৌশল, নেতৃত্ব তথা শৈলীৰ সমালোচনা কৰাত অসমৰ ৰাজনৈতিক মহলত চাঞ্চল্যৰ সৃষ্টি হৈছে।

# বেংগালুৰুত নহয় আইপিএল

নতুন স্থান নিৰ্ধাৰণ কৰা হৈছে। বিবৃতিত উল্লেখ কৰা মতে, স্থানীয় সমিতিয়ে উত্থাপন কৰা চাহিদাবোৰ বিচিচিআয়ে নিৰ্ধাৰণ কৰা গাইডলাইন আৰু প্ৰট'কলৰ পৰিসৰৰ বাহিৰত আছিল। সেয়েহে গাইডলাইন মানি চলাৰ স্বাৰ্থত বেংগালুৰুৰ পৰা ফাইনেল খেলখন স্থানান্তৰ কৰিব লগা হৈছে। ইয়াৰ লগতে বিচিচিআয়ে জানিবলৈ দিয়ে যে কেইবাটাও পৰিচালনাগত আৰু লজিষ্টিক বিবেচনাৰ বাবে, এই ছিজনত বিশেষ ব্যৱস্থা হিচাপে আইপিএল ২০২৬ৰ প্লে অ'ফ খেলসমূহ তিনিটা পৃথক ভেন্যুত অনুষ্ঠিত হ'ব। দুখন কোৱালিফায়াৰ আৰু এখন এলিমিনেটৰ খেল ধৰমশালা আৰু চণ্ডীগড়ত অনুষ্ঠিত হ'ব। অৱশ্যে কোনখন ভেন্যুত কোনটো খেল হ'ব সেয়া পৰৱৰ্তী সময়ত জানিবলৈ দিয়া হ'ব। প্ৰতিবেদন অনুসৰি, আইপিএলৰ ঐতিহ্যগত নিয়ম অনুযায়ী ফাইনেল খেল সাধাৰণতে বৰ্তমান চেম্পিয়ন দলটোৰ নিজা খেলপথাৰত অনুষ্ঠিত হয়। কিন্তু এইবাৰ সেই নিয়ম ভংগ কৰি বেংগালুৰুৰ পৰা ফাইনেল আঁতৰোৱাৰ মূল কাৰণ হিচাপে কৰ্ণাটকৰ বিধায়কসকলৰ দাবীক দোষাৰোপ কৰা হৈছে। সূত্ৰই জানিবলৈ দিয়া মতে, কৰ্ণাটকৰ প্ৰতিগৰাকী বিধায়কে নিজৰ বাবে আৰু নিজৰ সমষ্টিৰ বাবে অন্তত পাঁচখনকৈ আইপিএল ফাইনেলৰ টিকটৰ দাবী জনাইছিল। এই দাবী বিচিচিআইৰ নীতিৰ বাহিৰত হোৱাত আৰু টিকট বিতৰণত জটিলতা সৃষ্টি হোৱাত ফাইনেল স্থানান্তৰৰ সিদ্ধান্ত লোৱা বুলি ধাৰণা কৰা হৈছে। তথাপি বিচিচিআইৰ তৰফৰ পৰা অন্য কোনো বিকল্প চহৰৰ নাম এতিয়ালৈকে চূড়ান্ত ঘোষণা কৰা হোৱা নাই। প্লে-অ'ফৰ বাবে ধৰমশালা আৰু চণ্ডীগড়ৰ নাম প্ৰকাশ পাইছে যদিও ফাইনেলৰ নতুন ভেন্যু সম্পৰ্কে ব'ৰ্ডে পৰৱৰ্তী বিজ্ঞপ্তি দিব বুলি জনাইছে। উল্লেখযোগ্য যে পূৰ্বেও কেইবাবাৰো আইপিএল ফাইনেল নানান কাৰণত নিৰ্ধাৰিত স্থানৰ পৰা সলনি কৰা হৈছিল। কিন্তু এইবাৰ বিধায়কসকলৰ টিকটৰ দাবীক কাৰণ হিচাপে উল্লেখ কৰা হৈছে, যিয়ে ৰাজনৈতিক আৰু ক্ৰিকেট পৰিচালনাক এক সূত্ৰত গাঁথি দিছে।

# অগপ বিধায়ক দলৰ নেতা নিৰ্বাচিত অতুল বৰা; কেশৱ

এই বৈঠক অনুষ্ঠিত হয়। অগপ পূৰ্বৰ দৰেই এনডিএ চৰকাৰৰ অংশ হৈ অসমৰ উন্নয়নৰ যাত্ৰাত বৰঙনি আগবঢ়াব বুলি স্পষ্ট হয়। বৈঠকৰ পৰৱৰ্তী সময়ত অগপৰ জ্যেষ্ঠ নেতা আৰু ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই ইটিভি ভাৰতক জনায় যে বোকাখাত বিধানসভা সমষ্টিৰ বিধায়ক আৰু দলটোৰ সভাপতি অতুল বৰাক অগপ বিধায়ক দলৰ নেতা হিচাপে সৰ্বসন্মতিক্ৰমে নিৰ্বাচিত কৰা হয়। আনহাতে দলটোৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তক উপ-দলপতি আৰু ডিমৰীয়াৰ নৱনিৰ্বাচিত বিধায়ক ড° তপন দাসক দলৰ সচিব পদৰ দায়িত্ব দিয়া হয়। বজালী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ ৰয়ক মুখ্য সচেতক পদত নিযুক্তি দিয়া হয়। বৈঠকৰ অন্তত সংবাদ মাধ্যমৰ আগত ভাষণ দি অগপ সভাপতি অতুল বৰাই এই পদবী প্ৰাপ্ত নেতাসকলৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে। লগতে তেওঁ জানিবলৈ দিয়ে যে অগপৰ সকলো বিধায়কে অসমৰ মুখ্যমন্ত্ৰী পদৰ বাবে বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নাম সৰ্বসন্মতিক্ৰমে আগবঢ়াইছে। অতুল বৰাই কয়, "আজিৰ বিধায়ক দলৰ বৈঠকত জয়ী হৈ অহা প্ৰতিগৰাকী বিধায়কে যোৱা পাঁচ বছৰত অসমৰ প্ৰতিটো প্ৰান্তত উন্নয়ন আৰু বিকাশৰ জোৱাৰ অনা দক্ষ নেতা ড° হিমন্ত বিশ্ব শৰ্মাক পুনৰাই মুখ্যমন্ত্ৰী হিচাপে দেখা বিচাৰে। সভাত উপস্থিত থকা আটাইকেইগৰাকী অগপ বিধায়কে নিজ নিজ সমষ্টিৰ লগতে সমগ্ৰ অসমৰ খিলঞ্জীয়া লোকসকলৰ দীৰ্ঘদিনীয়া সমস্যা সমাধান আৰু ৰাজ্যৰ সামগ্ৰিক বিকাশৰ বাবে আন্তৰিকতাৰে কাম কৰি যোৱাৰ শপত লয়।" উল্লেখযোগ্য যে অহা ১১ মে'ৰ পাছতহে অসমৰ নতুন চৰকাৰে শপত গ্ৰহণ কৰিব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰীকে ধৰি ৰাজ্যপাল আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত থাকিব বুলি সূত্ৰই নিশ্চিত কৰিছে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত অসম গণ পৰিষদে মুঠ ২৭খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিছিল। দলটোৱে ১০খন আসনত জয়লাভ কৰে। ইয়াৰে বহুকেইগৰাকী বিধায়ক নৱনিৰ্বাচিত। অগপৰ হৈ বিজয়ী হোৱা বিধায়কসকল বিলাসীপাৰাৰ জীৱেশ ৰয়, বঙাইগাঁৱৰ দিপ্তিময়ী চৌধুৰী, বৰপেটাৰ দীপক কুমাৰ দাস, বজালীৰ ধৰ্মেশ্বৰ ৰয়, হাজো-শুৱালকুছিৰ প্ৰকাশ চন্দ্ৰ দাস, ডিমৰীয়াৰ ড° তপন দাস, কলিয়াবৰৰ কেশৱ মহন্ত, তেজপুৰৰ পৃথ্বীৰাজ ৰাভা, টীয়কৰ বিকাশ শইকীয়া, বোকাখাতৰ অতুল বৰা। অগপ কাৰ্যালয়ত অনুষ্ঠিত এই বৈঠক শেষ হোৱাৰ কিছু সময়ৰ পাছতে বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ নেতৃত্বত বিজেপিৰ এক উচ্চ ক্ষমতাসম্পন্ন প্ৰতিনিধি দল অগপ কাৰ্যালয়ত উপস্থিত হয়। দিলীপ শইকীয়াৰ লগতে অসম বিজেপিৰ সাংগঠনিক সাধাৰণ সম্পাদক জি আৰ ৰবীন্দ্ৰ ৰাজু, জ্যেষ্ঠ নেতা জয়ন্ত মল্লবৰুৱা, ঋতুপৰ্ণ বৰুৱা আৰু প্ৰাক্তন সাংসদ কুইন ওজা প্ৰমুখ্যে কেইবাগৰাকীও নেতা সেই দলত আছিল। অগপৰ তৰফৰ পৰা বিজেপিৰ আগন্তুক প্ৰতিনিধি দলক ফুলাম গামোচা আৰু ঐতিহ্যমণ্ডিত আতৰেৰে উষ্ম আদৰণি জনোৱা হয়। বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই অগপ কাৰ্যালয়ৰ পৰাই সংবাদ মাধ্যমক সম্বোধন কৰি নতুন চৰকাৰ গঠনৰ বাবে যৌথ প্ৰচেষ্টাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

# দুই ভাতৃয়ে হত্যা কৰি

হীৰাপাৰাত হত্যা কৰি ক'লাজল নদীত পেলাই দিয়াৰ এক শিহৰণকাৰী ঘটনা পোহৰলৈ অহাত সমগ্ৰ অঞ্চলটোতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে যোৱা ৩ এপ্ৰিল তাৰিখৰ নিশাৰ পৰাই নিৰুদ্দেশ হৈ আছিল ৰামদিয়া মাজৰকুৰিৰ বাবুল ডেকাৰ পুত্ৰ মুনিন্দ্ৰ ডেকা ওৰফে চিকনা। তেওঁৰ পৰিয়ালৰ লোকৰ অভিযোগৰ ভিত্তিত মঙ্গলবাৰে ৰামদিয়া আৰক্ষীয়ে সোধ -পোচৰ বাবে ৰামদিয়া মাজৰকুৰিৰ প্ৰয়াত দিপুল ডেকা (ভেল্কা)ৰ দুই পুত্ৰ ৰাজুডেকা আৰু মৃদুল ডেকাৰ লগতে আন দুগৰাকী যুৱকক সোধ পোচৰ বাবে আৰক্ষীয়ে থানালৈ লৈ আহি জেৰা অব্যাহত ৰাখে। তদন্ত চলাই থকাৰ সময়তে আৰক্ষীয়ে কালি হীৰাপাৰাৰ এটা পথত কিছু তেজৰ দাগ দেখিবলৈ পোৱাত সন্দেহ ঘণীভূত হয় আৰু আটকাধীন যুৱক কেইজনক আৰক্ষীয়ে জোৰদাৰ জেৰা কৰাৰ অন্তত জোলোঙাৰ মেকুৰী ওলাই পৰে। আৰক্ষীৰ জেৰাত দুই ভাতৃ ৰাজু ডেকা আৰু মৃদুল ডেকা লগতে তেওঁলোকৰ মোমায়েক বিপুল ডেকাই লগ লাগি মুনিন্দ্ৰ ডেকাক চোকা অস্ত্ৰৰে হত্যা কৰি বস্তাত ভৰাই ক'লাজল নৈৰ পানীত পেলাই দিয়া বুলি স্বীকাৰ কৰে। ৰাজু ডেকা আৰু মৃদুল ডেকাৰ স্বীকাৰোক্তিৰ ভিত্তিত আজি গেন্ধেলেতাৰিৰ হীৰাপাৰাৰ ক'লাজল নদীত পুৱাৰে পৰাই কামৰূপ আৰক্ষীৰ সহযোগত এন ডি আৰ এফ আৰু এচ ডি আৰ এফ বাহিনীয়ে ক'লাজল নৈত মৃতদেহ উদ্ধাৰ অভিযান চলাই। ৰাতিপুৱা ৯ বজাৰ পৰা চলোৱা প্ৰায় ৬ ঘণ্টাজোৰা উদ্ধাৰ অভিযানৰ অন্তত ৰামদিয়াৰ মিলপাৰাৰ সমীপত মেটেকাৰে আৱৰি থকা ক'লাজল নৈৰ বুকুৰ পৰা এন ডি আৰ এফ আৰু এচ ডি আৰ এফৰ ডুবাৰুৱে মুনিন্দ্ৰৰ মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে মৃতদেহৰ শৰীৰত চোকা অস্ত্ৰৰে আঘাত কৰা চিহ্ন স্পষ্ট হৈ থকা পৰিলক্ষিত হয়। আৰক্ষীৰ উচ্চ পদস্থ বিষয়া সকলৰ লগতে হাজো ৰাজহ চক্ৰৰ চক্ৰ বিষয়া গৰাকীৰ উপস্থিতিত মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে জি এম চি এইছলৈ প্ৰেৰণ কৰা বুলি জানিব পৰা গৈছে। আৰক্ষী সূত্ৰে জানিব পৰা মতে এই হত্যাকাণ্ডত অভিযুক্ত আন গৰাকী যুৱক বিপুল দাস সম্প্ৰতি পলাতক অৱস্থাত আছে। হত্যাকাণ্ডৰ কাৰণ সম্পূৰ্ণকৈ জানিব পৰা নাই যদিও ৩ এপ্ৰিলৰ নিশা আটাইকেইজনে মদ খাই কাজিয়াত লিপ্ত হৈ এই হত্যাকাণ্ড সংঘটিত কৰা বুলিও মত প্ৰকাশ কৰে একাংশ স্থানীয় লোকে।

# অচিৰেই সৰুপথাৰত চলিব উচ্ছেদ অভিযান

যোগ্য যে ২০২৫ বৰ্ষত উজনি অসমৰ উৰিয়ামঘাটত সৰ্ববৃহৎ উচ্ছেদ অভিযানত পিছতেই বনাঞ্চলৰ ভূমি বেদখলকাৰীক উচ্ছেদ কৰোৱা হৈছিল। তাৰ পিছতো সমষ্টিটোত বেদখলকাৰীক শিপাৰ সৈতে উৎখাত কৰিবলৈ সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে প্ৰচেষ্টা গ্ৰহণ কৰিছে। নিৰ্বাচনী ফলাফলৰ পিছত দ্বিতীয়বাৰৰ বাবে সৰুপথাৰ সমষ্টিৰ বিধায়ক হিচাপে জয়ী হোৱাৰ পিছতেই ফেচবুকত বিশেষ পষ্ট বিধায়কগৰাকীৰ। পুনৰ সৰুপথাত সমষ্টিত উচ্ছেদ চলোৱা কথা সদৰি কৰিছে। ফেচবুকযোগে বিধায়কগৰাকীয়ে লিখিছে, "নিৰ্বাচনী প্ৰচাৰৰ সময়ত আমি কোনো প্ৰতিশ্ৰুতি দিয়া নাছিলো। মাত্ৰ পাৰহে যোৱা কাৰ্যকালৰ কামৰ ভিত্তিত আশীৰ্বাদ বিছাৰিছিলো। দ্বিতীয়বাৰ বিধায়ক ৰূপে নিৰ্বাচিত হৈ প্ৰথম প্ৰতিশ্ৰুতি দিব খুজিছো। সৰুপথাৰত সোনকালেই অৱশিষ্ট বেদখল মুক্ত কৰিবলৈ উচ্ছেদ চলোৱা হ'ব। আগন্তুক কাৰ্যকাল সম্পূৰ্ণ আপোচ শূন্য হব। জয় শ্ৰীৰাম।"

# মহানগৰীৰ উন্মুক্ত নলা

সময়সীমা বান্ধি দিছে। উন্মুক্ত নলা-নৰ্দমাৰ সৃষ্টি হোৱা গন্ধ আৰু স্বাস্থ্যজনিত সমস্যাৰ প্ৰতি দৃষ্টি পেলাই ন্যায়ালয়ে চৰ্কাৰক সুধিছে — "উন্মুক্ত নলা-নৰ্দমাৰ স্থায়ী সমাধান আৰু পৰিকল্পনা চৰ্কাৰৰ কি আছে?" প্ৰশ্ন উত্থাপন কৰি ন্যায়ালয়ে স্পষ্ট কৰিছে যে এই সমস্যাৰ সঠিক তথ্য আগবঢ়োৱাতেই মঙলবাৰৰ ভিতৰত সংশ্লিষ্ট বিভাগক সাজু থাকিবলৈ সকীয়াই দিছে। কৃত্ৰিম বান ৰোধৰ সন্দৰ্ভত অহা মঙলবাৰে উচ্চ ন্যায়ালয়ত শুনানি অগ্ৰসৰ হ'ব। তেতিয়ালৈকে চৰ্কাৰৰ বিভাগসমূহক আৱশ্যকীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি সকলো প্ৰাসংগিক তথ্য দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। ন্যায়ালয়ে কঠোৰ ভাষাত কয় যে নাগৰিকৰ প্ৰাণহানি আৰু আন্তঃগাঁথনিৰ সংকট ৰোৱাত চৰ্কাৰৰ ভূমিকা সন্দৰ্ভত মঙলবাৰৰ শুনানি বিশেষভাৱে গুৰুত্বপূৰ্ণ হ'ব।

# লিকটিয়া জীৱক পৰাস্ত

গগৈৰ মাজত বাকযুদ্ধ চলি আছে। মঙলবাৰে সংবাদ মেলত মুখ্যমন্ত্ৰীয়ে দাবী কৰিছিল যে তেওঁ শিৱসাগৰত নিৰ্বাচনী প্ৰচাৰ নকৰিলে কাৰণ অখিল গগৈ বিধানসভাত প্ৰয়োজন। এই দাবীৰ প্ৰত্যুত্তৰ দি বুধবাৰে অখিল গগৈয়ে তীব্ৰ সমালোচনা কৰি কয়, "মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া মিছলীয়া। শিৱসাগৰত তেওঁ দুখন বিশাল নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিছিল।" গগৈয়ে স্পষ্টভাৱে উল্লেখ কৰে যে ১৫ মাৰ্চত ঐতিহাসিক তলাতল ঘৰৰ প্ৰাংগণত প্ৰায় ২০ হাজাৰ মহিলাক লগত লৈ মুখ্যমন্ত্ৰীয়ে এখন বৃহৎ সভা পাতিছিল। তেওঁ কয়, "সেইদিনা মোৰ বুকু কঁপি গৈছিল। টিভিত সভা দেখি মই উপায়হীন হৈ ৰুমৰ পৰা সভালৈ গৈ নিজৰ উপস্থিতি প্ৰমাণ কৰিলো।" ইয়াৰোপৰি ৭ এপ্ৰিলত শিৱসাগৰ চহৰৰ বালিঘাট পথাৰত অনুষ্ঠিত আন এখন সভাতো মুখ্যমন্ত্ৰীয়ে অংশ লৈ দলীয় প্ৰাৰ্থী কুশল দুৱৰীৰ হৈ ভোট বিচাৰে। গগৈৰ মতে, সেই সভাত মুখ্যমন্ত্ৰীয়ে কুশল দুৱৰীক মঞ্চত উঠাই হাতত ভীমৰ গদা এটা লৈ থিয় কৰাই নিজৰ শক্তি প্ৰদৰ্শন কৰিছিল। "ইয়াৰ পৰাই প্ৰমাণ হয় যে মুখ্যমন্ত্ৰী শৰ্মা কেনেকৈ মিছা কথা কয়। তেওঁ কুশল দুৱৰীক ৩০ কোটি টকা খৰচ কৰাইছে, "বুলি অভিযোগ উত্থাপন কৰে অখিল গগৈয়ে। মুখ্যমন্ত্ৰীয়ে অখিল গগৈক 'বিধানসভাত প্ৰয়োজন' বুলি দিয়া মন্তব্যই যে তেওঁক পৰাস্ত কৰিব নোৱাৰি বদনাম কৰাৰ উদ্দেশ্যে প্ৰেৰিত, সেয়া গগৈয়ে এইদৰে কয়, "কংগ্ৰেছ, অজাপ, এআইইউডিএফকে ধৰি সকলোকে হৰুৱাই দিলে। কিন্তু অখিল গগৈ নামৰ এই লিকটিয়া জীৱটোক হৰুৱাব নোৱাৰিলে। সেয়েহে তেওঁলোকে বদনাম এটা দিয়াৰ পৰামৰ্শ লৈছে।" লগতে, মুখ্যমন্ত্ৰীয়ে গগৈৰ বিষয়ে কৈছিল যে তেওঁ পুৱা পীযূষ হাজৰিকাই ফোন কৰি বিধানসভাত কি ক'ব শিকায়। সেই প্ৰসঙ্গত অখিল গগৈয়ে সামাজিক মাধ্যমত তীব্ৰ আক্ৰমণ শানাই কয়, "হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া, হয় আপুনি ঠিকেই কৈছে। মই পীযূষ হাজৰিকাৰ নিৰ্দেশ মতেই বিধানসভাত আপোনাক কৈছিলো— 'আপুনি আদালতৰ পৰা ফাইল চুৰি কৰিহে বাচি আছে' আৰু 'আপুনি মানৱেন্দ্ৰ শৰ্মাৰ হত্যাকাৰী'।" উল্লেখ্য যে এইবোৰ বক্তব্য ইতিপূৰ্বে বিধানসভাৰ মজিয়াত অখিল গগৈয়ে ব্যক্ত কৰিছিল। শেষত গগৈয়ে গৌৰৱময়ভাৱে উল্লেখ কৰে যে শিৱসাগৰ আসনত বিজেপিৰ প্ৰাৰ্থী কুশল দুৱৰীক ১৭ হাজাৰতকৈ অধিক ভোটৰ ব্যৱধানত পৰাস্ত কৰি তেওঁ পুনৰ নিৰ্বাচিত হৈছে। "মুখ্যমন্ত্ৰীৰ দৰে ডাঙৰ ডাঙৰ নেতাৰ প্ৰচাৰ, কেন্দ্ৰীয় মেচিনেৰী আৰু কোটি কোটি টকা খৰচ কৰিও শিৱসাগৰৰ ৰাইজে মোক আকৌ জয়ী কৰালে। এতিয়া অজুহাত দিয়াত কোনো কাম নাই, "বুলি মন্তব্য কৰে অখিল গগৈয়ে।

# শুভেন্দু অধিকাৰীৰ ব্যক্তিগত সহায়ক চন্দ্ৰনাথ

নহওঁতেই ৰাজ্যজুৰি নিৰ্বাচনোত্তৰ হিংসাই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। বুধবাৰে নিশা কলকাতাৰ উত্তৰ প্ৰান্তত চমকপূৰ্ণ হত্যাকাণ্ড সংঘটিত হয়। অচিনাক্ত আক্ৰমণকাৰীয়ে বিজেপি নেতা তথা ভৱানীপুৰৰ নৱনিৰ্বাচিত বিধায়ক শুভেন্দু অধিকাৰীৰ ব্যক্তিগত সহায়ক চন্দ্ৰনাথ ৰথক গুলীয়াই হত্যা কৰে। এই ঘটনাই ৰাজ্যখনৰ ৰাজনীতিত চাঞ্চল্যৰ সৃষ্টি কৰাৰ লগতে আনিছে তীব্ৰ উত্তেজনা। উত্তৰ ২৪ পৰগনা জিলাৰ মধ্যমগ্ৰামৰ দোলতালা অঞ্চলৰ দোহৰিয়াত সংঘটিত হয় এই হত্যাকাণ্ড। সূত্ৰৰ মতে, মটৰচাইকেলযোগে অহা আক্ৰমণকাৰীয়ে ৰথৰ গাড়ীখন পিছে পিছে গৈ গাড়ীখন আগভেটি ধৰে। তাৎক্ষণিকভাৱে খিৰিকী ভেদি শূন্য দূৰত্বৰ পৰা গুলী চলাই চন্দ্ৰনাথ ৰথক আঘাত কৰে আৰু ঘটনাস্থলীৰ পৰা পলায়ন কৰে। সেই সময়ত ৰথ গাড়ীখনৰ ড্ৰাইভাৰৰ কাষৰ সন্মুখৰ চিটত বহি আছিল। গুলীচালনাত ৰথৰ লগতে ড্ৰাইভাৰজনো আহত হয়। বৰ্তমান তেওঁ কলকাতাৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন। চিকিৎসকসকলে তেওঁৰ অৱস্থা সংকটজনক বুলি জানিবলৈ দিছে। স্থানীয় সংবাদ মাধ্যমৰ প্ৰতিবেদন অনুসৰি, গুলী খাই গুৰুতৰভাৱে আহত অৱস্থাত ৰথক তৎক্ষণাৎ ওচৰৰ চিকিৎসালয়লৈ লৈ যোৱা হয়। কিন্তু চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। চিকিৎসক এগৰাকীয়ে কয়, "চন্দ্ৰনাথ ৰথৰ বুকুত একাধিক গুলী লাগিছিল। এটা গুলীয়ে তেওঁৰ হৃদযন্ত্ৰ ভেদ কৰে, আন এটাই পেটত আঘাত কৰে। অতি সংকটজনক অৱস্থাত তেওঁক অনা হৈছিল; জীৱন ৰক্ষাৰ কোনো সম্ভাৱনা নাছিল।" দলীয় সূত্ৰই জানিবলৈ দিয়া মতে, ভৱানীপুৰ সমষ্টিত শুভেন্দু অধিকাৰীৰ নিৰ্বাচনী প্ৰচাৰত চন্দ্ৰনাথ ৰথে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। এই সমষ্টিতে অধিকাৰীয়ে মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছ সৰ্বাধিনায়ক মমতা বেনাৰ্জীক পৰাস্ত কৰি চমকপ্ৰদ জয় লাভ কৰে। ঘটনাস্থলীত উপস্থিত হৈ বিজেপি নেতা তথা নৱনিৰ্বাচিত বিধায়ক কৌস্তৱ বাগচীয়ে সংবাদ মাধ্যমক কয়, "এই আক্ৰমণটো সম্পূৰ্ণ লক্ষ্যভিত্তিক। আক্ৰমণকাৰীয়ে ৰথৰ গাড়ীখন বহু সময় ধৰি অনুসৰণ কৰি গুলীচালনা কৰে। এয়া মমতা বেনাৰ্জী আৰু অভিষেক বেনাৰ্জীৰ কাম। অপৰাধী চিনাক্ত নোহোৱালৈকে আমি মৃতদেহটো দাহ নকৰোঁ।" আনহাতে, বিজেপিৰ নৱনিৰ্বাচিত বিধায়ক তৰুণজ্যোতি তেওঁৰীয়ে কয়, "আমি শান্তিপূৰ্ণভাৱে প্ৰচাৰ কৰি আহিছিলোঁ, কিন্তু তৃণমূল কংগ্ৰেছে আটাইতকৈ ডাঙৰ ভুল কৰিলে।" ঘটনাৰ খবৰ বিয়পি পৰাত অঞ্চলটোত বৃহৎ আৰক্ষী দল মোতায়েন কৰা হয়। ঘটনাস্থলীত উপস্থিত হৈ জ্যেষ্ঠ আৰক্ষী বিষয়াসকলে তদন্ত আৰম্ভ কৰে। আক্ৰমণকাৰীক চিনাক্ত কৰি হত্যাকাণ্ডৰ আঁৰৰ উদ্দেশ্য নিৰ্ণয় কৰাৰ প্ৰচেষ্টা চলি আছে।

# কংগ্ৰেছৰ সমৰ্থনত তামিলনাডুত চৰকাৰ গঠনৰ

গঠনৰ বাবে ভাৰতীয় জাতীয় কংগ্ৰেছে আনুষ্ঠানিকভাৱে সমৰ্থন আগবঢ়াইছে। বুধবাৰে কংগ্ৰেছ দলে এই ঘোষণা কৰাৰ লগতে ইয়াৰ বাবে এক বিশেষ চৰ্তও আৰোপ কৰে। দলটোৱে স্পষ্ট কৰে যে এই মিত্ৰজোঁটত কোনো ধৰণৰ সাম্প্ৰদায়িক শক্তিক স্থান দিয়া নহ'ব। তামিলনাডু কংগ্ৰেছৰ প্ৰভাৰী গিৰিশ চোডাংকাৰে জাৰি কৰা এক বিবৃতিত জনায় যে নিৰ্বাচনৰ ফলাফলৰ পিছত বিজয়ে কংগ্ৰেছৰ সহায় বিচাৰিছিল। কংগ্ৰেছৰ মতে এই নিৰ্বাচনী ফলাফল হৈছে এক ধৰ্মনিৰপেক্ষ আৰু প্ৰগতিশীল চৰকাৰৰ বাবে জনসাধাৰণে দিয়া ৰায়। তামিলনাডুৰ যুৱ প্ৰজন্মই বিজয়ক নেতৃত্ব দিয়াটো বিচাৰে বুলি উল্লেখ কৰি কংগ্ৰেছ বিধায়িনী দল আৰু প্ৰদেশ কংগ্ৰেছ সমিতিয়ে তেওঁক পূৰ্ণ সমৰ্থন দিয়া সিদ্ধান্ত গ্ৰহণ কৰে। তথাপি কংগ্ৰেছে চৰ্ত হিচাপে কয় যে তেওঁলোকৰ এই সমৰ্থন কেৱল তেতিয়াহে বাহাল থাকিব যদিহে ভাৰতীয় সংবিধানক নাজ্জান কৰা সাম্প্ৰদায়িক শক্তিবোৰক এই মিত্ৰজোঁটৰ পৰা আঁতৰাই ৰখা হয়। কংগ্ৰেছৰ এই মন্তব্য পোনপটীয়াকৈ ভাৰতীয় জনতা পাৰ্টি আৰু ইয়াৰ সহযোগী দলসমূহৰ প্ৰতি ইংগিত বহন কৰে। ২৩৪খন আসনৰ তামিলনাডু বিধানসভাত বিজয়ৰ দলে প্ৰথমবাৰ নিৰ্বাচনত অৱতীৰ্ণ হৈয়ে ১০৮খন আসন লাভ কৰিবলৈ সক্ষম হয়। চৰকাৰ গঠনৰ বাবে প্ৰয়োজনীয় ১১৮খন আসনৰ সংখ্যা লাভ কৰিবলৈ তেওঁলোকক আৰু ১০খন আসনৰ প্ৰয়োজন। ডিএমকেৰ সৈতে নিৰ্বাচনী জোটত পাঁচখন আসন লাভ কৰা কংগ্ৰেছৰ এই সমৰ্থন বিজয়ৰ বাবে এতিয়া অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে। কংগ্ৰেছে এই মিত্ৰতা কেৱল চৰকাৰ গঠনৰ বাবে কৰা এক বুজাবুজি বুলি অস্বীকাৰ কৰে। দলটোৰ মতে এই অংশীদাৰিত্বৰ এক ঐতিহাসিক দায়িত্ব আছে, আগন্তুক লোকসভা, ৰাজ্যসভা আৰু স্থানীয় নিৰ্বাচনসমূহলৈকে ই অব্যাহত থাকিব। কংগ্ৰেছে এই মিত্ৰতাক প্ৰাক্তন মুখ্যমন্ত্ৰী কে. কামৰাজৰ উত্তৰাধিকাৰ লগতে পেৰিয়াৰ আৰু বি.আৰ. আম্বেদকাৰৰ সামাজিক ন্যায়ৰ নীতিৰ সৈতে তুলনা কৰিছে। কংগ্ৰেছ নেতা ৰাহুল গান্ধী আৰু বিজয় দুয়োজনে জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণৰ বাবে একেলগে কাম কৰিবলৈ আগ্ৰহী বুলি বিবৃতিত উল্লেখ কৰা হয়। এই সমৰ্থনে তামিলনাডুৰ ৰাজনীতিত এক নতুন জঁটৰ সৃষ্টি কৰিছে। অহা দিনবোৰত চৰকাৰ গঠনৰ দিশত কি সিদ্ধান্ত লোৱা হয়, তাৰ প্ৰতি সমগ্ৰ ৰাজ্যই দৃষ্টি ৰাখিছে।

# পশ্চিমবংগৰ মুখ্যমন্ত্ৰী

লগা হৈছিল। কিন্তু ২০২৬ চনৰ নিৰ্বাচনে বিজেপিক এক চমকপ্ৰদ সফলতা প্ৰদান কৰিছে, যাৰ ফলত সমগ্ৰ দেশৰ ৰাজনৈতিক মহলত ই চৰ্চাৰ বিষয় হৈ পৰিছে। পশ্চিমবংগৰ মুঠ ২৯৪খন বিধানসভা আসনৰ ভিতৰত বিজেপিয়ে এককভাৱে ২০৬খন আসন দখল কৰিবলৈ সক্ষম হৈছে। এই ঐতিহাসিক বিজয়ৰ পাছত ৰাজ্যখনৰ ৰাজনৈতিক পটপৰিৱৰ্তন ঘটিছে আৰু এতিয়া মুখ্যমন্ত্ৰী কোন হ'ব— সেই সন্দৰ্ভত তীব্ৰ জল্পনা-কল্পনা আৰম্ভ হৈছে। কাৰণ নিৰ্বাচনৰ পূৰ্বে মুখ্যমন্ত্ৰী পদৰ বাবে বিজেপিয়ে কোনো নাম ঘোষণা কৰা নাছিল। এই অনিশ্চয়তাৰ অৱসান ঘটাবলৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ বৃহস্পতিবাৰে (৭ মে') পশ্চিমবংগলৈ যাব। প্ৰাপ্ত বিশেষ তথ্য অনুসৰি, গৃহমন্ত্ৰী শ্বাহৰ উপস্থিতিতেই বিজেপিৰ বিধায়ক দলৰ বৈঠক অনুষ্ঠিত হ'ব। এই বৈঠকতে বিধায়ক দলৰ নেতা নিৰ্বাচন কৰাৰ লগতে মুখ্যমন্ত্ৰী আৰু মন্ত্ৰীসভা গঠন সম্পৰ্কীয় গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হ'ব। শ্বাহে এই সন্দৰ্ভত শীৰ্ষ নেতৃত্বৰ লগত ব্যক্তিগতভাৱেও বৈঠক কৰিব বুলি ধাৰণা কৰা হৈছে। ইয়াৰ লগতে ৰাজ্যখনৰ শেহতীয়া আইন-শৃংখলা পৰিস্থিতি সন্দৰ্ভত অমিত শ্বাহে পশ্চিমবংগৰ আৰক্ষী প্ৰশাসনৰ সৈতে এক বৈঠকত মিলিত হোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে পশ্চিমবংগত অহা ৯ মে'ত শপত গ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হ'বলৈ ধাৰ্য কৰা হৈছে। সেয়ে ৮ মে'ত অনুষ্ঠিত হ'বলগীয়া বিধায়ক দলৰ বৈঠকতে সকলো দলীয় বিষয় সম্পৰ্কে চূড়ান্ত সিদ্ধান্ত লোৱাৰ উদ্দেশ্যেৰে বৃহস্পতিবাৰে সন্ধিয়া ভাগত শ্বাহ কলকাতাত উপস্থিত হ'ব। ইতিমধ্যে মঙলবাৰে বিজেপিৰ উচ্চ নেতৃত্বই অমিত শ্বাহক পশ্চিমবংগৰ বাবে কেন্দ্ৰীয় পৰ্যৱেক্ষক হিচাপে নিযুক্তি দিছে। লগতে ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিক সহ-পৰ্যৱেক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। এই নিযুক্তিয়ে ৰাজ্যখনত দলীয় শৃংখলা বজাই ৰাখি শক্তিশালী চৰকাৰ গঠনত সহায় কৰিব বুলি বিশ্লেষকসকলে মত পোষণ কৰিছে। অন্যান্য ৰাজ্যৰ ক্ষেত্ৰত বিজেপি নেতৃত্বই একেসময়তে আন দুগৰাকী নেতাকো কেন্দ্ৰীয় পৰ্যৱেক্ষক হিচাপে নিযুক্তি দিছে। কেন্দ্ৰীয় মন্ত্ৰী জেপি নাড্ডাক অসম বিধায়ক দলৰ নেতা নিৰ্বাচনৰ বাবে কেন্দ্ৰীয় পৰ্যৱেক্ষক আৰু হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়াব সিং ছৈনীক সহ-পৰ্যৱেক্ষক হিচাপে দায়িত্ব দিয়া হৈছে। এই অনুসৰি অসম আৰু পশ্চিমবংগত প্ৰায় একে সময়তে নতুন চৰকাৰ গঠনৰ প্ৰক্ৰিয়া সম্পন্ন হ'ব বুলি অনুমান কৰা হৈছে। পশ্চিমবংগৰ মন্ত্ৰীসভা গঠন সম্পৰ্কীয় সকলো দিশ বৃহস্পতিবাৰৰ বৈঠকে স্পষ্ট কৰিব বুলি আশা কৰা হৈছে। ইপিনে তৃণমূল কংগ্ৰেছৰ পৰা বিজেপিলৈ ক্ষমতা হস্তান্তৰৰ প্ৰক্ৰিয়াত বংগৰ জনসাধাৰণৰ মাজত যথেষ্ট উৎসুক্য পৰিলক্ষিত হৈছে।

# ডিমৌত পিষ্টল আৰু

অন্তৰ্গত বেজপথাৰ গাঁৱৰ বিৰেণ চেতিয়া ওৰফে ৰণ্টু অসম বুলি চিনাক্ত কৰা হৈছে। আজি এক সংবাদ মেল সম্বোধন কৰি শিৱসাগৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাপৰি চেতিয়া আৰু অতিৰিক্ত আৰক্ষী অধীক্ষক মইদুল ইছলামসহ আৰক্ষী বিষয়াই এই বিষয়ে সবিশেষ সদৰী কৰে। জ্যেষ্ঠ আৰক্ষী বিষয়াগৰাকীয়ে জনোৱা মতে, ধৃত বিৰেণ চেতিয়া সংগঠনটোৰ এজন সক্ৰিয় চাৰ্জেণ্ট পৰ্যায়ৰ কেডাৰ। তেওঁ পালেঙীৰ শেনছোৱা উপাধীৰ এজন ব্যক্তিৰ ঘৰত ভয়-ভাবুকি দি আশ্ৰয় লৈ থকাৰ গোপন তথ্য লাভ কৰি আৰক্ষীয়ে এই অভিযান চলাইছিল। অভিযান কালত তেওঁৰ পৰা ৭টা হেণ্ড গ্ৰেনেড, এটা বটল গ্ৰেনেড, এটা বেৰেটা পিষ্টল, ১০ জাঁই সক্ৰিয় গুলী আৰু নগদ ১৩, ৫০০ টকা জব্দ কৰা হয়। প্ৰাৰম্ভিক তদন্ত অনুসৰি, নাগালেণ্ডৰ দিশৰ পৰা অহা বিৰেণ চেতিয়াই কোনো বৃহৎ কূটাঘাতৰ আঁচনি লৈ জিলাখনত প্ৰৱেশ কৰিছিল। তেওঁ এই মাৰাত্মক অস্ত্ৰ-শস্ত্ৰসমূহ আন কোনোবা ব্যক্তিক হস্তান্তৰ কৰাৰ পৰিকল্পনা কৰিছিল যদিও আৰক্ষীৰ তৎপৰতাত সেই আঁচনি বিফল হয়। বৰ্তমান ধৃত কেডাৰজনক আৰক্ষীয়ে অধিক সোধা-পোছাৰ বাবে জিম্মাত লৈছে আৰু ইয়াৰ সৈতে জড়িত থকা অন্যান্য সংযোগসমূহৰ বিষয়ে তদন্ত অব্যাহত ৰাখিছে।

# মাজুলীত বন্যহস্তীৰ আক্ৰমণত আহত শালমৰা

মাজেদি দিঘলী গাৱঁত সোমাই ৰাইজক ভীতিগ্ৰস্ত কৰি তোলে। যাৰ পৰিপ্ৰেক্ষিতত বৃহত্তৰ দক্ষিণ বাসীয়ে আজি ধৰি দুনিশা উজাগৰি নিশা কটাব লগীয়া হয়। বন বিভাগৰ কৰ্ম্মীৰ বিশেষ তৎপৰতাত ৪ মে'ৰ নিশাই তিনিটাৰ ভিতৰত দুটা বন্যহস্তীক নিৰাপদে দক্ষিণপাট দিশৰ পৰা উজনি দিশলৈ উলিয়াই পঠাবলৈ সক্ষম হৈছিল যদিও তাৰে এটা দক্ষিণপাট পুৰনি সত্ৰ আৰু দিঘলী গাৱঁৰ মাজৰ হাবিত দিনটো লুকাই সোমাই থাকে বুলি জনা যায়। আজি পুৱতি নিশা হাবিৰ পৰা উলাই বন্যহস্তীটিয়ে দক্ষিণপাটৰ পৰা নদীৰ কাষৰীয়া পথৰে শালমৰাত প্ৰৱেশ কৰে। তেনে অৱস্থাতে প্ৰাতঃ ভ্ৰমণ কৰি থকা অৱস্থাত ১নং স্পাৰৰ ওচৰত গাঁও খনৰ দুগৰাকী মহিলাৰ এগৰাকীয়ে পিছৰ ফালৰ পৰা বন্যহস্তীটি অহা দেখা পাই — হাতী —হাতী বুলি চিঞৰি দৌৰি নিজৰ প্ৰান ৰক্ষা কৰে যদিও আন গৰাকী অৰ্থাৎ গাওঁখনৰ পোনা কলিতাৰ পত্নী ভুলু কলিতা (৫৫) নামৰ তিৰোতা গৰাকীক কিন্ত আক্ৰমণ কৰে। বন্যহস্তীটিৰ আক্ৰমণত তিৰোতা গৰাকী গুৰুত্ব ভাৱে আহত হয়। হাত, বুকু, মুৰ, পিঠি আদি কৰি শৰীৰ বিভিন্ন স্থানত আঘাত পোৱাত পৰিয়ালে ৰাইজৰ সহায়ত ততাতৈয়াকৈ যোৰহাট চিকিৎসালয়ত ভৰ্তি কৰায়। সম্প্ৰতি যোৰহাট চিকিৎসালয়ত চিকিৎসাধীন। দাৰিদ্ৰ সীমাৰেখাৰ পৰিয়ালটিক বিভাগীয় কতৃৰ্পক্ষক আৰ্থিক সাহায্য আগবঢ়াবলৈ মাজুলী জিলাৰ বিভিন্ন দ'ল সংগঠনে ইয়াৰে দাবী জনাইছে। ঘটনাৰ খবৰ পাই মাজুলী জিলা বন বিভাগৰ বিষয়া কৰ্ম্মচাৰীয়ে ঘটনাৰ স্থান পৰিদৰ্শন কৰি ঘটনাৰ বুজ লোৱাৰ উপৰিও আহত তিৰোতা গৰাকীৰ পৰিয়ালৰ খা খবৰ লয়।

# "হিটলাৰী কায়দাৰে সত্যক মিছা প্ৰমাণিত কৰিব

শাসকীয় পক্ষৰ বিৰুদ্ধে অপপ্ৰচাৰ চলোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰে। বুধবাৰে সংবাদ মাধ্যমৰ সন্মুখত তেওঁ কয়, "পদবী থাকক বা নাথাকক, ৰাইজৰ সেৱাত মই সদায় আছিলোঁ আৰু আগলৈকো একে নিষ্ঠাৰে থাকিম। কিন্তু মোৰ বিৰুদ্ধে চলাই থকা অপপ্ৰচাৰ অত্যন্ত দুৰ্ভাগ্যজনক।" শইকীয়াই স্পষ্টভাৱে কয় যে শাসকীয় পক্ষৰ 'শৰ্মা উপাধি ধাৰী এগৰাকী বিতৰ্কিত জ্যেষ্ঠ মুখপাত্ৰ' আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ বিৰুদ্ধে এক সুপৰিকল্পিত মানহানিকাৰী কৌশল ৰচি উলিয়াইছে। তেওঁ উল্লেখ কৰে, "প্ৰথমে মই আমাৰ অভ্যন্তৰীণ বৈঠকত লোকসভাৰ সাংসদ হ'বলৈ হুলস্থুল কৰা বুলি মিছা কথা উৰুৱাই দিয়া হৈছিল। কালি মুখ্যমন্ত্ৰীয়ে পুনৰ মোক সাঙুৰি বিতৰ্কিত মন্তব্য দিছে। মই এইবোৰ বিষয়ত বেছি কথা ক'ব নিবিচাৰোঁ। কিন্তু আমাৰ কংগ্ৰেছৰ নিষ্ঠাৱান কৰ্মীসকলক হতাশ কৰিবলৈ যি অপপ্ৰচাৰ আৰু হিটলাৰী কায়দা চলাইছে, সেয়া মোৰ ক্ষেত্ৰত কেতিয়াও সফল নহ'ব।" প্ৰাক্তন বিৰোধী দলপতিগৰাকীয়ে 'গোৱেলছিয়ান' নীতি উদ্ধাৰ কৰি কয়, "একেটা মিছা কথা ১০০বাৰ কৈ সত্য সাজিবৰ এই অসাৰ কৌশল ব্যৰ্থ হ'ব। সত্যৰ সদায় জয় হয়।" শইকীয়াই নিজৰ পৰাজয়ত সকাহ অনুভৱ কৰা বুলিও স্বীকাৰ কৰে। তেওঁ আৱেগিকভাৱে কয়, "যোৱা ডেৰ দশকত গুৱাহাটী আৰু নাজিৰাৰ মাজত যাত্ৰা কৰোঁতে কান্ধত গধুৰ দায়িত্ব আৰু মনত চাপ লৈ ফুৰিছিলোঁ। আজি সেই চাপৰ পৰা অলপ সকাহ পালোঁ। নাজিৰাবাসীয়ে নতুনকৈ নিৰ্বাচিত কৰা বিধায়ক ময়ূৰ বৰগোঁহায়লৈ মোৰ আন্তৰিক শুভেচ্ছা। তেওঁ ৰাইজৰ আশা পূৰণ কৰিব সক্ষম হওক।" শেষত তেওঁ পুনৰ প্ৰতিশ্ৰুতি দি কয় যে ৰাইজৰ সেৱাত তেওঁ আপোষ কৰা নাই আৰু নাজিৰাৰ লগত তেওঁৰ সম্পৰ্ক চিৰদিন অটুট থাকিব।

# গোৱালপাৰাত উচ্চতৰ মাধ্যমিকৰ নামভৰ্তিত দৰিদ্ৰ সীমাৰেখাৰ তলৰ ছাত্ৰ-ছাত্ৰীৰ পৰা মাচুল লোৱাৰ অভিযোগ

**গোৱালপাৰা জিলা আয়ুক্ত স্মাৰক পত্ৰ প্ৰেৰণ সচেতন মহলৰ**

**অসম বাৰ্তা, গোৱালপাৰা, ৬ মে’** ঃ গোৱালপাৰা চহৰত অৱস্থিত পৃথিৰাম চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ নামভৰ্তিৰ সময়ত দৰিদ্ৰ সীমাৰেখাৰ তলৰ বি.পি.এল কাৰ্ড থকা ছাত্ৰ-ছাত্ৰীৰ পৰা অবৈধভাৱে ৮০০ টকা কৈ মাচুল সংগ্ৰহ কৰাৰ গুৰুত্বৰ অভিযোগ উত্থাপন হৈছে। এই সন্দৰ্ভত প্ৰাক্তন আমছু নেতা তথা যুৱ সমাজ সেৱক আনিমুল হক চৌধুৰীয়ে আজি গোৱালপাৰা জিলা আয়ুক্তৰ ওচৰত এখন স্মাৰক পত্ৰ দাখিল কৰে। স্মাৰক পত্ৰ অনুসৰি, বিগত ৩০ এপ্ৰিল তাৰিখে বিদ্যালয়খনত উচ্চতৰ মাধ্যমিকৰ নামভৰ্তিৰ সময়ত বি.পি.এল কাৰ্ডধাৰী ছাত্ৰ-ছাত্ৰীৰ পৰা প্ৰতি জনে ৮০০ টকাকৈ সংগ্ৰহ কৰা হৈছিল। চৰকাৰী নিয়ম অনুসৰি দৰিদ্ৰ সীমাৰেখাৰ তলৰ ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি সম্পূৰ্ণ বিনামূলীয়াকৈ হ’ব লাগিছিল যদিও এই ক্ষেত্ৰত সেই নিয়ম উলংঘন কৰা হৈছে বুলি আনিমুল হক চৌধুৰীয়ে অভিযোগ উত্থাপন কৰে। অভিযোগত উল্লেখ কৰা অনুসৰি, নামভৰ্তিৰ ৰছিদত “Total Nil” বুলি উল্লেখ থকাৰ পিছতো কেনেদৰে আৰু কিহৰ ভিত্তিত ৮০০ টকা সংগ্ৰহ কৰা হ’ল, সেই বিষয়টো সন্দেহজনক বুলি তেওঁ উল্লেখ কৰে। এই ঘটনাক লৈ সংশ্লিষ্ট কৰ্তৃপক্ষৰ ভূমিকা সন্দৰ্ভতো প্ৰশ্ন উঠিছে। ইয়াৰ উপৰি, স্মাৰক পত্ৰখনত ঘটনাটোৰ সঠিক তদন্ত কৰি অধ্যক্ষ গৰাকীৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে জিলাখনৰ সকলো চৰকাৰী বিদ্যালয় আৰু মহাবিদ্যালয়ত নামভৰ্তি প্ৰক্ৰিয়া সম্পূৰ্ণ বিনামূলীয়া কৰাৰ দাবী জনোৱা হৈছে। লগতে, দুখীয়া ছাত্ৰ-ছাত্ৰীৰ পৰা সংগ্ৰহ কৰা মাচুল অতি শীঘ্ৰেই ঘূৰাই দিয়াৰ ব্যৱস্থা কৰিবলৈ প্ৰশাসনৰ ওচৰত জোৰ দাবী উত্থাপন কৰিছে আনিমুল হক চৌধুৰীয়ে। আনহাতে, এই একে বিষয়ক লৈ গোৱালপাৰা জিলা আয়ুক্তক এখনি লিখিত স্মাৰক পত্ৰ প্ৰেৰণ কৰে গোৱালপাৰা জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ এটি সঁজাতি দলে। স্মাৰক পত্ৰত উল্লেখ কৰা মতে, বিদ্যালয়খনৰ অধ্যক্ষই উচ্চতৰ মাধ্যমিকৰ নামভৰ্তিৰ বাবে প্ৰতি জনে ৮০০ টকাকৈ মাচুল সংগ্ৰহ কৰি আছে বুলি অভিযোগ উত্থাপন কৰা হৈছে। সংগঠনটোৱে কয় যে, সকলো চৰকাৰী নীতি-নিয়ম ভংগ কৰি এইদৰে ধন সংগ্ৰহ কৰা হৈছে আৰু ইয়াৰ বাবে অধ্যক্ষৰ বিৰুদ্ধে তৎকালীনভাৱে বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনায় সংগঠনটোৱে। উল্লেখযোগ্য যে, এই অভিযোগসমূহে জিলাখনত শিক্ষা ব্যৱস্থাৰ স্বচ্ছতা আৰু চৰকাৰী নীতি-নিয়ম পালন সন্দৰ্ভত পুনৰ গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন হৈছে।

# অসম বিধানসভাত নাথ যোগীৰ একমাত্ৰ প্ৰতিনিধি কিশোৰ নাথক মন্ত্ৰীত্ব প্ৰদানৰ আহ্বান নাথ যোগী সংগঠনৰ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৬ মে’** ঃ সদ্য সমাপ্ত অসম বিধানসভাৰ নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টি নেতৃত্বাধীন মিত্ৰজোঁটৰ ঐতিহাসিক বিজয়ক নাথ যোগী সকলৰ অন্যতম সংগঠন অসম প্ৰাদেশিক যোগী সন্মিলনীয়ে উষ্ম আদৰণি আৰু অভিনন্দন জ্ঞাপন কৰিছে। বুধবাৰে সংগঠনটোৰ সভাপতি ধীৰেন নাথ আৰু সাধাৰণ সম্পাদক গুণজিৎ কুমাৰ নাথে এক বিবৃতি যোগে উল্লেখ কৰিছে যে এই বিজয় অসমৰ সৰ্বকালৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ভৱিষ্যদৰ্শী সুদক্ষ নেতৃত্বৰ বিজয়, অসমৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ স্বধিকাৰ ৰক্ষাৰ বিজয়, অসমৰ চহকী সংস্কৃতি আৰু পৰম্পৰা ৰক্ষাৰ বিজয়, অসমক বহিৰাগত বাংলাদেশী প্ৰব্ৰজনকাৰীৰ চৰণীয়া পথাৰ হোৱাৰ পৰা উদ্ধাৰ কৰাৰ বিজয়, বেদখলকাৰীৰ কবলৰ পৰা অসমৰ উৰ্বৰ কৃষিভূমি উদ্ধাৰ কৰাৰ বিজয় আৰু অসমৰ অভূতপূৰ্ব ধাৰাবাহিক উন্নয়ন আৰু প্ৰগতিৰ বিজয়। বিবৃতিটোত লগতে কৈছে যে বিগত নিৰ্বাচনটোত বিজেপি দলে নাথযোগী সকলৰ দুগৰাকীকৈ প্ৰাৰ্থী কিশোৰ নাথ আৰু ডাঃ মুকুট নাথক প্ৰাৰ্থীত্ব প্ৰদান কৰাৰ বাবে সন্মিলনীয়ে বিজেপি দলৰ শীৰ্ষ নেতৃত্বক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে। তেওঁলোকে আৰু কয় যে ইয়াৰে ধিং সমষ্টিৰ প্ৰাৰ্থী গৰাকী নিৰ্বাচনত পৰাজয় বৰণ কৰিলেও অসমৰ নাথযোগী সমাজ তেওঁক লৈ গৌৰৱান্বিত কিয়নো ৯০ শতাংশ ধৰ্মীয় সংখ্যালঘু প্ৰধান সমষ্টিটোত ডাঃ মুকুট নাথৰ দৰে এগৰাকী সমৰ্পিত নাথযোগী ব্যক্তিয়ে সনাতন সভ্যতা আৰু ধৰ্মৰ পতাকাখন অতি সাহসিকতাৰে উৰুৱাই ৰাখিছিল। আনহাতে সংগঠনটোৰ সভাপতি, সাধাৰণ সম্পাদক প্ৰমুখ্যে অন্য নেতা কৰ্মীয়ে মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মা আৰু ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াক এইবাৰ বৰখলা বিধানসভা সমষ্টিৰ পৰা ১ লাখ ২ হাজাৰতকৈ অধিক ভোট লাভ কৰি বিজয়ী হৈ অহা বিজেপি প্ৰাৰ্থী তথা অসম বিধানসভাৰ একমাত্ৰ নাথযোগী বিধায়ক কিশোৰ নাথক আগন্তুক মন্ত্ৰীসভাত এগৰাকী কেবিনেট মন্ত্ৰী হিচাপে অন্তৰ্ভুক্ত কৰিবলৈ বিনয়েৰে অনুৰোধ জনাইছে। তেওঁলোকে লগতে কৈছে যে স্বাধীনতাৰ ৭৮টা বছৰত জনগোষ্ঠীটোৱে এগৰাকীও মন্ত্ৰী পাবলৈ সক্ষম হোৱা নাই। সেয়েহে এইবাৰ কিশোৰ নাথক মন্ত্ৰিত্বৰ পদ প্ৰদান কৰি অসমৰ উন্নতিকল্পে নিজকে নিয়োজিত কৰিবলৈ সুযোগ প্ৰদান কৰিব লাগে। মুখ্যমন্ত্ৰী মহোদয়ৰ এই সহানুভূতিয়ে অসমৰ প্ৰতিগৰাকী নাথ যোগী ব্যক্তিৰ মনৰ আশা পূৰণ কৰিব লগতে জনগোষ্ঠীটো চিৰদিনলৈ কৃতজ্ঞ হৈ থাকিব বুলি উল্লেখ কৰিছে অসম প্ৰাদেশিক যোগী সন্মিলনীয়ে।

**১৩ মে’ৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত হ’ব ব’হাগী উৎসৱ**

# যুৱ মঞ্চ, টংলাৰ ব’হাগী উৎসৱৰ লাইখুঁটা স্থাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৬ মে’** ঃ ওদালগুৰি জিলাৰ অন্যতম স্বেচ্ছাসেৱী অনুষ্ঠান যুৱ মঞ্চ, টংলাৰ উদ্যোগত অহা ১৩ মে’ৰ পৰা তিনিদিনীয়াকৈ টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেল পথাৰত অনুষ্ঠিত হ’ব ব’হাগী উৎসৱ। সেই উপলক্ষে আজি দিনৰ ১১ বজাত ৰভা আৰু মঞ্চৰ লাইখুঁটা স্থাপন কৰা হয়। যুৱ মঞ্চৰ সভাপতি প্ৰবীণ হাজৰিকা, বিহু উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি অমিতাভ স্বৰ্গহাৰী আৰু যুটীয়া সাধাৰণ সম্পাদক ক্ৰমে দিগন্ত চহৰীয়া আৰু ৰিংকু ডেকাৰ লগতে কৰ্ম কৰ্তা সকলৰ উপস্থিতিত মাংগলিক নীতি নিয়মেৰে শঙ্খ, ঘণ্টা বজাই লাইখুঁটা স্থাপন কৰে। উল্লেখযোগ্য যে, ১৩ মে’ত যুৱ মঞ্চ, টংলা সভাপতিৰ প্ৰবীণ হাজৰিকাই যুৱ মঞ্চৰ পতাকা উত্তোলন আৰু তাৰ পিছতে ব’হাগী উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি অজয় ডেকাই বিহু পতাকা উত্তোলনৰে উক্ত তিনিদিনীয়া অনুষ্ঠানৰ শুভাৰম্ভণি হ’ব। ইয়াৰ পিছত ক্ৰমে স্মৃতি তৰ্পণ, হিয়াৰ আমঠু জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠান, শিশুৰ খেল - ধেমালি আৰু চিত্ৰাংকণ প্ৰতিযোগিতা, শিশু আৰু চেমনীয়াৰ একক বিহু নাচ প্ৰতিযোগিতা আৰু বঁটা দাতাৰ লগতে বিশিষ্ট ব্যক্তিৰ সম্বৰ্দ্ধনা অনুষ্ঠানৰে সামৰণি পৰে। ১৪ মে’ দ্বিতীয় দিনা আবেলি ৪ বজাত অসম ভিত্তিত মুকলি বিহু প্ৰতিযোগিতা অনুষ্ঠিত হ’ব। বিটিচিৰ পাৰিষদ দিগন্ত বৰুৱাই উদ্বোধন কৰিবলগীয়া মুকলি বিহুত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব ওদালগুৰি জিলাৰ জিলা আয়ুক্ত জয় বিকাশ আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক পদ্মনাভ বৰুৱা। উক্ত প্ৰতিযোগিতাত অসমৰ আগশাৰীৰ কেইবাটাও বিহু দলে অংগ্ৰহণ কৰিব। আনহাতে ১৫ মে’ৰ অন্তিম দিনাৰ সন্ধিয়া ৭ বজাত বন্তি প্ৰজ্বলন আৰু সন্ধিয়া ৮ বজাৰ পৰা সাংস্কৃতিক সন্ধিয়াৰ কাৰ্য্যসূচীত হিয়াৰ আমঠো জুবিন গাৰ্গৰ স্মৃতিত ‘যন্ত্ৰ’’ৰ শিল্পী সকলৰ গীত পৰিৱেশন আৰু ৰঞ্জিত গগৈৰ দলীয় বিহু নাচ প্ৰদৰ্শন কৰা হ’ব বুলি বিহু উদ্‌যাপন সমিতিয়ে জানিব দিয়ে। উদযাপন সমিতিয়ে ৰাইজৰ সহযোগ কামনা কৰিছে।

**অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তি বিশেষৰ সম্বৰ্ধনা গ্ৰহণ**

# দৰঙৰ ঐতিহ্যমণ্ডিত খটৰা সত্ৰত সেৱা জনাই বিজয় উৎসৱত অংশগ্ৰহণ ছিপাঝাৰৰ নৱনিৰ্বাচিত বিধায়ক ড° পৰমানন্দ ৰাজবংশীৰ

**অসম বাৰ্তা, দেওমৰনৈ, ৬ মে’** ঃ ছিপাঝাৰ বিধানসভা সমষ্টিৰ পৰা দ্বিতীয়বাৰৰ বাবে নিৰ্বাচিত হোৱা পৰমানন্দ ৰাজবংশীয়ে আজি দুপৰীয়া দৰং জিলাৰ ঐতিহ্যমণ্ডিত খটৰা সত্ৰত উপস্থিত হৈ ৰঘুনাথৰ শ্ৰীচৰণত আশিস লয়। ইয়াৰ পিচতে সত্ৰ পৰিচালনা সমিতিয়ে বিধায়ক গৰাকীক সম্বৰ্ধনা জ্ঞাপন কৰে। সম্বৰ্ধনা গ্ৰহণ কৰি ড° ৰাজবংশীয়ে দৰঙৰ ঐতিহ্যমণ্ডিত খটৰা সত্ৰৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাই গ্ৰহণ কৰা পদক্ষেপ শীঘ্ৰে বাস্তৱত ৰূপ দিয়া হ’ব বুলি প্ৰকাশ কৰি এইক্ষেত্ৰত সত্ৰ পৰিচালনা সমিতি তথা ৰাইজৰ সহযোগিতা কামনা কৰে। ইয়াৰ পিচতে তেওঁ দলীয় কৰ্মী-সমৰ্থকসহ সমদল কৰি পাথৰিঘাট বিজেপিৰ মণ্ডল কাৰ্যালয়ত প্ৰৱেশ কৰাৰ লগতে দুনী কৃষ্টি সংঘ প্ৰাংগণত দলীয় কৰ্মী-সমৰ্থকৰ উপস্থিতি অনুষ্ঠিত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰে। দৰং জিলা পৰিষদৰ প্ৰাক্তন সভাপতি ধীৰেন্দ্ৰ নাথ ডেকাই আঁত ধৰা সভাত শতাধিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে ব্যক্তিবিশেষে দ্বিতীয় বাৰলৈ নিৰ্বাচিত বিধায়ক ড° পৰমানন্দ ৰাজবংশীক বিপুল সম্বৰ্ধনা জ্ঞাপন কৰে। ভাষণত তেওঁ দ্বিতীয়বাৰলৈ বিপুল ভোটত নিৰ্বাচিত কৰি ৰাইজৰ সেৱা কৰাৰ সুযোগ দিয়া বাবে ছিপাঝাৰ সমষ্টিৰ ৰাইজৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰে। কংগ্ৰেছ দলক তীব্ৰ ভাষাৰে সমালোচনা কৰি তেওঁ পাকিস্তানৰ এজেণ্ট গৌৰৱ গগৈৰ দলক ৰাইজে প্ৰত্যাখ্যান কৰিছে বুলি কয়।

# শ্ৰীৰামপুৰত নৈৰ পৰা মৃতদেহ উদ্ধাৰ, আৰক্ষীৰ তদন্ত অব্যাহত

**অসম বাৰ্তা, গোসাঁইগাঁও, ৬ মে’** ঃ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত শ্ৰীৰামপুৰত এক শোকাৱহ ঘটনা সংঘটিত হৈছে। আজি হাৰাপুটা নৈৰ পৰা এজনী মহিলাৰ মৃতদেহ উদ্ধাৰ কৰা হয়। স্থানীয় সূত্ৰ অনুসৰি ঘটনাটোৰ খবৰ লাভ কৰাৰ পাছত শিমুলটাপু আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। মৃত মহিলাগৰাকীক মুনু কুমাৰী সাঁও বুলি চিনাক্ত কৰা হৈছে। পৰিয়ালৰ লোকৰ মতে তেওঁ মানসিকভাৱে অসুস্থ আছিল আৰু লগতে মৃগী ৰোগতো আক্ৰান্ত আছিল। জানিব পৰা মতে নিশা প্ৰায় তিনি বজাৰ সময়ত তেওঁ ঘৰৰ পৰা ওলাই গৈছিল। ঘটনাস্থলীত শিমুলটাপু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জীৱ সন্দিকৈ উপস্থিত থাকে। পিছত মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে কোকৰাঝাৰলৈ প্ৰেৰণ কৰা হয়। উক্ত ঘটনাক কেন্দ্ৰ কৰি আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে আৰু মৃত্যুৰ প্ৰকৃত কাৰণ জানিবলৈ অধিক অনুসন্ধান অব্যাহত ৰাখিছে।

**বিষয়া-কৰ্মচাৰীক ধন্যবাদ জিলা আয়ুক্তৰ**

# নিৰ্বাচন সমাপ্ত: গোৱালপাৰা জিলা প্ৰশাসনৰ সফলতাত সন্তুষ্টি

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ৬ মে’** ঃ সদ্য সমাপ্ত ‘অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচন ২০২৬’ অত্যন্ত সফল আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন হোৱাৰ পিছত আজি গোৱালপাৰা জিলা প্ৰশাসনে এক স্বপৰ্যালোচনা সভা অনুষ্ঠিত কৰে। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাগৃহত অনুষ্ঠিত এই সভাত জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া প্ৰদীপ টিমুংএ নিৰ্বাচনী প্ৰক্ৰিয়াৰ সৈতে জড়িত প্ৰতিগৰাকী বিষয়া-কৰ্মচাৰীক তেওঁলোকৰ নিষ্ঠা আৰু কঠোৰ শ্ৰমৰ বাবে আনুষ্ঠানিকভাৱে ধন্যবাদ জ্ঞাপন কৰে। জিলাখনৰ চাৰিওটা বিধানসভা সমষ্টি ক্ৰমে— ১২নং জলেশ্বৰ, ১৩ নং গোৱালপাৰা পশ্চিম (অনুসূচীত জনজাতি), ১৪নং গোৱালপাৰা পূৱ আৰু ১৫নং দুধনৈ (অনুসূচীত জনজাতি)ৰ মুঠ ১০১০টা ভোটগ্ৰহণ কেন্দ্ৰত ভাৰত নিৰ্বাচন আয়োগৰ নীতি-নিৰ্দেশনা অনুসৰণ কৰি শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ আৰু ভোটগণনা সম্পন্ন কৰা হয়। জিলা আয়ুক্ত গৰাকীয়ে মন্তব্য কৰে যে নিৰ্বাচনৰ দৰে এক বিশাল আৰু স্পৰ্শকাতৰ দায়িত্ব কেৱল বিষয়া-কৰ্মচাৰীসকলৰ সবল দায়িত্ববোধৰ বাবেহে সুচাৰুকৈ পৰিচালনা কৰাটো সম্ভৱ হৈ উঠিছে। সভাত জিলা আয়ুক্তই বিশেষকৈ নিৰ্বাচনী দায়িত্বত থকা মহাবিদ্যালয়ৰ অধ্যাপকসকল, বিদ্যালয়ৰ শিক্ষকসকল, জিলা প্ৰশাসন আৰু বিভিন্ন বিভাগৰ কৰ্মচাৰীসকল এই আটাইবোৰৰে সক্ৰিয় সহযোগিতাক প্ৰশংসা কৰে। আনহাতে, জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰী সকলে জিলা আয়ুক্ত প্ৰদীপ টিমুঙৰ বলিষ্ঠ নেতৃত্ব, সঠিক দিশ-নিৰ্দেশনা আৰু সক্ৰিয় ভূমিকাৰ শলাগ লয়। তেওঁলোকে মত প্ৰকাশ কৰে যে আয়ুক্ত গৰাকীৰ উৎসাহজনক নেতৃত্বই তেওঁলোকক একাগ্ৰতাৰে কাম কৰিবলৈ অনুপ্ৰাণিত কৰিছিল। এইবাৰৰ নিৰ্বাচনত নতুনকৈ নিযুক্তি লাভ কৰা কেইবাগৰাকীও বিষয়া-কৰ্মচাৰীয়ে প্ৰথমবাৰৰ বাবে নিৰ্বাচনী কৰ্তব্য পালন কৰি যথেষ্ট অভিজ্ঞতা লাভ কৰা বুলি জানিবলৈ দিয়ে। তেওঁলোকে জ্যেষ্ঠ বিষয়া সকলৰ পৰা লাভ কৰা দিহা-পৰামৰ্শৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে। আজিৰ এই পৰ্যালোচনা সভাত জিলা উন্নয়ন আয়ুক্ত প্ৰণৱ কুমাৰ বৰা, অতিৰিক্ত জিলা আয়ুক্তসকল, ৰাজহ চক্ৰ বিষয়াসকল, সহকাৰী আয়ুক্তসকলৰ লগতে জিলা প্ৰশাসনৰ অন্যান্য উচ্চপদস্থ বিষয়া-কৰ্মচাৰী সকল উপস্থিত থাকে।

# গোলকগঞ্জত বিজেপিৰ বৃহৎ বিজয়, উল্লাসেৰে মুখৰিত সমষ্টি

**অসম বাৰ্তা, গোলকগঞ্জ, ৬ মে’** ঃ ৰাজ্যত পুনৰবাৰ ভাৰতীয় জনতা পাৰ্টি আৰু ইয়াৰ মিত্ৰজোঁটে শক্তিশালী সংখ্যাগৰিষ্ঠতা লাভ কৰি ৰাজনৈতিক ক্ষেত্ৰত নিজৰ আধিপত্য সুদৃঢ় কৰিছে। মুঠ ১০২খন আসনত জয়লাভ কৰি এই জোঁটটোৱে চৰকাৰ গঠন কৰাৰ পথ সুগম কৰিছে। ইয়াৰ মাজতে গোলকগঞ্জ বিধানসভা সমষ্টিত বিজেপিৰ প্ৰাৰ্থী অশ্বিনী ৰায় চৰকাৰে এক গুৰুত্বপূৰ্ণ বিজয় লাভ কৰে। তেওঁ নিজৰ নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ কাৰ্তিক চন্দ্ৰ ৰায়ক ৩০, ৭৮২টা ভোটত পৰাজিত কৰে। অশ্বিনী ৰায় চৰকাৰে মুঠ ১, ১০, ৫৩৩টা ভোট লাভ কৰে, বিপৰীতে কাৰ্তিক চন্দ্ৰ ৰায়ে লাভ কৰে ৭৯, ৭৫১টা ভোট। বিজয়ৰ পিছতেই সমষ্টিটোত ব্যাপক উল্লাসৰ দৃশ্য দেখা যায়। বৰষুণৰ মাজতো হাজাৰ হাজাৰ সমৰ্থকে ঢোল-পেঁপা বজাই, আবিৰ সানি নাচি-বাগি আনন্দ প্ৰকাশ কৰে। ফলত সমগ্ৰ অঞ্চলটো উৎসৱমুখৰ পৰিৱেশেৰে মুখৰিত হৈ উঠে। স্থানীয় ৰাইজে এই ফলাফলক ‘‘ঐতিহাসিক বিজয়’’ বুলি অভিহিত কৰিছে। উল্লেখযোগ্য ফলাফল আৰু শক্তিশালী জনসমৰ্থনৰ বাবে এই জয় বিশেষ তাৎপৰ্যপূৰ্ণ বুলি গণ্য কৰা হৈছে। বিজয়ৰ পিছত অশ্বিনী ৰায় চৰকাৰে কয় যে, এই ফলাফল উন্নয়ন আৰু স্থিৰ চৰকাৰৰ প্ৰতি জনতাৰ আস্থাৰ প্ৰতিফলন। তেওঁ লগতে আশ্বাস দিয়ে যে আগন্তুক দিনত গোলকগঞ্জ সমষ্টিত উন্নয়নৰ গতি অধিক তীব্ৰ কৰা হ’ব। তেওঁ উল্লেখ কৰে যে পথ-ঘাট উন্নয়ন, নদী বান্ধ, হাট-বজাৰ, নগৰ আৰু গাঁও উন্নয়ন, লগতে শান্তি আৰু সুৰক্ষাৰ ক্ষেত্ৰত দ্ৰুত অগ্ৰগতি সাধন কৰা হ’ব। এই বিজয়ৰ ফলত অঞ্চলটোত উন্নয়নৰ নতুন দিগন্ত মুকলি হ’ব বুলি স্থানীয় ৰাইজে আশা প্ৰকাশ কৰিছে।

**জিলা আয়ুক্তলৈ স্মাৰক পত্ৰ প্ৰেৰণ**

# চেলেংহাটত আটাছুৰ প্ৰতিবাদী সভা




**অসম বাৰ্তা, চেলেংহাট, ৬ মে’** ঃ আজি যোৰহাট জিলাৰ চেলেংহাট কলিয়াপানী তিনি আলিত সদৌ টাই আহোম ছাত্ৰ সন্থাৰ চেলেংহাট আঞ্চলিক সমিতিৰ উদ্যোগত এখন প্ৰতিবাদী সভা অনুষ্ঠিত হয়। বৰ্তমান সময়ত ধোদৰ আলি নিৰ্মাণ কাৰ্য্য সম্পাদন কৰি থকা বাহিৰাগত কোম্পানী বি চি চি ইনফ্ৰা প্ৰজেক্টৰ বিপক্ষে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে উক্ত সভাই। উল্লেখযোগ্য যে ০২ মে তাৰিখে ঐতিহাসিক ধোঁদৰ আলি নিৰ্মাণকাৰী কোম্পানীটোৰ গুণ্ডাবাহিনীয়ে দিন দুপৰতে দুজন খিলঞ্জীয়া যুৱকক বৰ্ষৰতাৰে আক্ৰমণ কৰাত উক্ত দুইজন যুৱক বৰ্তমান চিকিৎসাধীন হৈ আছে। সভাই উক্ত যুৱক দুজনক উপযুক্ত চিকিৎসা আৰু ক্ষতিপূৰণ দিয়াৰ লগতে এই ঘটনাৰ লগত জড়িত দোষী ব্যক্তিৰ দৃষ্টানমূলক শাস্তি দিয়াৰ দাবী উত্থাপন কৰে। সভাৰ অন্তত চেলেংহাট আঞ্চলিক আটাচুৱে টীয়ক ৰাজহ চক্ৰ বিষয়াৰ যোগেদি যোৰহাট জিলা আয়ুক্ত লৈ আঞ্চলিকৰ সভাপতি ৰাহুল গগৈ আৰু সম্পাদক পলাশ প্ৰতিম তামোলী স্বাক্ষৰিত এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। পত্ৰখনত সংগঠনটোৱে উল্লেখ কৰে যে জিলা প্ৰশাসন আৰু অসম চৰকাৰে ভূমি অধিগ্ৰহণৰ ক্ষতিপূৰণৰ ধন মুকলাই দিয়া, কোম্পানীটোত স্থানীয়জন সম্পৰ্কৰক্ষী বিষয়া নিয়োগ, কোম্পানীত বিশ শতাংশ স্থানীয় যুৱক নিয়োগ আৰু কোম্পানীটোৰ কৰ্মচাৰীৰ দাদাগিৰি বন্ধ কৰাৰ দাবী উত্থাপন কৰি ইয়াক কাৰ্যকৰী নকৰিলে সংগঠনটোৱে তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰে।

# বীৰ জোৱান দীপছিং পাতৰক আদৰণি ৰহাৰ ৰূপহীতলীৰ ৰাইজৰ

**অসম বাৰ্তা, ৰহা, ৬ মে’** ঃ সুদীৰ্ঘ ৪১টা বছৰ দেশমাতৃৰ সেৱা কৰি অৱসৰ লৈ নিজ গৃহলৈ অহা ৰহাৰ এগৰাকী বীৰ জোৱানক আজি ব্যতিক্ৰমী ৰূপত আদৰণি জনালে ৰাইজে। ৰহাৰ ৰূপহীতলীৰ বাসিন্দা তথা জম্মু-কাশ্মীৰত বি এছ এফৰ জোৱান হিচাপে কৰ্মৰত হৈ থকা দীপছিং পাতৰে সুদীৰ্ঘ ৪১ বছৰ ৪ মাহ ১৪ দিন দেশমাতৃৰ বাবে সেৱা আগবঢ়াই অৱসৰ লৈ ৰহাৰ নিজ গৃহত আজি উপস্থিত হয়হি। জোৱান পাতৰ আজি নিজ গৃহলৈ উভতি আহিব বুলি জানিয়েই পুৱাৰে পৰা ৰূপহীতলীৰ ৰাইজে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছিল। বিয়লি ৫ বজাত জোৱানজন ৰূপহীতলীত উপস্থিত হোৱাৰ পিচতে গাঁৱৰ ৰাইজ আৰু পৰিয়ালবৰ্গই ঢোল-খোল-নাগাৰা আৰু বেণ্ড পাৰ্টি বজাই নৃত্য-গীতেৰে আনন্দ-উল্লাস কৰে আৰু তেওঁক গামোচা, জাপি, শৰাই আদিৰে উষ্ম আদৰণি জনাই ঘৰলৈ শোভাযাত্ৰা কৰি লৈ আহে। ঘৰত উপস্থিত হোৱাৰ পিচত পৰিয়ালবৰ্গ তথা ৰাইজে কেক কাটিও আনন্দ কৰে। দেশমাতৃৰ হকে সেৱা আগবঢ়াই অৱসৰ লোৱা এজন জোৱানক গাঁওবাসীয়ে ব্যতিক্ৰমী ৰূপত জনোৱা এই আদৰণি তথা সন্মানৰ বাবে সকলোৱে প্ৰশংসা কৰিছে।

# ৯ মে’ত অসমত উপস্থিত হ’ব কেন্দ্ৰীয়

একেইদিনা অসমলৈ আহিব। নিৰ্বাচন পৰৱৰ্তী প্ৰক্ৰিয়া সুস্থুভাৱে সম্পন্ন কৰিবলৈ কেন্দ্ৰীয় পৰ্যৱেক্ষকদ্বয়ৰ উপস্থিতিত বিজেপি বিধায়ক দলৰ বৈঠক অনুষ্ঠিত হ’ব। এই বৈঠক অনুষ্ঠিত হ’ব ১০ মে’ত। সেইদিনা বিজেপিৰ বিধায়কসকলে দলৰ নেতা নিৰ্বাচন কৰাৰ লগতে মুখ্যমন্ত্ৰী আৰু মন্ত্ৰীসভা গঠন সম্পৰ্কীয় প্ৰাথমিক আলোচনাত মিলিত হ’ব। ১০ মে’ৰ বিজেপি বিধায়ক দলৰ বৈঠক সমাপ্ত হোৱাৰ কিছু সময়ৰ পাছতে অনুষ্ঠিত হ’ব এনডিএৰ গুৰুত্বপূৰ্ণ বৈঠক। এই বৈঠকত বিজেপিৰ লগতে এনডিএৰ সহযোগী দল অসম গণ পৰিষদ (অগপ) আৰু বড়োলেণ্ড জনতা প্ৰ’ (বিপিএফ)ৰ নৱনিৰ্বাচিত বিধায়কসকলে অংশগ্ৰহণ কৰিব। মৰ্চাৰ যৌথ বৈঠকতে মুখ্যমন্ত্ৰী পদৰ নাম চূড়ান্ত কৰাৰ লগতে মন্ত্ৰীসভাৰ ভাগ-বাঁটোঠিক চূড়ান্ত ৰূপ দিয়া হ’ব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে ৯ মে’ত অসমত উপস্থিত হোৱা পৰ্যৱেক্ষক জে পি নাড্ডা আৰু নায়ব সিং ছৈনীৰ উপস্থিতিতেই এই দুই বৈঠক সম্পন্ন হ’ব। একেদিনাই গুৱাহাটীত এনডিএৰ সকলো জয়ী প্ৰাৰ্থীয়ে একত্ৰিত হ’ব বুলি সূত্ৰই নিশ্চিত কৰিছে। ৯ মে’ৰ ভিতৰতে গুৱাহাটীলৈ আহিব জয়ী প্ৰাৰ্থীসকল।

# মাজুলীৰ কমলাবাৰী ৰঙালী বিহু সন্মিলনীৰ উদ্যোগত ১০ মে’ত ‘কমলাবাৰী ৰঙালী উৎসৱ-২৬’’ৰ ব্যাপক প্ৰস্তুতি

**অসম বাৰ্তা, উজনী মাজুলী, ৬ মে’** ঃ মাজুলীৰ প্ৰধান ব্যৱসায়িক অঞ্চল কমলাবাৰী ৰঙালী বিহু সন্মিলনীৰ উদ্যোগত বৃহত্তৰ কমলাবাৰী অঞ্চলৰ ৰাইজৰ সহযোগত অহা ২৬ বহাগ ১০ মে’ত এদিনীয়া কাৰ্যসূচীৰে ‘কমলাবাৰী ৰঙালী উৎসৱ-২৬’ৰ আয়োজন কৰিছে। এই উপলক্ষ্যে আজি মাজুলী ক্ৰীড়াক্ষেত্ৰ কমলাবাৰীত উক্ত ৰঙালী উৎসৱৰ সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। কমলাবাৰী ৰঙালী বিহু সন্মিলনীৰ অস্থায়ী মণ্ডপত আজি পুৱা ১১ বজাৰ পৰা অনুষ্ঠিত হোৱা উদযাপন সমিতিৰ সভাত ইতিপূৰ্বে গঠন কৰা দহখন কৈ উপ সমিতি সমূহক আনুষ্ঠানিক ভাৱে দায়িত্ব অৰ্পণ কৰা হয়। উদযাপন সমিতিৰ সম্পাদক বসন্ত শইকীয়াই আত ধৰা সভাত উপসভাপতি উৎপল শইকীয়া, প্ৰতাপ বৰুৱা, কাৰ্যকৰী সভাপতি ভৰত শইকীয়া, সাধাৰণ সম্পাদক সঞ্জীৱ শৰ্মা,

**উপ-সমিতি সমূহক দায়িত্ব অৰ্পণ**

যুটীয়া সম্পাদক দেৱজিত জানমণি বৰুৱা, সাংস্কৃতিক সম্পাদক ধ্ৰুৱজ্যোতি বৰা, দীপু বৰা, বিশিষ্ট পৰিৱেশকৰ্মী অতুল হাজৰিকাকে মুখ্য কৰি বিভিন্ন বিষয়ববীয়া আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। আয়োজিত সমিতিয়ে জানিবলৈ দিয়া অনুসৰি উক্ত ৰঙালী উৎসৱত মুকলি বিহু, সাংস্কৃতিক শোভাযাত্ৰা, চিত্ৰাংকন প্ৰতিযোগিতা, জেং বিহু প্ৰতিযোগিতা, সৰু বিহুৱতী প্ৰতিযোগিতা, বঁটা বিতৰণী আৰু সম্বৰ্ধনা অনুষ্ঠানৰ পিছতে সন্ধিয়া ৮ বজাৰ পৰা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ’ব। সাংস্কৃতিক সন্ধ্যাত স্থানীয় শিল্পীৰ লগতে কণ্ঠশিল্পী নিৰ্মালী দাস আৰু মনোজ মনে গীত পৰিৱেশন কৰিব।

**❑ অনুৰাগী যুৱক পৰাশমণি ডেকাৰ প্ৰশংসনীয় পদক্ষেপ ❑**

# ৰহাৰ সৰাগাঁও অন্তৰ্গত ৰজাগাঁৱত জুবিন গাৰ্গৰ আৱক্ষ মূৰ্তি উন্মোচন

**অসম বাৰ্তা, ৰহা, ৬ মে’** ঃ ৰহাৰ দক্ষিণ সৰাগাঁৱৰ ৰজাগাঁও বুঢ়া নামঘৰৰ বকুলতলত হিয়াৰ আমঠু জুবিন গাৰ্গৰ এটা আৱক্ষ মূৰ্তি উন্মোচন ত কৰা হয়। দক্ষিণ সৰাগাঁৱৰ উদ্যমী যুৱক পৰাশমণি ডেকাৰ উদ্যোগত ৰজাগাঁৱৰ যুৱকবৃন্দ আৰু স্থানীয় ৰাইজৰ সহযোগত এই উপলক্ষে কালি আয়োজিত উন্মোচনী অনুষ্ঠানত হিয়াৰ আমঠু জুবিন গাৰ্গৰ আৱক্ষ মূৰ্তিটো আনুষ্ঠানিকভাৱে উন্মোচন কৰে ৰহা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক যতীন্দ্ৰ কুমাৰ পাৰৈয়ে। উন্মোচক পাৰৈয়ে অসমৰ সংগীত জগতৰ লগতে দেশৰ সংগীত ক্ষেত্ৰখনলৈকো অভূতপূৰ্ব বৰঙণি আগবঢ়াই যোৱা জুবিন গাৰ্গৰ সৃষ্টি আৰু আদৰ্শৰ ওপৰত আলোকপাত কৰি আগত এশ বছৰলৈকো জুবিনৰ দৰে এজন শিল্পী পোৱাটো সম্ভৱ নহয় বুলি কয়। মধ্য অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সম্পাদক ৰাতুল ৰাজবংশীয়ে আঁত ধৰা অনুষ্ঠানটোত ৰহা আঞ্চলিক সাংবাদিক সন্থাৰ সভাপতি দীপক কুমাৰ শৰ্মা, সম্পাদক পংকজ বৰা, ৰহা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সঞ্জয় কুমাৰ কাকতি, মধ্য অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ ৰহা আঞ্চলিকৰ সভাপতি মনোজ ডেকা, ভাৰপ্ৰাপ্ত সম্পাদক বৃন্দাবন বৰা, অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰফুল্ল চন্দ্ৰ বৰদলৈ, মধ্য অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ মহিলা সমিতিৰ সভানেত্ৰী দীপন্তি ৰাজবংশী, সংবাদিক চয়েল খেতান, নামঘৰীয়া বুলন চন্দ্ৰ ডেকা আৰু সুচেন ডেকাৰ উপৰি আৱক্ষ মূৰ্তি নিৰ্মাতা মনোজ কোঁৱৰ আৰু অঞ্চলৰ বহু গণ্য-মান্য ব্যক্তি তথা ৰাইজ উপস্থিত থাকে। উল্লেখযোগ্য যে জুবিনক প্ৰাণভৰি ভালপোৱা অঞ্চলটোৰ উদ্যমী যুৱক পৰাশমণিয়ে ব্যক্তিগত উদ্যোগত এই আৱক্ষ মূৰ্তিটো নিৰ্মাণ কৰাই উলিয়াইছে। জুবিনৰ মৃত্যুৰ দিনাৰ পৰাই নামঘৰৰ সমীপৰ বকুলজোপাৰ তলত পৰাশমণি, স্থানীয় যুৱকবৃন্দ আৰু ৰাইজে জুবিনৰ প্ৰতিচ্ছবিৰ সন্মুখত নিতৌ পুৱা-গধূলি চাকি-বন্তি জ্বলাই অহাৰ পিচত অৱশেষত এই স্থানতে পৰাশমণিয়ে স্থায়ীভাৱে এই মূৰ্তিটো স্থাপন কৰি প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰে।

# টিৰাপ সংৰক্ষিত বনাঞ্চলত লাইকাবাসীক পুনঃসংস্থাপনৰ বিৰোধিতা ফানেং, কেনিয়া, বালিজান ভূমি সুৰক্ষা সমিতিৰ

## বহু কেইটা দল-সংগঠনৰ অংশগ্ৰহণ



**অসম বাৰ্তা বিশেষ, জাগুন, ৫ মে’** ঃ শেহতীয়াকৈ তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা ৰাজহ চক্ৰ অধীনৰ টিৰাপ মৌজাৰ অন্তৰ্গত ফানেং, কেনিয়া, বালিজানকে ধৰি কেইবাখনো গাঁৱৰ ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়া প্ৰকাশ পোৱা দেখা গৈছে। কিয়নো তিনিচুকীয়া জিলাৰ ডিগবৈ বন সংমণ্ডলৰ অধীনৰ লেখাপানী আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত টিৰাপ সংৰক্ষিত বনাঞ্চলত লাইকাৰ প্ৰায় ৩৬০টা বানবিধ্বস্ত পৰিয়ালক অসম চৰকাৰে পুনঃসংস্থাপন দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰি প্ৰস্তুতি আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে। এই ক্ষেত্ৰত বনাঞ্চল খনৰ কাষতে লাগি থকা ফানেং, কেনিয়া, বালিজানকে ধৰি কেইবাখনো গাঁৱৰ ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়া সৃষ্টি হোৱা দেখা গৈছে। কিয়নো ফানেং কেনিয়া আৰু বালিজান গাঁও কেইখন ভাৰতবৰ্ষৰ স্বাধীনতা-উত্তৰ কালতে প্ৰতিষ্ঠা লাভ কৰা গাওঁ। এই তিনিখন গাঁৱৰ সৈতে আন দুখন লগলাগি বৰ্তমান পাঁচখন গাঁও এক বিস্তীৰ্ণ এলেকাৰ ভিতৰত বিভিন্ন জাতি-জনগোষ্ঠী, ভাষা-ভাষীক লোকে শান্তি-সম্প্ৰীতিৰ ডোলেৰে বসবাস কৰি আহিছে। এই গাঁও কেইখনৰ জনসাধাৰণৰ জীৱিকাৰ একমাত্ৰ সমল হৈছে কৃষি। কৃষি কৰ্মৰ জৰিয়তেই গঞা ৰাইজে অতীজৰে পৰা জীৱন নিৰ্বাহ কৰি আহিছে। উক্ত গাঁও কেইখন টিৰাপ নৈ আৰু টিৰাপ সংৰক্ষিত বনাঞ্চলৰ মাজতেই অৱস্থিত। পাহাৰীয়া খৰস্ৰোতা টিৰাপ নৈৰ কৰাল গ্ৰাসত খহনীয়াৰ কবলত পৰি বহু পৰিয়াল ইতিমধ্যে কৃষি ভূমি হেৰুৱাই প্ৰায় নিঃশেষ হোৱাৰ পথত। আনফালে টিৰাপ সংৰক্ষিত বনাঞ্চলখন সুৰক্ষাৰ স্বাৰ্থত অঞ্চলটোৰ ভূমিহীন লোকসকলে আজিকোপতি কোনো ধৰণৰ বেদখল কৰা নাই, বৰঞ্চ বনাঞ্চল খনক সুৰক্ষা প্ৰদান কৰি আহিছে। তেনেস্থলত তিনিচুকীয়া জিলা প্ৰশাসন আৰু অসম চৰকাৰৰ বন বিভাগে লাইকাৰ বানবিধ্বস্ত তিনি শতাধিক পৰিয়ালক ফানেং, কেনিয়া আৰু বালিজান গাঁৱৰ দাঁতিকাষৰীয়া সংৰক্ষিত বনাঞ্চল এলেকাত পুনৰ সংস্থাপন দিব বিচৰাটো কিমান দূৰ গ্ৰহণযোগ্য। অসম চৰকাৰে গ্ৰহণ কৰা এই সিদ্ধান্তক আমি বৃহত্তৰ ফানেং কেনিয়া আৰু বালিজান গাঁৱৰ ৰাইজে তীব্ৰ বিৰোধিতা কৰিছোঁ। আজি এই সংবাদ মেলৰ জৰিয়তেও জিলা প্ৰশাসন আৰু সংশি-ষ্ট বিভাগক বান বিধ্বস্ত লাইকা বাসী পৰিয়াল কেইটাক অন্য সুৰক্ষিত ঠাইত পুনঃসংস্থাপন দিবলৈ গাঁৱৰ ৰাইজৰ লগতে ফানেং, কেনিয়া, বালিজান ভূমি সুৰক্ষা সমিতিয়ে আহ্বান তথা দাবী উত্থাপন কৰিছে। অন্যথা স্থানীয় দল সংগঠন তথা স্থানীয় ৰাইজৰ সহযোগত তীব্ৰ গণতান্ত্ৰিক প্ৰতিবাদ সাব্যস্ত কৰিবলৈ প্ৰস্তুত তথা বাধ্য হ’ব বুলি সংবাদ মেলৰ জৰিয়তে জানিবলৈ দিয়ে। আজিৰ এই সংবাদ মেলত বীৰ লাচিত সেনা, টাই আহোম যুৱ পৰিষদ, গোৰ্খা ছাত্ৰ সন্থা, সদৌ অসম ছাত্ৰ সন্থা, সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থা, সোণোৱাল কছাৰী ছাত্ৰ সন্থা, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি আদি কৰি বহু কেইটা সংগঠনৰ নেতৃত্ব উপস্থিত থাকি অসম চৰকাৰৰ এনে ধৰণৰ হঠকাৰী সিদ্ধান্তক তীব্ৰ ভাষাৰে গৰিহণা জনোৱাৰ লগতে প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ এখন বনাঞ্চল ধ্বংস নকৰি বিগত সময়ছোৱাত অবৈধ বেদখল উচ্ছেদ কৰা হাজাৰ হাজাৰ বিঘা চৰকাৰী ভূমিত অসমৰ ভূমিপুত্ৰ মিচিং জনগোষ্ঠীৰ লগতে ৰাজ্যৰ খিলঞ্জীয়া ভূমিহীন লোকসকলক পুনসংস্থাপন কৰিবলৈ দাবী জনায়। এনে ধৰণৰ কথাক যদি অসম চৰকাৰে গুৰুত্ব আৰোপ নকৰি বলপূৰ্বক ভাৱে যদি লাইকা বাসীক উক্ত অঞ্চলত পুনঃ সংস্থাপনৰ চেষ্টা চলায় তেন্তে সকলো দল সংগঠনৰ তীব্ৰ গণতান্ত্ৰিক প্ৰতিবাদৰ সন্মুখীন সাজু থাকক বুলি সংবাদ মেল যোগে জানিবলৈ দিয়ে।

# পাঁচো ৰজা-সাতো ৰজাৰ এক ব্যতিক্ৰমী উৎসৱ

## গোসাঁই উলিওৱা মেলা

**অসম বাৰ্তা, ৰহা, ৪ মে’** ঃ ঐতিহাসিক ৰহিয়াল বৰুৱাৰ পাঁচো ৰাজ্য জাগীয়াল গোহাঁইৰ সাতো ৰাজ্যৰ বসতিস্থলী বৰ্তমান মধ্য অসমৰ বিশেষকৈ নগাঁও-মৰিগাঁও জিলাত এক ব্যতিক্ৰমী উৎসৱ গোসাঁই উলিওৱা মেলা। প্ৰকৃতিৰ চিৰ বিনন্দীয়া ৰূপ লাৱণ্যৰে উপচি পৰে ব’হাগ মাহ। প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যৰে চাৰিওফালে মনোমোহা হৈ পৰা প্ৰকৃতিৰ এই সৌন্দৰ্যময় পৰিৱেশত চিৰ সুন্দৰ হয় বসুন্ধৰা। কুলি-কেতেকীৰ অনাবিল সুৰীয়া মাতৰ সুবাসেৰে আকাশ-বতাহ মুখৰিত হৈ পৰে। এনে এক মধুময় পৰিৱেশৰ মাজতেই গৰিমামণ্ডিত পাঁচো ৰজা, সাতোৰজাবিজড়িত বুকুত এই ব’হাগ মাহটোৰ এক মহান উৎসৱ গোসাঁই উলিওৱা মেলা। চিৰ প্ৰবহমান গতিত এই অঞ্চলসমূহৰ ৰজা-মন্ত্ৰী, বিষযা বৰ্গ তথা ডা-ডাঙৰীয়াসকলে নিৰ্দিষ্ট দিনত গোসাঁই উলিওৱা মেলা পৰম্পৰাগত ৰীতি-নীতি আৰু নিয়ম অনুসৰি পালন কৰি ধৰি ৰাখিছে। পাঁচো ৰজাৰ ৰাজ্যসমূহ বুলি ক’লে- টোপাকুছি, বাৰপূজীয়া, মিকিৰ গাঁও, সৰা আৰু খাইগড়। ঠিক সাতো ৰজাৰ ৰাজ্যসমূহ হৈছে গোভা, ঘগুৱা, কুমৈ, বঘৰা, তৰাণি, দমাল, তেঁতেলীয়া। এই ঐতিহ্যমণ্ডিত ৰাজ্যসমূহৰ ভিতৰত পাঁচো ৰাজ্যৰ ৰজাসকলৰ ভিতৰত টোপাকুছি ৰজাই প্ৰথমে অতি পৰম্পৰাগতভাৱে ৰীতি-নীতিৰে পহিলা ব’হাগৰ দেওবাৰে বুঢ়া গোসাঁই উলিওৱা মেলা অনুষ্ঠিত কৰে। প্ৰবাদ আছে যে বুঢ়া গোসাঁই অৰ্থাৎ ব’হাগৰ প্ৰথম দেওবাৰে মেলা নোলোৱালৈকে পাঁচো ৰাজ্যৰ আন আন ৰজা, ডা-ডাঙৰীয়াই অন্যান্য ঠাইত মেলা নুলিয়ায়। জনবিশ্বাস মতে বুঢ়া গোসাঁই নোলোৱাকৈ কৃষকে পথাৰত কৃষি কৰ্মৰ পৰাও বিৰত থাকে। পাঁচো ৰাজ্যৰ বুঢ়া গোসাঁই টুপাকুছি মেলা ব’হাগৰ প্ৰথম দেওবাৰে উলিওৱাৰ পাছত মঙলবাৰে বাৰপূজীয়া ৰজাই বাৰপূজীয়াত গোসাঁই উলিওৱা মেলা অনুষ্ঠিত কৰে। ঠিক একেদৰে পৰম্পৰাগত ৰীতি-নীতিৰে বাৰপূজীয়া গোসাঁই উলিওৱা মেলা মঙলবাৰে হয়, বৃহস্পতিবাৰে মিকিৰ গাঁৱৰ ৰজাই মিকিৰ গাঁৱত গোসাঁই উলিওৱা মেলা অনুষ্ঠিত কৰে। গৰিমামণ্ডিত সৰাৰজাই ব’হাগ মাহৰ তৃতীয় মঙলবাৰে তাহানিৰ পৰাই পৰম্পৰাগত ৰীতি-নীতি, নিয়ম অনুসৰি গোসাঁই উলিওৱা মেলা অৰ্থাৎ “টোকুৰা কটা” মেলা অনুষ্ঠিত কৰি আহিছে। খাইগড় ৰজায়ো খাইগড়ত ব’হাগ মাহৰ শেষৰ মঙলবাৰে গোসাঁই উলিওৱা মেলা পৰম্পৰাগত ৰীতি-নীতি অনুসৰি অনুষ্ঠিত কৰি আহিছে। ঠিক একেদৰে সৰাৰাজ্যত কটহগুৰি, ৰূপহীতলী, কাকমাৰী, কঁহিগুৰি, পূব সৰাগাঁও, পশ্চিম শালমাৰা ৰাইজৰ সহযোগত ঐতিহাসিক সৰাবিলৰ পাৰৰ ঐতিহাসিক শিৱ মন্দিৰৰ বাকৰিতো ব’হাগ মাহৰ শেষত গোসাঁই উলিওৱা মেলা অনুষ্ঠিত কৰি আহিছে। আমি যদি চাওঁ ইতিহাসৰ সেই পাঁচো ৰজাই অনুষ্ঠিত কৰা গোসাঁই উলিওৱা মেলাৰ তাৎপৰ্য অতি সুকীয়া আৰু এক ঐতিহাসিক বৈশিষ্ট্যও নথকা নহয়। ইতিহাসপ্ৰসিদ্ধ সৰাৰাজ্যৰ ৰজা সমৰ সিংহ ডেকাই বিগত বছৰসমূহৰ দৰে এই বছৰো তাহানিৰ গৰিমাৰে পৰিপূৰ্ণ সৰামেলা ব’হাগৰ তৃতীয় মঙলবাৰে টোকুৰা কটা গোসাঁই উলিওৱাৰ মেলা পূৰ্ণ প্ৰস্তুতি চলাইছে। সৰামেলা সৰাগাঁৱৰ ৰজাগাঁও নামঘৰৰ পৰাই গোসাঁই আনে ই এক বিশেষ পৰম্পৰাগ ৰীতি-নীতি, নিয়মভাৱে। ব’হাগৰ তৃতীয় মঙলবাৰৰ ‘টোকুৰা কটা গোসাঁই উলিওৱা মেলা’ সৰা ৰাজ্যৰ ঐক্য সমন্বয় আৰু একতাৰ প্ৰতীক। ৰজাগাঁও নামঘৰৰ সমাজখনে উক্ত মেলাৰ মূল দায়িত্ব পালন কৰি আহিছে। প্ৰত্যেক বছৰে মেলাৰ দিনা ৰাতি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অপূৰ্ব সৃষ্টিৰাজি অংকীয়া ভাওনা প্ৰদৰ্শন কৰি আহিছে আৰু এই বছৰো মেলাৰ দিনা অংকীয়া ভাওনা কৰাৰ বাবে পূৰ্ণগতিত আখৰা চলাই আছে। সৰাৰজা সমৰ সিংহ ডেকা, নামঘৰীয়া বুলন ডেকা, বায়ন চন্দ্ৰ কান্ত ডেকা, গায়ন জোমন ডেকা (মনু), বিশিষ্ট সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰবীণ চন্দ্ৰ ডেকা, সমাজকৰ্মী চুচেন ডেকা, তুলেন্দ্ৰ ডেকা, সৰা ৰজা পুত্ৰ সমাজকৰ্মী অপূৰ্ব ডেকা (সোণমণি) সমাজ কৰ্মী গৌতম প্ৰসাদ ডেকা, ৰিপুঞ্জয় বৰদলৈ আৰু মহিলা কোষৰ দীপন্তি ৰাজবংশীকে আদি কৰি মহিলা কোষৰ সকলো সদস্যই উক্ত গোসাঁই উলিওৱা মেলাত ঐক্য সমন্বয় আৰু একতাত যেন কোনো ধৰণৰ ব্যাঘাত নহয় তাৰ বাবে জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে অঞ্চলৰ সকলো ৰাইজৰ পূৰ্ণ সহায় সহযোগিতা আৰু আলোচনা কৰি যাউতিযুগীয়া গোসাঁই উলিওৱা মেলাখন সৰ্বাংগ সুন্দৰকৈ পৰিচালনা কৰিবলৈ এখন শক্তিশালী সমিতিও গঠন কৰিছে। পৰম্পৰাৰে গোসাঁইভাগ ৰজাগাঁও নামঘৰৰ পৰাই নাম- কীৰ্তন, ধূপ-ধুনা, বায়ন গায়নেৰে সৰাগাঁও মধ্য ইংৰাজী বিদ্যালয়ৰ খেলপথাৰত (সকলোৰে মুখে মুখে প্ৰচলিত) সৰাগাঁও ৰাস মহোৎসৱৰ বাকৰিলৈকে গোসাঁই ভাগক আনে। উক্ত ঠাইত যথেষ্ট সময় হৰি নাম কীৰ্তন কৰি ৰখাৰ পাছত পুনৰ পৰম্পৰাগত ৰীতি-নীতিৰে ৰজা গাঁও নামঘৰলৈ নিয়ে। ৰাতি প্ৰত্যেক বছৰে মহাপুৰুষ গুৰুজনাৰ অন্যতম সৃষ্টি -কৃষ্টি-সংস্কৃতিৰ মহা প্ৰতীক অংকীয়া ভাওনাৰ প্ৰদৰ্শন কৰে। বিশেষকৈ নতুন প্ৰজন্মক উক্ত অংকীয়া ভাওনাত শীৰ্ষ স্থান প্ৰদানত গুৰুত্ব দিয়া হয়। ইযেন এক অতি শৃংখলাবদ্ধ এক মহান পবিত্ৰ অনুষ্ঠান। এই মেলাৰ বিশেষ তাৎপৰ্য এয়াই যে কলপাতৰ ৰভাৰ তলতেই অতি ভক্তিৰে গোসাঁইক ৰাখে বা গোসাঁই উলিওৱা হয়। আটাইতকৈ গুৰুত্বপূৰ্ণ যে ৰজাগাঁও নামঘৰৰ পৰাই গোসাঁইভাগক অনাৰ লগতে সৰাৰজাকো বায়ন গায়ন, নাম কীৰ্তন, ধূপ-ধুনা আদিৰে মেলাস্থলীলৈ আদৰি আনে। সৰাৰাজ্যত উল্লেখনীয় কেইবাখনো পবিত্ৰ স্থান আছে- জংকাশাল, বামন গোসাঁই থান, খৰা শিল গোসাঁই থান, চাৰিখন উল্লেখযোগ্য গৰিমা মণ্ডিত বিল সৰাবিল, ৰণথলি বিল, শিঙিমাৰী বিল, সাৰতলী বিল তদুপৰি দুটা ঐতিহাসিক জান ৰোগীয়াজান আৰু সৰা জান আছে। পাঁচো ৰাজ্য-সাতোৰাজ্য সমূহত গোসাঁই উলিওৱা মেলা অনুষ্ঠিত কৰাৰ মূল উদ্দেশ্য ব্ৰহ্মাণ্ডৰ ৩৩ কোটি দেৱতাক উপাসনা কৰি স্মৰণ কৰা বিশেষকৈ নিজৰ নিজৰ উপাস্য দেৱতাক। প্ৰবাদ আছে অৰ্থাৎ জনবিশ্বাস মতে যদি উক্ত ৰাজ্যসমূহৰ ৰজা, ডা-ডাঙৰীয়া, বিষয়ববীয়া, মন্ত্ৰী আদিয়ে গোসাঁই উলিওৱা নহয়। তেন্তে ৰাজ্যৰ প্ৰজাৰ উপৰি তেওঁলোকৰ অপায়-অমংগলে দেখা দিয়ে। সেয়ে তাহানিৰ আহোম ৰজা দিনৰ পৰা মধ্য অসমৰ জনসাধাৰণে গোসাঁই উলিওৱা মেলা বৰ আগ্ৰহেৰে ভক্তিভাৱে পালন কৰে। এই মেলা ঐক্য সমন্বয় আৰু একতাৰ প্ৰতীক। সকলো জাতি-জনগোষ্ঠী বৰ্ণ, ধৰ্ম কোনো প্ৰভেদ নাই। যাক লৈ ন-পুৰণি প্ৰজন্মৰ এক মধুৰ সম্বন্ধ সুদৃঢ় হৈ এক ন-গতিৰে গতি কৰি আহিছে ন-ন ৰূপত। অনাগত দিনতো ই চিৰ প্ৰবহমান গতিৰে বৈ থাকিব। আহক ঐতিহাসিক পাঁচো-সাতো ৰজাৰ ৰাজ্যৰ মেলা উপভোগ কৰোঁ।

# একেৰাহে তৃতীয় বাৰলৈ নিৰ্বাচিত গহপুৰৰ বিজেপি প্ৰাৰ্থী উৎপল বৰা

**অসম বাৰ্তা, গহপুৰ, ৫ মে’** ঃ একেৰাহে তৃতীয় বাৰৰ বাবে অসম বিধানসভালৈ নিৰ্বাচিত হৈছে ৭২ নং গহপুৰ বিধানসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী উৎপল বৰা। আজি ঘোষিত ফলাফলত বিজেপি প্ৰাৰ্থী উৎপল বৰাই সৰ্বমুঠ ৯৬৫৮২টা ভোট লাভ কৰি ৫২৭২২টা ভোটৰ ব্যৱধানত বিপুল জয় সাব্যস্ত কৰিবলৈ সক্ষম হৈছে। উৎপল বৰাৰ নিকটতম প্ৰতিদ্বন্দ্বী ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী ডাঃ শংকৰজ্যোতি কুটুমে সৰ্বমুঠ ৪৩৮৬০টা ভোট লাভ কৰে। ইউ পি পি এলৰ প্ৰাৰ্থী নিত্যানন্দ বসুমতাৰীয়ে ৩২০৪টা ভোট লাভ কৰাৰ বিপৰীতে নিৰ্দলীয় প্ৰাৰ্থী হেমন্ত বিজয় মহন্তই ১৪৩৫টা ভোট লাভ কৰে। অন্যহাতেদি নটাত ১৮৭৩টা ভোট পৰে।

## □ ডাঃ আছিফ মহম্মদ নাজাৰৰ বৃহৎ জয় □

# ৪৭ বছৰীয়া ইতিহাস অক্ষুণ্ণ ৰাখি পুনৰ লাহৰীঘাট সমষ্টিত কংগ্ৰেছৰ জয়যাত্ৰা

**অসম বাৰ্তা, ভূৰাগাঁও, ৫ মে’** ঃ মৰিগাঁও জিলাৰ তিনিটা সমষ্টিৰ ৫২ নং, জাগীৰোড সমষ্টি আৰু ৫৪ নং মৰিগাঁও সমষ্টিটো বিজেপিৰ হাতলৈ যোৱাৰ বিপৰীতে ৫৩ নং লাহৰীঘাট সমষ্টিটো পুনৰ গ’ল কংগ্ৰেছৰ ডাঃ আছিফ মহম্মদ নাজাৰৰ হাতলৈ। উল্লেখ্য যে লাহৰীঘাট সমষ্টি টোৰ মুঠ ভোটাৰৰ সংখ্যা আছিল ৩, ০১, ৫৮১ জন। ভোট দানৰ হাৰ আছিল ৯৬.৭০ শতাংশ। আজি ঘোষিত ফলাফল অনুসৰি ডাঃ আছিফ মহম্মদ নাজাৰে ১৬৯২১২ ভোট লাভ কৰাৰ বিপৰীতে এ আই ইউ ডি এফৰ ছিদ্দিক আহমেদে ১০২৯১৭ ভোট লাভ কৰে। আনহাতে ১৬০০০ ভোট লাভ কৰি অগপৰ ফলিলুৰ ৰহমান তৃতীয় স্থানত থাকে। সমষ্টি টোত নাজাৰে তেওঁৰ নিকটতম প্ৰাৰ্থী ছিদ্দিক আহমেদক ৬৬, ২৯৫টা ভোটত পৰাজিত কৰে। সমষ্টি টোত ডাঃ আছিফ মহম্মদ নাজাৰক টিকট নিদিবৰ বাবে প্ৰাক্তন সাংসদ প্ৰদ্যুত বৰদলৈয়ে আহোপুৰুষাৰ্থ চেষ্টা কৰিও বিফল হৈ অৱশেষত বিজেপিত যোগদান কৰিছিল। সকলো প্ৰত্যাহ্বান নেওচি ডাঃ আছিফ মহম্মদ নাজাৰে কংগ্ৰেছৰ টিকট আজুৰি অনাৰ পাছতে প্ৰদ্যুত পন্থী কংগ্ৰেছৰ টিকট দাবীদাৰ ডাঃ ফৰিদুল হুছেইনে এ আই ইউ ডি এফত যোগদান কৰি এ আই ইউ ডি এফৰ প্ৰাৰ্থী ছিদ্দিক আহমেদৰ প্ৰচাৰ চলাইছিল। কিন্তু দলীয় সকলো বি-সংবাদ নিঃচিহ্ন কৰি অৱশেষত ডাঃ আছিফ মহম্মদ নাজাৰে দ্বীতিয় বাৰৰ বাবে লাহৰীঘাট সমষ্টিটো দখন কৰি কংগ্ৰেছৰ ৪৭ বছৰীয়া ৰাজত্ব অক্ষুণ্ণ ৰাখে। পূৰ্বৰ নিৰ্বাচনত ডাঃ আছিফ মহম্মদ নাজাৰ মাত্ৰ ১৮০০ ভোটৰ ব্যৱধানত ছিদ্দিক আহমেদক পৰাজিত কৰিছিল যদিও এই বাৰ অভিলেখ সংখ্যক ভোটৰ ব্যৱধানত ছিদ্দিক আহমেদক পৰাজিত কৰিবলৈ সক্ষম হয়।

# বালিচাপৰি আৰু চিলাকলা মণ্ডল সমল কেন্দ্ৰৰ শৈক্ষিক পৰ্যালোচনা সভা

**অসম বাৰ্তা, উজনী মাজুলী, ৫ মে’** ঃ মাজুলী জিলা শিক্ষা খণ্ডৰ অন্তৰ্গত বালিচাপৰি আৰু চিলাকলা মণ্ডল সমল কেন্দ্ৰৰ ২০২৬-২৭ শিক্ষাবৰ্ষৰ প্ৰথমখন শৈক্ষিক পৰ্যালোচনা সভা আজি ১৪৯ নং নতুন চাপৰি প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হয়। বালিচাপৰি আৰু চিলাকলা মণ্ডল সমল কেন্দ্ৰৰ চি. আৰ.চি.চি ৰূপজ্যোতি শইকীয়াই আঁত ধৰা সভা খনি উদ্বোধন কৰে খাৰজানপাৰ জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰবীন সৰকাৰে। সভাত প্ৰাথমিক পৰ্যায়ৰ শিক্ষাৰ্থীসকলৰ শৈক্ষিক উত্তোৰণৰ বাবে ল’বলগীয়া বিভিন্ন দিশ সমূহ পৰ্যালোচনা কৰা হয়। শৈক্ষিক দিশ সমূহৰ পৰ্যালোচনা কৰাৰ লগতে বিদ্যালয়সমূহৰ সময়সূচী সঠিকভাৱে ৰূপায়ণ কৰা, শিক্ষাসেতুত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ নিয়মীয়া উপস্থিতি, ‘বিদ্যা প্ৰৱেশৰ বিভিন্ন কাৰ্যক্ৰম, Udise, iGOT Karomyogi, FLS, Teaching at the Right Level, Baseline Assessment, ইত্যাদি দিশ সমূহত বিশদভাৱে আলোচনা কৰা হয়। দুয়োটা মণ্ডলৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে নিৰ্দিষ্ট সময়ৰ ভিতৰত বিনামূলীয়া পাঠ্যপুথি সমূহ লাভ কৰিবলৈ সক্ষম হয়। সভাত খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নৰৰত্ন কাকতি, খণ্ড সমল ব্যক্তি বসন্ত বৰা, এফ.এল.এনৰ জিলা পৰামৰ্শদাতা নিপুল ভূঞা, এফ. এল. এনৰ KRP ‘গিৰিশ তামুলী উপস্থিত থাকি বিভিন্ন দিশ সমূহৰ ওপৰত আলোকপাত কৰে। বালিচাপৰি আৰু চিলাকলা মণ্ডলৰ ২০খন প্ৰাথমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৬০ গৰাকী শিক্ষক-শিক্ষয়িত্ৰী সভাত উপস্থিত থাকে।

## চৰকাৰী ভূমি দখলক লৈ কঁঠাল খোৱাত উত্তপ্ত পৰিস্থিতি; শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ দাবী

# উজনি মাজুলীৰ ব্ৰহ্মপুত্ৰৰ চাপৰিত স্বতঃস্ফুটভাৱে গঢ়ি উঠা বনাঞ্চল তহিলং

**অসম বাৰ্তা, মাজুলী, ৫ মে’** ঃ উজনি মাজুলীৰ ৰতনপুৰ-গায়ন পঞ্চায়তৰ অন্তৰ্ভুক্ত ব্ৰহ্মপুত্ৰৰ চাপৰিত চলি থকা বনাঞ্চল ধ্বংসই মাজুলীত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বন বিভাগৰ দুৰ্বলতাৰ সযোগ গ্ৰহণ কৰি মাজুলীৰ সমগ্ৰ চাপৰি অঞ্চলত সুদীৰ্ঘ সময় ধৰি অবাধে গছ কাটি থকাৰ ফলত ক্ৰমে বৃদ্ধি পাইছে হাতী-মানুহৰ সংঘাত। একাংশ লোকে ৰাতিয়ে- দিনে গছ কাটি তহিলং কৰাৰ পাছতো মাজুলীৰ বন বিভাগে কোনো পদক্ষেপ গ্ৰহণ নকৰাৰ অভিযোগ উঠি আহিছে। শেহতীয়াকৈ কঁঠালখোৱা চাপৰিত দুটা পৰিয়ালে কৃষি ভূমিৰ বাবে হাবি-বন ধ্বংস কৰি থকাৰ কথা পোহৰলৈ অহাৰ পাছত কঁঠাল খোৱা গাঁৱত এক চেপা উত্তেজনাই বিৰাজ কৰি আছে। জেংৰাইমুখ আৰক্ষীৰ এটা দলে চাপৰিত প্ৰৱেশ কৰি কোনো পক্ষই যাতে গছ-গছনি নাকাটে তাৰ বাবে সকিয়াই দিয়াৰ লগতে ৩১/২৬নম্বৰত এটা গোচৰ ৰুজু কৰা বুলি আৰক্ষী সূত্ৰই জানিবলৈ দিছে। বন বিভাগৰ দলেও উক্ত স্থান পৰিদৰ্শন কৰি গছ কটা বন্ধ কৰাৰ নিৰ্দেশ দিছিল যদিও বৰ্তমানো জেচিবিৰে চৰকাৰী ভূমিৰ গছ- বন ধ্বংস কৰি আছে বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে। কঁঠালখোৱা গাঁৱৰ ৰাইজে অভিযোগ কৰা অনুসৰি ব্যক্তিগত মুনাফাৰ স্বাৰ্থত প্ৰায় পাঁচ/ছয় বিঘা মাটি আৱৰি থকা কাঠনিখনৰ প্ৰকাণ্ড প্ৰকাণ্ড আজাৰ, শিমলুৰ লগতে বহু মূল্যবান গছ প্ৰায় ১৫ দিনৰ ভিতৰত কাটি তচনচ কৰিছে গাঁওখনৰ দুটাকৈ পৰিয়ালে। এগৰাকী শিক্ষয়িত্ৰীৰ নেতৃত্বত কাঠনিখনৰ গছবোৰ কাটি বিক্ৰী কৰাৰ অভিযোগ উত্থাপন কৰি স্থানীয় ৰাইজে বন বিভাগৰ লগতে মাজুলী জিলা প্ৰশাসনক কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। এছিয়াৰ প্ৰথমখন সংৰক্ষিত পক্ষী উদ্যান চৰাইচোং পুনৰ উদ্ধাৰৰ বাবে কাম কৰি থকা স্বেচ্ছাসেৱী সংগঠন মাজুলীৰ সাহিত্যই এই কাৰ্য্যক তীব্ৰ গৰিহণা দি অনতিপলমে গছ কটা বন্ধ কৰাৰ দাবী জনাইছে। এক বিবৃতিৰ যোগে সংগঠনটোৰ সভাপতি/ সম্পাদকে কয় যে মথাউৰিৰ বাহিৰৰ বনাঞ্চলত দীৰ্ঘদিন ধৰি বন্যহস্তীৰ জাকে আশ্ৰয় লৈ আছে। গছ-গছনি কাটি পেলোৱাৰ ফলত বন্যপ্ৰাণীৰ বাসস্থান ধ্বংস হোৱাৰ লগতে পৰিবেশৰ প্ৰতিও ভাবুকি নামি আহিব। হাতী- মানুহৰ সংঘাত বৃদ্ধি হোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে বুলি সংগঠনটোৱে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শীঘ্ৰে বন ধ্বংস কাৰ্য্য বন্ধ কৰাৰ দাবী জনাইছে। কঁঠালখুৱাবাসীয়ে ক্ষোভেৰে কয় যে গছ কাটি থকাৰ সময়ত বন বিভাগক জনোৱাৰ পাছতো কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। ফলস্বৰূপে মাজুলী বন বিভাগৰ নিৰ্লিপ্ত ভূমিকাক লৈ ৰাইজৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে। ইফালে মাজুলীত জিলা বন বিষয়া স্থায়ীভাৱে নিযুক্তি নিদিয়াৰ ফল ভুগিছে মাজুলীবাসীয়ে। স্থানীয় সচেতন ব্যক্তিসকলে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে চৰকাৰী ভূমি দখলৰ বাবে নামি পৰা সকলৰ বিৰুদ্ধে সময় থাকোঁতেই উচিত ব্যৱস্থা গ্ৰহণ নকৰিলে কম দিনৰ ভিতৰতে উদং হৈ পৰিব মাজুলীৰ চাপৰিসমূহ। ভূমি দখলক লৈ শেহতীয়াকৈ কঁঠাল খোৱাত এক চেপা উত্তেজনাই বিৰাজ কৰি আছে বুলি স্থানীয় লোকে জানিবলৈ দি কয় যে বনাঞ্চল ধ্বংসত জড়িত পৰিয়াল দুটাই চাপৰিত প্ৰায় ২৫/৩০ বিঘা মাটি দখল কৰি আছে। শেহতীয়াকৈ ৰাইজে খেতি কৰি থকা অংশ নিজৰ দখললৈ নিব বিচাৰি পৰিয়াল দুটাই অবাধ গতিত বনাঞ্চল ধ্বংস কৰি আছে। সেয়ে পৰিস্থিতি যাতে অৱনতি নঘটে তাৰ বাবে বন বিভাগৰ লগতে জিলা প্ৰশাসনৰ হস্তক্ষেপ কামনা কৰিছে। ইফালে কমলাবাৰীৰ সমীপৰ চাপৰিৰ পৰা দৈনিক কেইবা খনো ডাম্পাৰেৰে বিভিন্ন ঠাইলৈ বালি কঢ়িওৱা দেখা গৈছে যদিও নিৰ্বিবাদে কমলাবাৰী চাৰি আলিত যানজঁটৰ সৃষ্টি হৈছে যদিও সকলো পক্ষৰে নিৰ্লিপ্ততাত ৰাইজে আশ্চৰ্য প্ৰকাশ কৰিছে।

## “বিফলতাইহে সফলতাৰ পথৰ সন্ধান দিয়ে”- অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সচিব ডাঃ নাৰায়ণ শৰ্মা

# ডুমডুমাৰ কৰ্দৈগুৰিত সদৌ মৰাণ ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস আৰম্ভ

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, ডুমডুমা, ৫ মে’** ঃ “একাগ্ৰতা, ধৈৰ্য, সাহস আৰু নেৰানেপেৰা প্ৰচেষ্টাৰ ফলতহে জীৱনলৈ সফলতা আহে। বিখ্যাত বিজ্ঞানী টমাচ আলভা এডিচনে বিদ্যুৎ আৱিষ্কাৰ কৰিবলৈ বাৰশবাৰ বিফল হৈছিল। অৱশেষত তেওঁ বিদ্যুৎ আৱিষ্কাৰ কৰিবলৈ সফল হৈছিল। গতিকে বিফলতাইহে সফলতাৰ আন এক পথৰ সন্ধান দিয়ে।” সদৌ মৰাণ ছাত্ৰ সন্থাৰ ৫৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি ‘জ্ঞানদ্বীপ’ শীৰ্ষক এক শৈক্ষিক অনুষ্ঠানত মুখ্য সমল ব্যক্তি হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি এনেদৰে কয় অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সচিব ডাঃ নাৰায়ণ শৰ্মাই। ‘সদৌ মৰাণ ছাত্ৰ সন্থা’ৰ উদ্যোগত আৰু তালাপ-কৰ্দৈগুৰি আঞ্চলিক সমিতিৰ আতিথ্যত চাহ নগৰী ডুমডুমাৰ নিলগৰ কৰ্দৈগুৰিৰ বৰগড়া গাঁও ৰাজহুৱা খেলপথাৰৰ শ্ৰীশ্ৰী নৰসিংহভূজ সমন্বয় ক্ষেত্ৰত আজিৰে পৰা দুদিনীয়া বিস্তৃত তথা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা ৫৮ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত হ’য় ‘জ্ঞানদ্বীপ’ শীৰ্ষক আলোচনা চক্ৰ। ইয়াৰ সঞ্চালনা কৰে ডুমডুমা বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়াই। উদ্বোধন কৰে তিনিচুকীয়া জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক মায়ং কুমাৰে, আদৰণী ভাষণ আগবঢ়াই সদৌ মৰাণ ছাত্ৰ সন্থাৰ উপদেষ্টা টিকেন্দ্ৰজিৎ গোহাঁয়ে। অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ডুমডুমা সমজিলাৰ আৰক্ষী অধীক্ষক দিগন্ত দত্ত। কাৰ্যসূচী অনুসৰি, পুৱা ভাগত শ্ৰী শ্ৰী নৰসিংহভূজ সমন্বয় ক্ষেত্ৰ উদ্বোধন কৰে তালাপ-কৰ্দৈগুৰি আঞ্চলিক মৰাণ ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰদীপ কুমাৰ মৰাণে। পতাকা উত্তোলন কৰে সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পলীন্দ্ৰ বড়াই আৰু শ্বহীদ তৰ্পণ কৰে সাধাৰণ সম্পাদক জয়কান্ত মৰাণে। আৰ্হি মৰাণ ঘৰ উদ্বোধন কৰে তিনিচুকীয়া জিলা উন্নয়ন আয়ুক্ত জাভেদ আৰমানে। আনহাতে গ্ৰন্থমেলা, বিপনী আৰু প্ৰদৰ্শনী দ্বাৰ উন্মোচন কৰে কৰ্দৈগুৰি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ ৰূপামণি বৰগোহাঁয়ে। মূল মঞ্চ উদ্বোধন কৰে সদৌ মৰাণ ছাত্ৰ সন্থাৰ উপদেষ্টা থুলেশ্বৰ চেতিয়াই। জুবিন গাৰ্গ সংগীত প্ৰতিযোগিতা, মৰাণ ঢোল বাদন আৰু মৰাণ বিহুৱতী প্ৰতিযোগিতাৰ উদ্বোধন কৰে সাংস্কৃতিক সাধক জিতু গোস্বামীয়ে। ইয়াৰ উপৰিও জনজাতীয় সাজপাৰ প্ৰতিযোগিতাও অনুষ্ঠিত হয়। ইয়াৰ পাছতে সদৌ মৰাণ ছাত্ৰ সন্থাৰ পৰা অব্যাহতি লোৱা বহুকেইগৰাকী ছাত্ৰ নেতাক বিদায় সম্ভাষণ জনোৱা হয়। আবেলি মৰাণ জনজাতিৰ অনন্য কৃষ্টিৰ সম্ভাৰ গছতলৰ বিহু প্ৰদৰ্শন কৰা হয়। সহস্ৰাধিক মৰাণ ডেকাৰ চাকচনী মাৰিৰ লহৰত জাক জাক মৰাণ গাভৰুৱে বিহু নাচ প্ৰদৰ্শন কৰে। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰ উদ্বোধন কৰে মৰাণ স্বায়ত্ত শাসিত পৰিষদৰ অধ্যক্ষ ধৰ্মেন্দ্ৰ নেওগে। কাইলৈ অৰ্থাৎ সামৰণিৰ দিনা গছপুলি ৰোপণ, বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা, ১০০০ গৰাকী মৰাণ নাচনীৰ দ্বাৰা মৰাণ লগ বিহু প্ৰদৰ্শন, জনগোষ্ঠীয় সংস্কৃতি প্ৰদৰ্শন আৰু মুকলি সভা অনুষ্ঠিত হ’ব। মুকলি সভাতেই স্মৃতিগ্ৰন্থ “কৰ্দৈগুৰি” আৰু সন্থাৰ বাৰ্ষিক মুখপত্ৰ “গান্ধৈ” উন্মোচন কৰা হ’ব। সন্ধিয়া ৮ বজাত মৰাণসকলৰ পৰম্পৰাগত ৰাতিবিহু উদযাপন কৰা হ’ব। উল্লেখ্য যে, ৰাতিবিহুৰ উদ্ধোধক হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক নিমন্ত্ৰণ জনাইছে অভ্যৰ্থনা সমিতিয়ে।

## ১০, ৪৫৯ ভোটত পৰাস্ত ধ্ৰুৱ গগৈ

# ৰামেশ্বৰ তেলীৰ হাততে থাকিল দুলীয়াজানৰ গাদী

**অসম বাৰ্তা, দুলীয়াজান, ৫ মে’** ঃ আজি ভোটগণনাৰ অন্তত দুলীয়াজান বিধানসভা সমষ্টিত পুনৰ ফুলিল পদুম। ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থী ৰামেশ্বৰ তেলীয়ে কংগ্ৰেছৰ প্ৰাৰ্থী ধ্ৰুৱ গগৈক ১০, ৪৫৯ ভোটৰ ব্যৱধানত পৰাজিত কৰি দুলীয়াজানত বিজেপিৰ স্থিতি পুনৰ সুদৃঢ় কৰিলে। ঘোষিত ফলাফল অনুসৰি, ৰামেশ্বৰ তেলীয়ে সৰ্বমুঠ ৭১, ৪৬৭টা ভোট লাভ কৰাৰ বিপৰীতে কংগ্ৰেছৰ ধ্ৰুৱ গগৈয়ে লাভ কৰে ৬১, ০০৮টা ভোট। ঝাৰখণ্ড মুক্তি মৰ্চাৰ প্ৰাৰ্থী পিটাৰ মিঞ্জই মাত্ৰ ৮, ৩৮৯টা ভোট লাভ কৰি তৃতীয় স্থানতে সন্তুষ্ট থাকিবলগীয়া হয়। আনহাতে, সমষ্টিটোৰ ২, ৬১০জন ভোটাৰে কোনো এজন প্ৰাৰ্থীকে পছন্দ নকৰি ‘ন’টা’ (NOTA)ত ভোট দান কৰে। পুৱাৰে পৰা চলা ভোটগণনাত প্ৰথম কেইটামান ৰাউণ্ডত বিজেপি আৰু কংগ্ৰেছৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতা দেখা গৈছিল যদিও বেলা আঢ়ৈ বজাৰ পিছত ৰামেশ্বৰ তেলীয়ে স্পষ্ট অগ্ৰগতি লাভ কৰে। বিশেষকৈ চাহ বাগিচা অঞ্চলৰ ভোটদান কেন্দ্ৰসমূহত বিজেপি প্ৰাৰ্থীগৰাকীয়ে লাভ কৰা বিপুল সমৰ্থনেই জয়ৰ মূল কাৰক হিচাপে বিবেচিত হৈছে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত বিজয়ী প্ৰাৰ্থী ৰামেশ্বৰ তেলীয়ে কয়, “এই বিজয় দুলীয়াজানৰ প্ৰতিগৰাকী সচেতন ৰাইজৰ বিজয়। ৰাইজে উন্নয়নৰ স্বাৰ্থত আৰু বিজেপিৰ নীতি-আদৰ্শৰ ওপৰত বিশ্বাস ৰাখি মোক পুনৰ সেৱা কৰাৰ সুযোগ দিছে।” আনহাতে, পৰাজয় স্বীকাৰ কৰি কংগ্ৰেছ প্ৰাৰ্থী ধ্ৰুৱ গগৈয়ে কয় যে তেওঁ ৰাইজৰ ৰায়ক সন্মান জনায় আৰু বিৰোধী হিচাপে সমষ্টিটোৰ সমস্যাসমূহ উত্থাপন কৰি যাব।

# নকছাৰিত দুজন ড্ৰাগছ ব্যৱসায়ীক আটক

**অসম বাৰ্তা, নকছাৰি, ৫ মে’** ঃ মৰিয়নি সমজিলাৰ অন্তৰ্গত নকছাৰিত সোমবাৰে এক গোপন সূত্ৰৰ যোগেদি দেবেৰাপাৰ আৰক্ষীয়ে দুজন ড্ৰাগছ ব্যৱসায়িক আটক কৰে। ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আব্দুল ৰহমানৰ নেতৃত্বত যোৱা এটা দলে আটক কৰে এই দুজন ড্ৰাগছ ব্যৱসায়িক। এজন দেৱেৰাপাৰ চাৰিআলিৰ ইউনুছ হুছেইন আৰু আনজন সমীপৰ নগা বস্তীৰ য়াৰ কাবা ইমছেন। জানিব পৰা মতে বহু দিনৰ পৰা এওঁলোকে এইদৰে অঞ্চলটোত ড্ৰাগছ ব্যৱসায় চলাই আহিছে। আৰক্ষীয়ে এই দুজনৰ পৰা বিশ হেজাৰ টকাৰ মূল্যৰ ১০০টা টেবলেট আৰু নগদ সোতৰ হেজাৰ টকা উদ্ধাৰ কৰে। কিছুদিন আগতেও দেবেৰাপাৰ আৰক্ষী বিষয়া আব্দুল ৰহমানৰ নেতৃত্বত কেইবাটাও এনেধৰণৰ ড্ৰাগছ ব্যৱসয়ীক আটক কৰি জেললৈ প্ৰেৰণ কৰিছিল। দেবেৰাপাৰ আৰক্ষীৰ এনেধৰণৰ ধাৰাবাহিক সাফল্যৰ বাবে স্থানীয় ৰাইজে প্ৰশংসা কৰিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম’বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ’ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন